www.asombarta.in
শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক
# অসম বাৰ্তা
PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

তুমি যদি নিজৰ মুখখন সদায় পোহৰৰ ফালে ৰাখা তেন্তে তুমি কেতিয়াও ছাঁটো চাবলগীয়া নহয়। — হেলেন কেলাৰ।

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

ষষ্ঠ বছৰ | সংখ্যা - ২৪৬ | শনিবাৰ | ২৯ নৱেম্বৰ, ২০২৫ চন | ১২ আঘোণ, ১৯৪৭ শক | VOL - 6 | NO.- 246 | Saturday | 29th November, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮

## ২০ বছৰ পৰ্যন্ত বিক্ৰী কৰিব নোৱাৰিব মাটি ঃ এপিএছচিত সংৰক্ষণ

# ৰাজ্যৰ ৩ লাখ চাহ শ্ৰমিকলৈ ভূমি পট্টা



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৮ নৱেম্বৰ ঃ** অসম বিধানসভাৰ শীতকালীন অধিৱেশনত আজি 'চাহ জনগোষ্ঠীয়ে মাটিৰ পট্টা প্ৰদান বিধেয়ক' গৃহীত হোৱাৰ লগে লগে ৰাজ্যৰ প্ৰায় তিনি লাখ চাহ শ্ৰমিকৰ দীৰ্ঘদিনীয়া সপোন বাস্তৱায়িত হ'বলৈ ওলাইছে। বিধেয়কৰ ওপৰত আলোচনাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চাহ জনগোষ্ঠীৰ প্ৰতি বিজেপি চৰকাৰৰ অঙ্গীকাৰৰ কথা পুনৰবাৰ উল্লেখ কৰি একাধিক ডাঙৰ ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে কয়, "চাহ শ্ৰমিকসকলে অসমৰ জাতীয় জীৱনলৈ অভূতপূৰ্ব বৰঙণি আগবঢ়াইছে। ২০১৪ চনৰ পাছত বাগিচাৰ শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত আমি আমূল পৰিৱৰ্তন আনিছোঁ। ৭ লাখ শ্ৰমিকৰ বেংক একাউণ্ট খুলি

### পুনৰ ক্ষমতালৈ আহিলে নিৰ্মাণ হ'ব ঘৰ

দিছিলোঁ, যাৰ ফলত ৭৫ বছৰৰ পিছত প্ৰথমবাৰলৈ নগদ ধনৰ পৰিৱৰ্তে বেংকত মজুৰি জমা হ'বলৈ ধৰিলে। প্ৰসূতি মাতৃক ১২ হাজাৰ টকা অনুদান, বাগিচাৰ ৰাস্তাৰ উন্নয়ন আৰু জানুৱাৰীৰ পৰা ১০০খন নতুন হাইস্কুল আৰম্ভ কৰাৰ কথা ঘোষণা কৰিছিলোঁ— সেই সকলোকে আমি পূৰণ কৰিছোঁ।" তেওঁ লগতে কয়, বিজেপি চৰকাৰৰ সাত বছৰত চাহ শ্ৰমিকৰ দৈনিক মজুৰি ২৫০ টকালৈ বৃদ্ধি পাইছে। এইবাৰ ভূমি পট্টাৰ জৰিয়তে তিনি লাখ শ্ৰমিকৰ হাতত মাটিৰ মালিকীস্বত্ব আহিব। পট্টা লাভৰ পিছত ২০ বছৰলৈ মাটি বিক্ৰী কৰিব নোৱাৰিলেও বেংকত বন্ধক ৰাখিব পাৰিব আৰু ২০ বছৰৰ পিছত মাটি বিক্ৰী কৰিব লাগিলে কেৱল সেই বাগিচাৰে আন শ্ৰমিককহে বিক্ৰী কৰিব পাৰিব। মুখ্যমন্ত্ৰীয়ে আজি দুটা ডাঙৰ ঘোষণাও কৰে— অহা বছৰৰ পৰা চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীৰ বাবে APSC পৰীক্ষাত বিশেষ সংৰক্ষণৰ ব্যৱস্থা কৰা হ'ব, পুনৰ বিজেপি চৰকাৰ ক্ষমতালৈ আহিলে তিনি লাখ চাহ শ্ৰমিকৰ বাবে ঘৰ নিৰ্মাণ কৰি দিয়া হ'ব আৰু অহা দুমাহৰ ভিতৰতে এই আঁচনি আৰম্ভ হ'ব। কিন্তু মুখ্যমন্ত্ৰীৰ ভাষণৰ মাজতে শিৱসাগৰৰ স্বতন্ত্ৰ ▸▸৬ পৃষ্ঠাত

আজিৰ কলম

## প্ৰাইভেট স্কুলৰ শিক্ষকৰ দুৰ্গতি মোচনাৰ্থে চৰকাৰী সঁকাহৰ প্ৰয়োজন



শৰৎ চন্দ্ৰ চিৰিংফুকন

**এটা** অতি স্পৰ্শকাতৰ বিষয় সন্দৰ্ভত আজি কিছু কথাৰ অৱতাৰণা কৰিব খুজিছোঁ। আমাৰ ৰাজ্য বা ৰাষ্ট্ৰ একোখনৰ চৌপাশে জনসাধাৰণৰ মাজত নিৰক্ষৰতা দূৰীকৰণাৰ্থে শত-সহস্ৰ চৰকাৰী শিক্ষানুষ্ঠান থকাৰ বিপৰীতে আৰু অগণন বেচৰকাৰী নানা মাধ্যমৰ শিক্ষানুষ্ঠান থাকে আৰু আছে। সমাজত শিক্ষালাভৰ প্ৰতি ধাবমান হোৱা অসংখ্য ছাত্ৰ-ছাত্ৰীয়ে নানান কাৰণত চৰকাৰী বিদ্যালয়ত নপঢ়ি বেচৰকাৰী শিক্ষানুষ্ঠানত নামভৰ্তি কৰি পঢ়া-শুনা কৰি আছে। এনেবোৰ শিক্ষানুষ্ঠান ৰাইজে অথবা কোনো সচেতন ব্যক্তিবিশেষে নিজ উপাৰ্জিত গাঁঠিৰ ধন-বিত ▸▸৬ পৃষ্ঠাত



### 'মেক ইন ইণ্ডিয়া'ৰ অধীনত প্ৰতিৰক্ষা সঁজুলিৰ যৌথ নিৰ্মাণৰ ওপৰত বুজাবুজি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা

## ৪ ডিচেম্বৰত ভাৰতলৈ আহিব পুটিন

**অসম বাৰ্তা, নতুন দিল্লী, ২৮ নৱেম্বৰ ঃ** প্ৰায় চাৰি বছৰৰ অন্তত আকৌ ভাৰতৰ মাটিত ভৰি থ'ব ৰাছিয়াৰ ৰাষ্ট্ৰপতি ▸▸৬ পৃষ্ঠাত

## তামিলনাডু-অন্ধ্ৰ উপকূলৰ কেইবাখনো জিলাত ৰেড এলাৰ্ট



### ঘূৰ্ণীবতাহ 'দিত্বাহ'ৰ আতংক !

**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৮ নৱেম্বৰ ঃ** বংগোপসাগৰত সৃষ্টি হোৱা তীব্ৰ নিম্নচাপৰ অঞ্চলটোৱে ইতিমধ্যে ঘূৰ্ণীবতাহৰ ৰূপ লৈছে আৰু তাৰ নাম ৰখা হৈছে 'দিত্বাহ'। য়েমেনে প্ৰস্তাৱ কৰা এই নামেৰে চিহ্নিত ঘূৰ্ণীবতাহটোৱে অহা ৩০ নৱেম্বৰৰ পুৱালৈ তামিলনাডু-পুডুচেৰী আৰু দক্ষিণ অন্ধ্ৰপ্ৰদেশৰ ▸▸৬ পৃষ্ঠাত

### পুত্ৰৰ চাঞ্চল্যকৰ দাবী ঃ দেউতাকক ৬ সপ্তাহৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন কৰি ৰখা হৈছে



## জীয়াই থকাৰ প্ৰমাণ নাই ইমৰাণ খানৰ !

**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৮ নৱেম্বৰ ঃ** পাকিস্তানৰ কাৰাগাৰত বন্দী প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰাণ খানৰ স্বাস্থ্য আৰু সুৰক্ষাৰ বিষয়ে গভীৰ উদ্বেগৰ মাজতে তেওঁৰ পুত্ৰ কাছিম খানে বৃহস্পতিবাৰে এক চাঞ্চল্যকৰ বাৰ্তা প্ৰেৰণ কৰি সমগ্ৰ দেশতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কাছিমে এক্সত পোষ্ট কৰা দীঘলীয়া বাৰ্তাত দাবী কৰিছে যে, গ্ৰেপ্তাৰৰ ৮৪৫ দিন পাৰ হোৱাৰ পিছতো ▸▸৬ পৃষ্ঠাত

## দিল্লীৰ বিষাক্ত বতাহ সন্দৰ্ভত ৰাহুল গান্ধীৰ প্ৰধানমন্ত্ৰীলৈ ক্ষোভ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৮ নৱেম্বৰ ঃ** দিল্লীৰ ভয়াৱহ বায়ু প্ৰদূষণৰ মাজত কংগ্ৰেছ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সোধা এটি কঠিন প্ৰশ্নই ৰাজনৈতিক মহলত তীব্ৰ চৰ্চাৰ সৃষ্টি কৰিছে। "ভাৰতৰ সন্তানসকল আমাৰ চকুৰ সন্মুখতে বিষাক্ত বতাহ উশাহ লৈ মৃত্যুমুখত পৰিছে, তথাপি প্ৰধানমন্ত্ৰী কিয় নিৰৱ?" — এই প্ৰশ্নৰে মোদী চৰকাৰক তীব্ৰ সমালোচনা কৰিছে ৰাহুলে। শুকুৰবাৰে পুৱা দিল্লীৰ বিভিন্ন অঞ্চলত এয়াৰ কোৱালিটি ইণ্ডেক্স অতি ভয়াৱহ মাত্ৰাত উপনীত হৈছিল। মুণ্ডকাত ৪৩৬, ৰোহিনীত ৪৩২, জাহাংগীৰপুৰীত ৪২০ আৰু আনন্দ বিহাৰত ৪০৮ — এই সংখ্যাবোৰে স্পষ্ট কৰি তুলিছে যে ৰাজধানীৰ বতাহ এতিয়া জীৱনৰ বাবে প্ৰত্যক্ষ ভাবুকি হৈ পৰিছে। এই পৰিস্থিতিতে ৰাহুল গান্ধীয়ে দিল্লীৰ কেইগৰাকীমান মাতৃৰ সৈতে সাক্ষাৎ কৰে আৰু তেওঁলোকৰ দুখ-কষ্ট নিজ চকুৰে প্ৰত্যক্ষ ▸▸৬ পৃষ্ঠাত

### অসহায় পত্নীৰ এজাহাৰ, চৰকাৰৰ পৰা সহায়ৰ আহ্বান

## কেৰালালৈ কাম বিচাৰি গৈ পাঁচ মাহে নিৰুদ্দেশ বালিডোঙাৰ ওচমান আলী

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৮ নৱেম্বৰ ঃ** চতিয়াৰ ইটাখোলা আৰক্ষী চকীৰ অধীনৰ বালিডোঙা গাঁৱৰ এটা পৰিয়ালত এতিয়া চৰম ▸▸৬ পৃষ্ঠাত

## মণিপুৰৰ টেংনৌপালত অসম ৰাইফলছৰ শিবিৰত ভয়ংকৰ আক্ৰমণ ঃ চাৰি জোৱান আহত

**অসম বাৰ্তা, মণিপুৰ, ২৮ নৱেম্বৰ ঃ** মণিপুৰৰ টেংনৌপাল জিলাৰ ভাৰত-ম্যানমাৰ সীমান্তৰ অতি নিকটৱৰ্তী ইয়াংগৌ-পকপি অঞ্চলত অসম ৰাইফলছৰ এটা সুৰক্ষা চকীত পুৱতি নিশা অচিনাক্ত উগ্ৰপন্থীৰ এটা দলে শক্তিশালী আক্ৰমণ চলায়। এই হঠাৎ আক্ৰমণত তৃতীয় অসম ৰাইফলছৰ চাৰিজন জোৱান গুৰুতৰভাৱে আহত হয়। ঘটনাস্থলীটো ৮৭ নং বৰ্ডাৰ পিলাৰৰ পৰা অতি কম দূৰত্বত অৱস্থিত। প্ৰতিৰক্ষা বিভাগৰ ▸▸৬ পৃষ্ঠাত





## হংকঙৰ ৱাং ফুক কৰ্টত ভয়ংকৰ অগ্নিকাণ্ডত নিহতৰ সংখ্যা ১২৮ লৈ বৃদ্ধি

**ইন্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ২৮ নৱেম্বৰ ঃ** হংকঙৰ টাই প' জিলাৰ ৱাং ফুক কৰ্টত বুধবাৰে সংঘটিত হোৱা ভয়ংকৰ অগ্নিকাণ্ডই এতিয়া চহৰখনৰ ইতিহাসৰ অন্যতম ক'লা দিন হিচাপে স্থান ল'বলৈ ওলাইছে। শুকুৰবাৰে পুৱালৈকে ▸▸৬ পৃষ্ঠাত

### ৬ হাজাৰ বিঘা বনভূমি মুক্ত কৰিবলৈ প্ৰশাসনৰ চূড়ান্ত প্ৰস্তুতি

## আজি লুটুমাৰীত বৃহৎ উচ্ছেদ অভিযান

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৮ নৱেম্বৰ ঃ** নগাঁও জিলাৰ কামপুৰ ৰেঞ্জৰ অধীনৰ লুটুমাৰী সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ছয় হাজাৰ বিঘাতকৈও অধিক ভূমি বেদখলমুক্ত কৰিবলৈ শনিবাৰে বৃহৎ উচ্ছেদ অভিযান চলোৱাৰ সিদ্ধান্ত লৈছে জিলা প্ৰশাসনে। ১৯১৯ চনতে সংৰক্ষিত বনাঞ্চল হিচাপে স্বীকৃতি পোৱা ▸▸৬ পৃষ্ঠাত

## চাহ জনগোষ্ঠীৰ প্ৰতিবাদে নিশ্চিত কৰিলে মনোজ ধানোৱাৰৰ টিকট

### পুলক-ত্ৰিদীপ নহয়, মাকুমত এণ্ট্ৰী মাৰিব মনোজে

**ৰবীন মৰাণ, পেঙেৰী, ২৮ নৱেম্বৰ ঃ** নিৰ্বাচনৰ সময় চমু চাপি অহাৰ লগে লগে তিনিচুকীয়া জিলাত টিকট প্ৰত্যাশীসকলৰ মাজত প্ৰাৰ্থীত্বকেন্দ্ৰিক তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। জিলাখনৰ শদিয়া, ডুমডুমা আৰু মাৰ্ঘেৰিটা সমষ্টিৰ বাদে বাকীকেইটা সমষ্টিত শাসকীয় দলৰ হৈ কোনে টিকট পাব তাকে লৈ বিভিন্ন ▸▸৬ পৃষ্ঠাত



## চৰাইদেউত স্থাপিত হ'ব চাওলুং ছ্যু-কা-ফা বিশ্ববিদ্যালয়



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৮ নৱেম্বৰ ঃ** অসমৰ শিক্ষাক্ষেত্ৰই আজি এক ঐতিহাসিক মুহূৰ্তৰ সাক্ষী হৈ ৰ'ল। বিধানসভাৰ শীতকালীন অধিৱেশনত 'চাওলুং ছ্যু-কা-ফা বিশ্ববিদ্যালয় বিধেয়ক-২০২৫' সৰ্বসন্মতিক্ৰমে গৃহীত হোৱাৰ লগে লগে চৰাইদেউত এখন ▸▸৬ পৃষ্ঠাত

## সদনত গৰ্জি উঠিল শাসক ! 'অখিল গগৈ মূৰ্দাবাদ' ধ্বনি

### চাহ বাগিচাৰ লোকৰ মাটিৰ পট্টাক লৈ মুখ্যমন্ত্ৰী-অখিল গগৈৰ বাকযুদ্ধ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৮ নৱেম্বৰ ঃ** অসম বিধানসভাৰ শীতকালীন অধিৱেশনৰ মজিয়াত শুকুৰবাৰে পুনৰবাৰ উত্তপ্ত পৰিৱেশৰ সৃষ্টি হয়। চাহ জনগোষ্ঠীৰ মাটিৰ ▸▸৬ পৃষ্ঠাত



### উদ্যোগ মন্ত্ৰী বিমল বৰাৰ অদ্ভুত প্ৰস্তাৱ

## বিধানসভাত স্থাপন হ'ব ডিটেনশ্যন কোঠা !

**ষ্টাফ ৰিপ'ৰ্টাৰ, দিছপুৰ, ২৮ নৱেম্বৰ ঃ** অসম বিধানসভাত শীৰ্ঘেই স্থাপন হ'ব ডিটেনশ্যন কোঠা। সদনৰ কামকাজ চলি থকা সময়ত ▸▸৬ পৃষ্ঠাত



## খেল' ইণ্ডিয়া বিশ্ববিদ্যালয় গেমছত অসমৰ সফলতা

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৮ নৱেম্বৰ ঃ** খেল' ইণ্ডিয়া বিশ্ববিদ্যালয় গেমছ—২০২৫ত অসমৰ প্ৰতিভাৱান সাঁতোৰবিদ জনগুয় জ্যোতি হাজৰিকাই ৰাষ্ট্ৰীয় মঞ্চত পুনৰ ▸▸৬ পৃষ্ঠাত

### পঞ্চম-নৱম শ্ৰেণীৰ শিক্ষাৰ্থীলৈ বিনামূলীয়া চাইকেল

## 'প্ৰেৰণা' আঁচনিৰ শুভাৰম্ভ ঃ দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীলৈ মাহিলি ৩০০ টকাৰ জলপানি

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৮ নৱেম্বৰ ঃ** অসমৰ শিক্ষাৰ্থীসকলৰ বাবে এক সুখবৰ লৈ আহিল শুকুৰবাৰে পুৱা। মহানগৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰিলে ৰাজ্য চৰকাৰৰ নতুন 'প্ৰেৰণা' আঁচনি। এই আঁচনিৰ জৰিয়তে ২০২৫ চনৰ নৱেম্বৰৰ পৰা



দশম শ্ৰেণীত অধ্যয়নৰত প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক মাহিলি ৩০০ টকাকৈ জলপানি প্ৰদান কৰা হ'ব। আঁচনিখনৰ বিশেষত্ব এয়ে যে, আৰ্থিক অৱস্থা নিৰ্বিশেষে অসমত স্থায়ীভাৱে বসবাস কৰা সকলো ছাত্ৰ-ছাত্ৰী এই সুবিধা লাভ কৰিব। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ বিদ্যালয়ৰ ▸▸৬ পৃষ্ঠাত



## নামনি মাজুলীত গভীৰ শোকৰ ছাঁ

# নামনি মাজুলীৰ বিশিষ্ট সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বদন চন্দ্ৰ মূদৈৰ মৃত্যু

**অসম বাৰ্তা, উজনী মাজুলী, ২৮ নৱেম্বৰ ঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ শ্ৰীলোহিত গাঁও পঞ্চায়তৰ অন্তৰ্গত গোৱালগাঁৱৰ বাসিন্দা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, বিশিষ্ট অতিথি বদন চন্দ্ৰ মূদৈৰ আজি পুৱা নিজা বাসভৱনত মৃত্যু হয়। বাৰ্ধক্যজনিত কাৰণত যোৱা কিছুদিন ধৰি অসুস্থ হৈ শয্যাশায়ী হৈ থকা বদন চন্দ্ৰ মূদৈৰ আজি নিচেই পুৱাতে মৃত্যুৰ কোলাত ঢলি পৰে। সমগ্ৰ অঞ্চলটোৰ এজন নিৰ্জু স্বভাৱৰ অমায়িক শিক্ষক বদন চন্দ্ৰ মূদৈ অতি ধৰ্মপৰায়ণ ব্যক্তি হিচাপে পৰিচিত আছিল। সৰবৰহী ব্যক্তি বদন চন্দ্ৰ মূদৈয়ে নিজৰ শৈশৱ কাল ঐতিহ্যমণ্ডিত আউনীআটী সত্ৰত শিশু বৈষ্ণৱ হিচাপে থাকি আউনীআটী এম ই স্কুলত প্ৰাথমিক শিক্ষা লাভ কৰিছিল। পৰৱৰ্তী কালত তেওঁ মাজুলী আউনীআটী হেমচন্দ্ৰ দেৱ গোস্বামী বিদ্যালয়ত মাধ্যমিক শিক্ষা সমাপ্ত কৰি ৬ নং গোৱালগাঁও প্ৰাথমিক বিদ্যালয়ত শিক্ষকতাৰে কৰ্মজীৱনৰ আৰম্ভ কৰিছিল। দীৰ্ঘদিন ধৰি তেওঁ গোৱালগাঁও প্ৰাথমিক বিদ্যালয় আৰু মালাপিন্ধা কৈৱৰ্ত প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰি ১৯৯৪ চনত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। নামনি মাজুলীৰ বহু প্ৰজন্মক তেওঁ প্ৰাথমিক শিক্ষা প্ৰদান কৰি জীৱন-জীৱিকাৰ পথ দিছিল। চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰা পাছত তেওঁ সমাজৰ উন্নয়নৰ বাবে নিজকে সমাজৰ লগত জড়িত কৰি জনপ্ৰিয়তা অৰ্জন কৰিছিল। তেওঁ গোৱালগাঁও তৰুণ নাট্য সমাজৰ দীৰ্ঘদিন ধৰি সভাপতি পদ অলংকৃত কৰি সমাজসেৱা কৰিছিল। তদুপৰি তেওঁ বালিচাপৰি মিলিত কৃষ্টি সংঘ, শ্ৰীলোহিত উচ্চ মাধ্যমিক বিদ্যালয়, গোৱালগাঁও উন্নয়ন সমিতি আদি ৰাজহুৱা অনুষ্ঠানৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰি সমাজসেৱা কৰিছিল। তেওঁ বালিচাপৰি মিলিত কৃষ্টি সংঘ প্ৰতিষ্ঠা কৰি সন্মুখৰ পৰা নেতৃত্ব লৈ অনুষ্ঠানটো গতিশীল কৰিছিল। তেওঁ গোৱালগাঁও নামঘৰৰ বৰ নামলগোৱা হিছাপে দীৰ্ঘদিন সেৱা আগবঢ়াইছিল। মৃত্যুৰ সময়লৈকে তেওঁ মাজুলীৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোত ভাৱে জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯৫ বছৰ। মৃত্যুৰ সময়ত তেওঁ এজন পুত্ৰ, বোৱাৰী, নাতি, তিনিগৰাকী কন্যা, পাঁচজন ভাতৃসহ এটা বৃহৎ পৰিয়াল ইহ সংসাৰত এৰি থৈ গৈছে। বদন চন্দ্ৰ মূদৈৰ মৃত্যুত সমগ্ৰ অঞ্চলটোতে গভীৰ শোকৰ ছাঁ পৰিছে। বদন চন্দ্ৰ মূদৈ প্ৰয়াত মুক্তিযোদ্ধা মহেশ্বৰ মূদৈ আৰু ঘনকান্তি মূদৈৰ জ্যেষ্ঠ পুত্ৰ আছিল। অৱসৰী শিক্ষক বদন চন্দ্ৰ মূদৈৰ মৃত্যুত গোৱালগাঁও উন্নয়ন সমিতি, তৰুণ নাট্য সমাজ, বালিচাপৰি মিলিত কৃষ্টি সংঘ, শ্ৰীলোহিত উচ্চ মাধ্যমিক বিদ্যালয়, নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়, গোৱালগাঁও প্ৰাথমিক বিদ্যালয়, মালাপিন্ধা কৈৱৰ্ত প্ৰাথমিক বিদ্যালয় আদি অনুষ্ঠান প্ৰতিষ্ঠান, বিভিন্ন দল-সংগঠন, ব্যক্তিয়ে গভীৰ শোক প্ৰকাশ কৰিছে আৰু শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

# আমি এতিয়াহে প্ৰকৃত পৰিচয় পাইছোঁ ঃ মাকুমৰ চাহ-শ্ৰমিক ৰাইজ

**অসম বাৰ্তা, মাকুম, ২৮ নৱেম্বৰ ঃ** প্ৰায় দুশ বছৰীয়া সংগ্ৰামৰ অন্তত অসমৰ ৮০০ ৰো অধিক চাহ বাগিছাৰ হাজাৰ হাজাৰ শ্ৰমিক ৰাইজে নিজৰ ভূমি অধিকাৰ প্ৰাপ্তিৰ দিশত। যুগ যুগ ধৰি যি কোনো এখন চৰকাৰৰ ভোট বেংক হিচাপে ব্যৱহৃত হৈ থকা বাগিছাৰ শ্ৰমিক সকলে এইবাৰ লাভ কৰাৰ দিশত নিজৰ প্ৰাপ্য অধিকাৰ। নিজৰ ভাত মুঠিৰ বাবে মাত্ৰ কেইটামান ন্যূনতম মজুৰিলৈ দিনে নিশাই, ৰদে-বৰষুণে অহৰহ কষ্ট কৰা চাহ শ্ৰমিক সকলে আলহীৰ দৰে বসবাস কৰা ভূমিত এইবাৰ হ'ব নিজৰ স্থায়ী ঠিকনা। ২০২৫ বৰ্ষৰ অন্তিমখন বিধানসভাৰ শীতকালীন অধিবেশনত চাহ শ্ৰমিক সকলক ভূমিৰ পট্টা প্ৰদান কৰাৰ প্ৰস্তাৱ। এইপ্ৰস্তাৱৰ পাছতেই ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ চাহ বাগিছাৰ চাহ শ্ৰমিকৰ ৰাইজৰ লগতে মাকুমৰ হাপজান আৰু বেতজান চাহ বাগিছাত আনন্দৰ জোৱাৰ। আজি চাহ শ্ৰমিকৰ ঐতিহাসিক দিনটোৰ সাক্ষী হৈ ৰ'বলৈ ৰাজ্যৰ চাহ বাগিছা সমূহত কৰ্ম বিৰতি ঘোষণা কৰি বাগিছাই বাগিছাই প্ৰজেক্টৰ সহায়ত বিধানসভাৰ শীতকালীন অধিবেশন চলি থকা 'দি আছাম ফিশ্বেশ্যন অৱ চিলিং অন লেণ্ড হ'ল্ডিংছ (এমেণ্ডমেণ্ট) বিল, ২০২৫ৰ সম্পৰ্কে পোনপটীয়াকৈ সম্প্ৰচাৰৰ প্ৰদৰ্শন কৰা হয়। আজি ভূমিৰ অধিকাৰ সুনিশ্চিত কৰাৰ ব্যৱস্থাকলৈ মাকুম হাপজান চাহ বাগিছা আৰু বেতজান চাহ বাগিছাৰ শ্ৰমিক ৰাইজে আতচবাজীৰে আনন্দ উল্লাহ কৰা পৰিলক্ষিত হয়। চাহ শ্ৰমিক সকলৰ আজিৰ এই ঐতিহাসিক দিনটোৰ বাবে দেশৰ প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ লগতে ৰাজ্যৰ শ্ৰম মন্ত্ৰী ৰূপেশ গোৱালাক ভাৰতীয় চাহ মজদুৰ সংঘ ডুমডুমা শাখাৰ সভাপতি তথা বিজেপি কৰ্মী জীমদাৰ তাঁতীয়ে ধন্যবাদ জনাই কয় যে "চাহ শ্ৰমিকৰ আন আন সমস্যা সমূহৰ সমাধান অতি



সোনকালে কৰা হ'ব, ইয়াৰ ব্যৱস্থা আমাৰ চৰকাৰে কৰি আছে। ইয়াৰ লগতে অসম চাহ মজদূৰ সংঘ হাপজান শাখাৰ সভাপতি ভৰত কৰ্মকাৰ আৰু বেতজান শাখাৰ সভাপতি লাহোৰ তাঁতীয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ ধন্যবাদ জনাই চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধি আদিবাসী-চাহ জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টোৰ ওপৰত অধিক গুৰুত্ব দিবলৈ সংবাদ মাধ্যমৰ যোগেদি আহ্বান জনায়। ইয়াৰোপৰি আজি চাহ শ্ৰমিক সকলৰ আনন্দ উল্লাহৰ মাজতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ বিয়োগৰ আজি দুটা মাহ দিন অতিক্ৰম কৰিও আজি পৰ্যন্ত মহান শিল্পী গৰাকীৰ ঘটনাৰ ৰহস্য ফাদিল নোহোৱাত দুখ প্ৰকাশ কৰি অশ্ৰুসিক্ত নয়নেৰে ন্যায়ৰ আহ্বান জনাইছে চাহ মজদূৰ সংঘৰ ডুমডুমা শাখা মহিলা সমিতিৰ সম্পাদিকা উষা তাঁতীয়ে।

## কামৰূপ জিলা পৰিষদৰ সদস্য কাম্বু ৰাম ৰাভাৰ উদ্বোধন

# বকোত জননেতা সাব্যসাচী ৰাভা ফুটবলৰ দ্বিতীয় ছেমিত বকো জয়ী



**অসম বাৰ্তা, বকো, ২৮ নৱেম্বৰ ঃ** নিখিল ৰাভা ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক কামৰূপ জিলাৰ বকোৰ প্ৰয়াত সাব্যসাচী ৰাভাৰ সোঁৱৰণত আয়োজন কৰা হয় বাৰ্ষিক ফুটবল প্ৰতিযোগিতা। ৰাভা হাছং স্বায়ত্ত্ব শাসিত পৰিষদৰ অৰ্থ সাহায্যত কামৰূপ জিলা ৰাভা ছাত্ৰ সন্থাৰ উদ্যোগত বিগত বছৰবোৰৰ দৰে এই বৰ্ষও আয়োজন কৰা হৈছে প্ৰতিযোগিতা খন। ৰাভা ছাত্ৰ সন্থাৰ কামৰূপ জিলা সমিতিৰ সভাপতি আনন্দ ৰাভা আৰু সম্পাদক অশোক নংবাগে জনোৱা মতে জাতীয় সংগঠনটোৰ উদ্যোগত বকো হাইস্কুল খেলপথাৰত এই বেলি ত্ৰয়োদশ সংখ্যক বৰ্ষৰ বাবে আয়োজন কৰা হৈছে ফুটবল প্ৰতিযোগিতা খন। ইফালে জননেতা সব্যসাচী ৰাভা সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা পৰিচালনা সমিতিৰ সভাপতি তথা ৰাভা হাছং স্বায়ত্ত্ব শাসিত পৰিষদৰ কাৰ্য্যবাহী সদস্য সুমিত ৰাভা আৰু সম্পাদক জগন্নাথ ৰাভাই জনোৱা মতে; আজি খেলখন আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে যুৱ নেতা তথা কামৰূপ জিলা পৰিষদৰ সদস্য কাম্বু ৰাম ৰাভাই। ইফালে প্ৰতিযোগিতাৰ আজি দ্বিতীয়খন ছেমি ফাইনেল খেল। দ্বিতীয় ছেমি ফাইনেল খেলত প্ৰতিদ্বন্দ্বিতা কৰে এলেভেন ষ্টাৰ বঙাইগাঁও ফুটবল দ'ল বনাম বকো ফুটবল দ'লে। খেল খনত বকো ফুটবল দলে ২-০ গলত বঙাইগাঁও দলক পৰাস্ত কৰে। খেলত বৃহত্তৰ অঞ্চলটোৰ বহু সংখ্যক বিশিষ্ট ক্ৰীড়া সংগঠক; সমাজ কৰ্মী আৰু ছাত্ৰ কৰ্মীয়ে সহযোগ আগবঢ়াই। ইফালে ৩০ নৱেম্বৰত বকো বনাম ছয়গাঁও ফুটবল দলৰ মাজত চূড়ান্ত খেল অনুষ্ঠিত হ'ব।

# ২ ডিচেম্বৰত টুকটুকীত বিশাল দ্বীনি জলছাহ

**অসম বাৰ্তা, বটদ্ৰৱা, ২৮ নৱেম্বৰ ঃ** নগাঁও জিলাৰ ধিঙৰ টুকটুকীত অহা ২ ডিচেম্বৰত এক বিশাল দ্বীনি জলছাহৰ আয়োজন কৰা হৈছে। টুকটুকী ৪ নং জামে মছজিদৰ সৌজন্যত মছজিদ প্ৰাঙ্গণত অহা ২ ডিচেম্বৰত এক বিশাল দ্বীনি জলছাহৰ আয়োজন কৰা হৈছে। দ্বীনি জলছাহটোত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব সদৌ অসম ইছলামিক ৰিচাৰ্জ চেণ্টাৰৰ সভাপতি মুফতি মোকিবুৰ ৰহমান আজহাৰী, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বেছামাৰী আশ্ৰাফুল উলুম মাদ্ৰাছাৰ শিক্ষক ইয়াকুব হুছেইন কাছিমী আৰু দৰং জিলাৰ মৌলানা ছাইফুল ইছলাম। সকলো ধৰ্মপ্ৰাণ ৰাইজৰ সহায় - সহযোগিতাৰ লগতে উপস্থিতি কামনা কৰিছে আয়োজক সমিতিয়ে।

# চুইডেনৰ পৰ্যটকৰ অংশগ্ৰহণেৰে গেলাপুখুৰী গাঁও প্ৰাথমিক বিদ্যালয়ত "ৰাইজৰ দিন" উদ্‌যাপন



**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৮ নৱেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ হাপজান প্ৰাথমিক শিক্ষা খণ্ডৰ বৰগুৰি মণ্ডল সমল কেন্দ্ৰৰ অধীনৰ গেলাপুখুৰী গাঁও প্ৰাথমিক বিদ্যালয়ত আজি "ৰাইজৰ দিন" উৎসৱ উদযাপন কৰা হয়। বিদ্যালয়ত সমাজ জড়িতকৰণৰ উদ্দেশ্যে অসম চৰকাৰৰ শিক্ষা বিভাগৰ নিৰ্দেশনা অনুসৰি পালন কৰা এই উৎসৱৰ পতাকা উত্তোলন কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা উদযাপন সমিতিৰ সভাপতি ভাস্কৰ বৰগোহাঁয়ে। সহকাৰী শিক্ষয়িত্ৰী পিকু দাসে আঁত ধৰা অনুষ্ঠানত স্মৃতি তৰ্পণ কৰে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি নৰসিং প্ৰজাই, গছ পুলি ৰোপণ কৰে সমাজকৰ্মী গজেন্দ্ৰ নাথ বৰুৱাই। ইয়াৰ পাছতে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নীলকান্ত ফুকনে আৰু সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে গাঁও প্ৰধান মৃদুপৱন বৰুৱাই। ইয়াৰ পিছতে স্থানীয় ৰাইজৰ মাজত সংগীত চকী আৰু টেকেলি ভঙা প্ৰতিযোগিতা অনুষ্ঠিত হয়। অনুষ্ঠানৰ সংগতি ৰাখি অনুষ্ঠিত কৰা সাংস্কৃতিক অনুষ্ঠানত স্থানীয় ৰাইজৰ উপৰি উল্লিখিত বিদ্যালয়খনৰ লগতে ১নং গেলাপুখুৰী চাহ বাগিচা, চান্দমাৰী চাহ বাগিচা, চান্দমাৰী নেপালী, শংকৰদেৱ প্ৰাথমিক বিদ্যালয়ৰ লগতে জুৱালা প্ৰসাদ কানৈ মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নৃত্য-পৰিবেশন কৰে। অনুষ্ঠানৰ সংগতি ৰাখি আয়োজন কৰা আলোচনা চক্ৰত জিলা আঁচনি বিষয়া ত্ৰিদিব শৰ্মা তামোলী, মণিমা ভট্টাচাৰ্য, গীতালি নেওগ, বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰ প্ৰালোচক সূৰুজ ভূঞা, খণ্ড সমল ব্যক্তি ক্ৰমে দিতুল চেতিয়া, দুৰ্জয় লোচন চেতিয়া, বন্দীপ সিংহ আৰু ৰাজ্যিক কৃতী শিক্ষক দীপন মৰাণে অংশগ্ৰহণ কৰে। উল্লেখ্য যে আজিৰ এই ৰাইজৰ দিনৰ কাৰ্যসূচীত চুইডেনৰ পৰা চাৰিগৰাকী পৰ্যটকে অংশগ্ৰহণ কৰি অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানৰ শেষত ভাস্কৰ বৰগোহাঁইৰ সভাপতিত্বত অনুষ্ঠিত বঁটা বিতৰণী সভাত মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক ক্ৰমে অৰুন্ধতী বৰগোহাঁই, চনু শ্বাহ, ৰাহুল দাস, সংগীতা শইকীয়া, লুইত গোহাঁই, সৰ্বাত্মক শিক্ষাৰ সমল ব্যক্তি কাংকু জ্যোতি দাস উপস্থিত থাকে। বৰগুৰি মণ্ডল সমল কেন্দ্ৰৰ আটাইকেইখন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে অংশগ্ৰহণ কৰা সভাৰ অন্তত প্ৰতিযোগিতাৰ বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰাৰ লগতে বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী শেৱালি বৰুৱাই সকলোলৈ শলাগৰ শৰাই আগবঢ়ায়।

# সীমান্ত প্ৰহৰী স্বৰ্গীয় দীনেশ চন্দ্ৰ সৰকাৰ দেৱৰ ১০ তম্ স্মৃতি তৰ্পণ

**অসম বাৰ্তা, আগমনি, ২৮ নৱেম্বৰ ঃ** গোলকগঞ্জ সম জিলাৰ অন্তৰ্গত ভাৰত বাংলাদেশ সীমান্তৰ ৰাখালপাটিৰ সীমান্ত সংঘত আজি গোলকগঞ্জ সমষ্টিৰ প্ৰাক্তন বিজেপি বিধায়ক সীমান্ত ৰত্ন হিচাপে খ্যাত দীনেশ চন্দ্ৰ সৰকাৰৰ দশম মৃত্যু বাৰ্ষিকী পালন কৰা হয়। এই উপলক্ষ্যে বন্তিপ্ৰজ্বলন, পুষ্পাঞ্জলি অৰ্পণেৰে কৰি কাৰ্যসূচীৰ শুভাৰম্ভণি হয় আৰু পিছত স্থানীয় সমাজকৰ্মী, সৰ্বস্থৰৰ ৰাইজ গুনমুগ্ধৰ উপস্থিতিত এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। সভাত মুল আহ্বাক হিচাপে হৰিপদ ৰায়, স্বৰ্গীয় দীনেশ চন্দ্ৰ ৰায় দেৱৰ সুপুত্ৰ ধ্ৰুৱজ্যোতি সৰকাৰ, আৰু উপস্থিত থাকে বিজেপি নেতা তথা গোলকগঞ্জ জিলা পৰিষদৰ সদস্য দেৱব্ৰত ৰায়, বিজেপিৰ অবিচি মৰ্চাৰ জিলা সভাপতি গৌতম ৰায়, অবিচি মৰ্চাৰ ৰাজ্যিক সমিতিৰ সাংস্কৃতিক বিভাগৰ দ্বায়িত্বত থকা প্ৰবীৰ কুমাৰ সৰকাৰ, বিজেপি ৰ গোলকগঞ্জ মণ্ডলৰ সভাপতি গোবিন্দ অধিকাৰী, আক্ৰাছু নেতা শ্যাম ৰায়, কে, আৰ, এছ, এছৰ কেন্দ্ৰীয় সম্পাদক দুলাল চন্দ্ৰ ৰায়, বিশিষ্ট সমাজকৰ্মী জয়ন্ত সিংহ, সমাজকৰ্মী গৌৰাংগ চৌধুৰী, বিৰত প্ৰধানীকে ধৰি বহু গণ্য মান্য ব্যাক্তি উপস্থিত থাকি সীমান্তৰ বিভিন্ন সমস্যা সমাধানত প্ৰাক্তন বিজেপি বিধায়ক দীনেশ চন্দ্ৰ সৰকাৰৰ অৱদান, আদৰ্শ, কৰ্মৰ ওপৰত বিষদ আলোচনা কৰে। প্ৰাক্তন বিধায়ক সৰকাৰ একাধাৰে এগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক, সাংবাদিক, সাহিত্যিক আৰু এগৰাকী আদৰ্শ কৃষক। উল্লেখ্য যে উক্ত অনুষ্ঠানৰ ভাষণত কয় যে গংঙ্গাধৰ নৈৰ ওপৰত নৱনিৰ্মিত দলংখনৰ নামকৰণৰ ফলক সীমান্ত প্ৰহৰী স্বৰ্গীয় দীনেশ চন্দ্ৰ সৰকাৰ দেৱৰ স্মৃতিত নাম দিয়াৰ বাবে দীৰ্ঘ দিন ধৰি দল-সংগঠন তথা স্থানীয় ৰাইজৰ দাবী জনাইছে। বিগত বছৰবোৰৰ দৰে এইবেলিও তেওঁৰ পুত্ৰ ধ্ৰুৱ সৰকাৰ, ডাঙৰ জীয়ৰী দীপ্তি ৰানী সৰকাৰ সহ পৰিয়ালৰ সমূহ সদস্য, আত্মীয় স্বজন উপস্থিত থাকি সীমান্তবাসী ৰাইজৰ মাজত গছপুলি বিতৰণৰ লগতে মত বিনিময় কৰে।

## দুশ বিঘা মাটিত বন্যহস্তীৰ বাবে ধানখেতি কৰিছে "হাতীবন্ধু"য়ে

# বনৰীয়া হাতী আৰু মানুহৰ সংঘাত ৰোধ কৰিবলৈ "হাতীবন্ধু"ৰ নিৰন্তৰ প্ৰচেষ্টা

### নগাঁও-কাৰ্বি আংলং সীমান্তৰ হাতীখলি ৰংহাং গাঁৱত লোৱা হৈছে এই পদক্ষেপ



**অসম বাৰ্তা, পুৰণিগুদাম, ২৮ নৱেম্বৰ ঃ** সমগ্ৰ ৰাজ্যৰ ভিন্ন প্ৰান্তত বৰ্তমান বনৰীয়া হাতী আৰু মানুহৰ সংঘাত অব্যাহত আছে। কিন্তু তাৰ বিপৰীতে নগাঁও আৰু কাৰ্বি আংলং জিলাৰ সীমান্তৱৰ্তী হাতীখলিৰ ৰংহাং গাঁৱত দেখিবলৈ পোৱা গৈছে এক বিপৰীত ছবি। কিয়নো যিটো সময়ত বন্যহস্তীয়ে বনাঞ্চল এৰি জনাঞ্চলত প্ৰৱেশ কৰি চহা কৃষক সকলৰ সপোনৰ খেতি পথাৰ অনিষ্ট কৰাৰ লগতে ঘৰ দুৱাৰ আদি ভাঙি ধ্বংস কৰিছে। ঠিক সেই সময়তে হাতীখলিৰ ৰংহাং গাঁৱত "হাতীবন্ধু" নামৰ স্বেচ্ছাসেৱী সংগঠনটোৱে বিগত ৯ বছৰ ধৰি বন্যহস্তীৰ বাবে ধান খেতি কৰি আহিছে। বিগত ২০১৮ চনৰ পৰা নীৰৱচ্ছিন্ন ভাৱে গুৱাহাটীৰ জ্যেষ্ঠ নাগৰিক প্ৰদীপ কুমাৰ ভূঞাৰ পৃষ্ঠপোষকতাত চাপানালাৰ প্ৰকৃতিপ্ৰেমী যুৱক বিনোদ দুলু বৰা আৰু পত্নী মেঘনা ময়ূৰ হাজৰিকাৰ প্ৰচেষ্টাত হাতীখলিৰ ৰংহাং গাঁৱৰ ৰাইজৰ সহযোগত প্ৰায় ২০০ বিঘা মাটিত ধানখেতি কৰাৰ লগতে প্ৰায় ৮০ ৰ পৰা ৯০ বিঘা মাটিত বন্যহস্তীয়ে খায় ভাল পোৱা নেফিয়াৰ ঘাঁহ, ঔটেঙা, কুম্ভিৰ, কঁঠাল গছ ইত্যাদি ৰোপণ কৰি বনৰীয়া হাতী আৰু মানুহৰ সংঘাত ৰোধ কৰাৰ চেষ্টা চলাই আহিছে। "হাতীবন্ধু"ৰ উদ্যোগত ৰংহাং গাঁৱত বনৰীয়া হাতীৰ বাবে কৰা ধানখেতিত প্ৰায় তিনি শতাধিক বনৰীয়া হাতীক আবদ্ধ কৰিবলৈ সক্ষম হৈছে। বনৰীয়া হাতীৰ বাবে কৰা ধানখেতি খাই থাকোঁতেই ভৈয়ামৰ কৃষকে চপাবলৈ আৰম্ভ কৰিছে নিজৰ কৃষিভূমিত কৰা ধানখেতি। এফালে বনৰীয়া হাতীৰ বাবে কৰা ধানখেতি বনৰীয়া হাতীয়ে খাই থকাৰ বিপৰীতে কৃষকেও চপাইছে পথাৰৰ পকা ধান। এই প্ৰচেষ্টাৰ বাবে "হাতীবন্ধু"ক অসম চৰকাৰে "অসম গৌৰৱ" উপাধিৰে বিভূষিত কৰিছিল। বৰ্তমান সময়ত বনৰীয়া হাতীৰ জাকে ঠায়ে-ঠায়ে দিনে-নিশাই উপদ্ৰৱ অব্যাহত ৰখাৰ লগতে বহুলোকৰ বাসগৃহ ভাঙি লণ্ড-ভণ্ড কৰিছিল। এনেদৰে ঠায়ে-ঠায়ে উপদ্ৰৱ অব্যাহত ৰাখিলেও সৰহসংখ্যক বনৰীয়া হাতীয়ে নিৰ্দিষ্ট স্থানত হাতীৰ বাবে কৰা ধানখেতি খাই আৱদ্ধ হৈ থকাত বনৰীয়া হাতীৰ উপদ্ৰৱ বহু পৰিমাণে নিয়ন্ত্ৰণত আছে। জনসংখ্যা বৃদ্ধিৰ ফলত বনভূমিৰ পৰিমাণ কমি অহাৰ বাবে খাদ্যৰ সন্ধানত অহা বনৰীয়া হাতীৰ জাকে ৰাজ্যৰ বিভিন্ন প্ৰান্তত উপদ্ৰৱ চলাই মানুহৰ জীৱন আৰু সা-সম্পত্তিৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। এনেক্ষেত্ৰত হাতীবন্ধুৰ দৰে সংগঠনে বনৰীয়া হাতী আৰু মানুহৰ সংঘাত নিৰাময়ৰ বাবে নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰখা বিষয়টোত চৰকাৰে গুৰুত্ব আৰোপ কৰা উচিত।

# ডিব্ৰুগড়ত ড° ভাৰতী দত্তৰ নৱতম দুখনকৈ গ্ৰন্থ 'অন্য এক মহাত্মা' আৰু 'চিন্তা-প্ৰভা' উন্মোচন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৮ নৱেম্বৰ ঃ** সুদীৰ্ঘকাল সমাজৰ সামগ্ৰিক বিকাশ সাধনৰ বাবে থমকি নোৰোৱাকৈ কলম নিগৰাই যোৱা প্ৰবীণ লেখিকা, অধ্যাপিকা, সমাজসেৱী ড° ভাৰতী দত্তৰ ২৬ আৰু ২৭ সংখ্যক দুখনি গ্ৰন্থ অন্য এক মহাত্মা আৰু চিন্তা-প্ৰভা, ২৮ নৱেম্বৰ তাৰিখে ডিব্ৰু মহাবিদ্যালয়ৰ কনফাৰেঞ্চ হলত ডিব্ৰুগড় বিজ্ঞান সমিতিৰ দ্বাৰা আয়োজিত এক বক্তৃতানুষ্ঠানত উন্মোচন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকা আৰু কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট লেখক ড° শশীকান্ত শইকীয়াই। অসম আদিত্য কাকতৰ সম্পাদক মনজিৎ বৰাৰ প্ৰতি লেখিকাই অন্য এক মহাত্মা উৎসৰ্গা কৰে। শিক্ষা, জীৱন দৰ্শন, স্বদেশানুৰাগ, সাহিত্য, সমাজ আদি বিভিন্ন বিষয় অন্তৰ্ভুক্ত কৰা গ্ৰন্থ দুখনিৰ লেখাসমূহ অসম আদিত্যত প্ৰকাশিত লেখিকাৰ স্তম্ভ চিন্তা-প্ৰবাহৰ পৰা নিৰ্বাচিত কৰা হৈছে। গ্ৰন্থদুখনি প্ৰকাশ কৰিছে অসমৰ প্ৰতিষ্ঠিত প্ৰকাশক বাণী মন্দিৰে।

# বৰহাৰদিয়াত ফুটবল খেলৰ আয়োজন



**অসম বাৰ্তা, হাজো, ২৮ নৱেম্বৰ ঃ** আজিৰে পৰা হাজোৰ বৰহাৰদিয়াত দুদিনীয়াকৈ আৰম্ভ হৈছে আমন্ত্ৰণ মূলক ফুটবল খেল প্ৰতিযোগিতা। বৰহাৰদিয়া ফুটবল ক্লাবৰ উদ্যোগত স্থানীয় খেলপথাৰত অনুষ্ঠিত এই প্ৰতিযোগিতাখনি আজি উদ্বোধন কৰে বিশিষ্ট ক্ৰীড়া সংগঠক তথা জেষ্ঠ্য সাংবাদিক দীপাংকৰ মজুমদাৰে। প্ৰতিযোগিতা খনৰ আয়োজকে জনোৱা অনুসৰি আমন্ত্ৰণমূলক এই প্ৰতিযোগিতাখনিত মুঠ আঠটা দলে অংশগ্ৰহণ কৰিব। মূলত গাঁও অঞ্চলত ফুটবল খেলৰ ব্যাপক প্ৰচাৰ আৰু প্ৰসাৰৰ বাবেই এই প্ৰতিযোগিতাখন আয়োজন কৰা হৈছেবুলি জানিবলৈ দিয়ে বৰহাৰদিয়া ফুটবল ক্লাবৰ বিষয়ববীয়া তথা আয়োজক সমিতিয়ে। উল্লেখ্য যে প্ৰতিযোগিতাখনিৰ লীগ মেচ সমূহ আজি অনুষ্ঠিত হোৱাৰ বিপৰীতে ছেমি ফাইনেল আৰু ফাইনেল খেলখন অহা কাইলৈ অনুষ্ঠিত হ'ব।

## ৫ দফীয়া দাবী সম্বলিত স্মাৰক পত্ৰ প্ৰেৰণ

# কাজলগাঁৱত মুখ্যমন্ত্ৰীলৈ সদৌ অসম প্ৰশিক্ষণপ্ৰাপ্ত গৃহৰক্ষী সন্থাৰ

**অসমবাৰ্তা, বিজনী, ২৮ নৱেম্বৰ ঃ** সদৌ অসম প্ৰশিক্ষণপ্ৰাপ্ত গৃহৰক্ষী সন্থাৰ ৫ দফীয়া দাবী সম্বলিত স্মাৰক চিৰাং জিলা সমিতিয়ে আজি জিলা আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। স্মাৰক পত্ৰখনত উল্লিখিত দাবী সমূহ ক্ৰমে অসম গৃহৰক্ষী বাহিনীৰ চাকৰি নিয়মীয়া কৰণ কৰা, সদ্য ঘোষিত ৫০০০ গৃহৰক্ষীৰ প্ৰশিক্ষণ বাতিল কৰা, সকলো গৃহৰক্ষীক সম সুযোগ, সুবিধা আৰু অধিকাৰ দিয়া, কৰ্তব্যৰত গৃহৰক্ষীৰ মৃত্যুত পৰ্যাপ্ত ক্ষতিপুৰণ দিয়া আৰু গৃহৰক্ষী সকলৰ বয়সৰ উৰ্ধসীমা ৫৫ বছৰৰ সলনি ৬০ বছৰ কৰা। চিৰাং জিলা গৃহৰক্ষী সন্থাৰ সভাপতি হাৰেছ আলী আৰু সম্পাদক অৰুন বসুমতাৰী স্বাক্ষৰিত স্মাৰক প্ৰদান কৰে।

# চাহ বাগিচাৰ শ্ৰমিক পৰিয়ালক ভূমি পট্টা দিয়াৰ সিদ্ধান্ত! হাৰমতী চাহ বাগিচা মজদুৰ সংঘৰ আনন্দ উল্লাহ

**অসম বাৰ্তা, বান্দৰদেৱা, ২৮ নৱেম্বৰ ঃ** অসম চাহ মজদুৰ সংঘৰ দীৰ্ঘদিনীয়া দাবীৰ প্ৰতি সঁহাৰি জনাই অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অনুষ্ঠিত হোৱা কেবিনেট বৈঠকত চাহ বাগিচাৰ লাইনত যুগ যুগ ধৰি বসবাস কৰি থকা শ্ৰমিক পৰিয়ালক ভূমিৰ পট্টা দিয়াৰ ক্ষেত্ৰত এক ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰে। যোৱা ২৫ নৱেম্বৰ তাৰিখে অসম বিধানসভাত আছাম ফি'ছেশন অৱ চিলিং অন লেণ্ড হল্ডিংছ(এমেণ্ডমেণ্ট) বিল ২০২৫ উত্থাপন কৰে। উক্ত বিধেয়ক খনৰ জৰিয়তে অসমৰ ৮২৫খন চাহ বাগিচাৰ প্ৰায় ৩.৩৩ লাখ চাহ শ্ৰমিক পৰিয়াল লাভান্বিত হ'ব। সুদীৰ্ঘ ২০০ বছৰৰ পাছত চাহ বাগিচাৰ শ্ৰমিক সকলে ভূমিৰ অধিকাৰ লাভ কৰিব। সেয়েহে অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনোৱাৰ লগতে অসম চাহ মজদুৰ সংঘৰ অন্তৰ্গত অসমৰ প্ৰতিখন চাহ বাগিচাৰ শ্ৰমিক সকলে একগোট হৈ আজি দিনৰ ভাগত নাচিবাগি আনন্দ উল্লাহ কৰা পৰিলক্ষিত হয়। সমান্তৰাল ভাৱে লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী হাৰমতী চাহ বাগিচাৰ বগৰী ডিভিজন মজদুৰ সংঘত উত্তৰ লখিমপুৰ শাখাৰ নেতৃত্বত ঝুমুৰ নাচি, আনন্দ ফুৰ্তি কৰি মুখ্যমন্ত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰে।

## AFFIDAVIT

Swarn before Notary Public at Sivasagar, dated on 21-11-2025, that my actual and correct name is Minumaya Sharma which is recorded in my Aadhar card bearing Aadhar No. 809212637602 and PAN card bearing PAN No. MTHPS08550A. But in my Bank account of State Bank of India, Nazira Town branch vide account no. 32672783078 my name has been wrongly recorded as Khinu Kumari Sharma instead of Minumaya Sharma. Both Khinu Kumari Sharma and Minumaya Sharma is the same name and i.e. myself. Applying for correction at the appropriate authority.

Minumaya Sharm
C/O - Late Shankar Sharma
R.O.- Charaihajia Sunapur
P.O. & P.S.- Gelakey
Dist - Sivasagar, Assam

AB-164/2025

## নাম শুধৰণি

ইয়াৰ দ্বাৰা মই ৰবিন বৰ্মন, পিতা- নৰেশ বৰ্মন, গাঁও- বামুণীগাঁও পাৰ্ট- ১, ডাক ঘৰ- চালাকাটি, থানা- কোকৰাঝাৰ, জিলা- কোকৰাঝাৰ (বিটিচি) অসম, পিন নং- ৭৮৩৩৬৯ ,মোৰ শুদ্ধ নাম ৰবিন বৰ্মন হয়। মোৰ সকলো নথিত ৰবিন বৰ্মন নামটো উল্লেখ আছে। কিন্তু মোৰ কোকৰাঝাৰ জিলাৰ কোকৰাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বামুণীগাঁও পাৰ্ট- ১ গাঁৱত থকা ভূমিৰ পট্টা নং- ৭৪, দাগ নং- ২৬ ৰ নথিত থেব্ৰা বৰ্মন বুলি ভুলঃবশত লিপিবদ্ধ হৈ থকা নামটো কোকৰাঝাৰ জিলাৰ কোকৰাঝাৰ আদালতৰ IN-AS01069726860098X নং নটাৰী যোগে শুধৰণি কৰি, শুদ্ধ নাম ৰবিন বৰ্মন কৰিছোঁ। ওপৰত উল্লিখিত ৰবিন বৰ্মন(Rabin Barman) আৰু থেব্ৰা বৰ্মন (Thebra Barman) একেজনেই ব্যক্তি হয়।

AB-165/2025

# 'নাটঘৰ মাজুলীৰ' উদ্যোগত ড° মামণি ৰয়ছম গোস্বামীৰ জীৱন আৰু সাহিত্যকৃতী শীৰ্ষক এক মনোজ্ঞ বক্তৃতানুষ্ঠান আৰু আলোচনা চক্ৰ সম্পন্ন




**অসম বাৰ্তা, মাজুলী, উজনি মাজুলী, ২৬ নৱেম্বৰ ঃ** অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত মাজুলী সাংস্কৃতিক কেন্দ্ৰ, আভ্যন্তৰীণ মান নিৰূপণ কোষ, পীতাম্বৰদেৱ গোস্বামী মহাবিদ্যালয় আৰু নাটঘৰ মাজুলীৰ সহযোগত ড° মামণি ৰয়ছম গোস্বামীৰ জীৱন আৰু সাহিত্যকৃতী শীৰ্ষক এখনি বক্তৃতানুষ্ঠান আজি গড়মূৰ কৃষ্ণ নগৰস্থিত পীতাম্বৰদেৱ গোস্বামী মহাবিদ্যালয়ত অনুষ্ঠিত হয়। অনুষ্ঠানত বক্তা ৰূপে উপস্থিত থাকে লেখিকা-উপন্যাসিক জুৰী বৰা বৰগোহাঞিং। সমাজকৰ্মী প্ৰতাপ বৰুৱাই আঁত ধৰা বক্তৃতানুষ্ঠানৰ আদৰণি ভাষণ আৰু উদ্দেশ্য ব্যাখ্যা কৰে নাটঘৰ মাজুলীৰ সঞ্চালক ভাস্কৰজ্যোতি বৰাই। আজিৰ নৱপ্ৰজন্মৰ মাজত ড° মামণি ৰয়ছম গোস্বামীৰ সাহিত্য আৰু তেওঁৰ লেখাৰ আঁৰৰ বিষয়বস্তুৰ বিষয়ে অৱগত কৰাৰ বাবেই এই বক্তৃতানুষ্ঠানৰ আয়োজন কৰা বুলি অৱগত কৰে। শিল্পী বৰষা দত্তৰ এটি বৰগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানত বৰ্ত্তি প্ৰজ্বলন কৰি বক্তৃতানুষ্ঠানৰ উদ্বোধন কৰে মাজুলী জিলাৰ উপ-আৰক্ষী অধীক্ষক ৰাজশ্ৰী ধনদিয়াই। সাহিত্য কিদৰে মানুহৰ জীৱনৰ লগত সংপৃক্ত হৈ থাকে সেই বিষয়ে উল্লেখ কৰি ড° মামনি ৰয়ছম গোস্বামীৰ সাহিত্য কৃতিৰ বিষয়ে উল্লেখ কৰি এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক আহলাদিত কৰে। সমল ব্যক্তি হিচাবে ড° মামণি ৰয়ছম গোস্বামীৰ জীৱন আৰু সাহিত্যকৃতিৰ বিষয়ত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি তত্ত্বগধুৰ বক্তব্য প্ৰদান কৰে লেখিকা-উপন্যাসিক জুৰী বৰা বৰগোহাঞিয়ে। তেওঁ ড° মামণি ৰয়ছম গোস্বামীৰ লেখা সমূহত সমাজৰ নিপীড়িত-নিস্পেষিত সকলৰ বাবে কৰা সংগ্ৰামৰ বিষয়ে বহল ভাৱে বুজাই কৈ সমাজৰ ব্যাধি স্বৰূপ কুসংস্কাৰ আদিৰ প্ৰতি বিশেষকৈ ছাত্ৰী সকলক সজাগ সচেতন হৈ আগুৱাই যাবলৈ আহবান জনায়। লেখিকা গৰাকীয়ে বৰ্তমান সমাজত হীনমন্যতাত ভোগা মহিলা সকলৰ প্ৰতিনিধিত্ব কৰি নিজৰ জীৱন জীজ্ঞাসাৰ প্ৰতিফলন ঘটাই সমাজৰ এলান্ধুকলীয়া পৰম্পৰাৰ বিৰুদ্ধে সাহসেৰে সন্মুখীন হোৱাৰ প্ৰেৰণা যোগাই ছে। প্ৰশ্নোত্তৰ শিতানত ভাস্কৰজ্যোতি বৰা আৰু দিপু বৰাৰ প্ৰশ্নৰ উত্তৰত লেখিকা গৰাকীয়ে নিজৰ জীৱনত ঘটা বা দেখি অহা কিছু সমাজৰ বাবে ক্ষতিকাৰক বুলি ভৱা বিষয়ে তেওঁ অভিজ্ঞতা ব্যক্ত কৰে। অনুষ্ঠানত মাজুলীৰ এগৰাকী বিশিষ্ট শিল্পী, অৱসৰপ্ৰাপ্ত শিক্ষক, মাজুলী জিলা নাট্য সন্মিলনৰ সভাপতি ৰঞ্জিত কুমাৰ ভূঞা, শিল্পী-সমাজকৰ্মী তথা মাজুলী জিলা নাট্য সন্মিলন সম্পাদক সমীৰণ গোস্বামী, সাংবাদিক দীপু বৰা, উৎপল কাকতি, সঞ্জীৎ বৰা প্ৰমুখ্যে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী সকল উপস্থিত থাকে। ইতিমধ্যে ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত সুনাম অৰ্জন কৰিবলৈ সক্ষম হোৱা 'নাটঘৰ মাজুলী' য়ে বিভিন্ন ক্ষেত্ৰৰ গৱেষণামূলক কৰ্মত অগ্ৰসৰ হৈছে। তিনিদিনীয়াকৈ আয়োজন কৰা অনুষ্ঠানটোৰ পৰৱৰ্তী কাৰ্যসূচী ২৭ নৱেম্বৰত ৰঙাচাহী মহাবিদ্যালয়ত আৰু ২৮ নৱেম্বৰত মাজুলী মহাবিদ্যালয়ত অনুষ্ঠিত হ'ব। নৱপ্ৰজন্মক বৌদ্ধিক বিকাশৰ অৰ্থে ৰূপায়ণ কৰা কাৰ্যসূচীত মাজুলীৰ বিজ্ঞ সমাজে সন্তোষ প্ৰকাশ কৰিছে।

# শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ জাগী প্ৰাথমিক শাখাৰ সোণালী জয়ন্তী উৎসৱৰ সামৰণি

**অসম বাৰ্তা, ধৰমতুল, ২৬ নৱেম্বৰ ঃ** উত্তৰ পূব ভাৰতৰ সুবৃহৎ ধৰ্মীয় অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ অন্তৰ্গত জাগী প্ৰাথমিক শাখাৰ সোণালী জয়ন্তী উৎসৱভাগি দেওবাৰে সফল সামৰণি পৰে। দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ঘনকান্ত বৰা সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত অনুষ্ঠানটি প্ৰথম দিনা উষা কীৰ্ত্তন, পৰিৱেশ নিকাকৰণ, প্ৰাতঃপ্ৰসঙ্গ, গছপুলি ৰোপণৰ পিছতেই প্ৰয়াত গোলাপ চন্দ্ৰ শইকীয়াৰ নামত উৎসৰ্গিত নামঘৰৰ স্থায়ী তোৰণ উন্মোচন কৰে মৰিগাঁও জিলা শাখাৰ উপদেষ্টা ডাঃ পুনিৰাম পাতৰে। তাৰ পিছতে নামঘৰৰ স্থায়ী বাটচ'ৰা, সিংহদ্বাৰ, প্ৰয়াত দয়াৰাম শইকীয়া সোঁৱৰণী মুল তোৰণ, প্ৰাক্তন মুলৰ সদস্য কমলাকান্ত শইকীয়া সোঁৱৰণী মুল মণ্ডপ, প্ৰয়াত গোলাপ চন্দ্ৰ শইকীয়াৰ সোঁৱৰণী মঞ্চ, প্ৰয়াত ধৰ্মৰাম বৰা সোঁৱৰণী ভোজনালয়ৰ দ্বাৰ, আদৰণি সমিতিৰ কাৰ্যালয় আদি উন্মোচন কৰে আমন্ত্ৰিত উন্মোচক সকলে। ১১ বজাৰ পৰা অনুষ্ঠিত সোণালী জয়ন্তীৰ বিশেষ সম্বৰ্ধনা সভাখন প্ৰাক্তন জিলা সম্পাদক দিগন্ত মহন্তই উদ্বোধন কৰে। বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকে তেতেলীয়া মাধ্যমিক বিদ্যালয়ৰ অৱসৰী প্ৰধান শিক্ষক দিবাকৰ বৰদলৈ আৰু বিশিষ্ট সমাজকৰ্মী এধান বৰা। কবি ৰাজুমনি শইকীয়াই আঁতধৰা অনুষ্ঠানটিত নিমন্ত্ৰিত অতিথি ৰূপে অংশ গ্ৰহণ কৰি যতীন বৰাই অতীত ৰোমন্থন কৰে। বিয়লি জোৰগাঁও আঞ্চলিক নামদলৰ দ্বাৰা দিহানাম প্ৰদৰ্শন হয়। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মনহা শঙ্কৰী সঙ্গীত বিদ্যালয়ৰ তত্ত্বাৱধানত পৰিৱেশন কৰে গুৰুজনাৰ সৃষ্ট অঙ্কীয়া নাট পাৰিজাত হৰণ। নাটখনি উদ্বোধন কৰে দিহানাম সংৰক্ষণ মঞ্চ, অসমৰ সভাপতি তথা সংস্কৃতিৰ সাধক ডাঃ প্ৰশান্ত কুমাৰ খাউণ্ড। ইপিনে কালি দ্বিতীয় দিনা পুৱা পতাকা উত্তোলনৰ পাছতে সহস্ৰাধিক ভকত বৈষ্ণৱ, আই মাতৃৰ উপস্থিতিত ভাগৱত আৰু সংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাত বিভিন্ন জাতি জনগোষ্ঠীয় নৃত্য গীতৰ স্বকীয় সংস্কৃতিৰে এক বৰ্ণময় সমাহাৰ ঘটাৰ উপৰি হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰে সমগ্ৰ অঞ্চল। অনুষ্ঠানটি উদ্বোধন কৰে তিৱা স্বায়ত্ব শাসিত পলিষদৰ কাৰ্যবাহী সদস্য খগেন চন্দ্ৰ বৰদলৈয়ে। ১১: ০০ বজাত জাগী প্ৰাথমিক শাখাৰ সভাপতি প্ৰসন্ন বৰাৰ পৌৰোহিত্যত অনুষ্ঠিত হয় গ্ৰন্থ উন্মোচনী আৰু মুকলি সভা। আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি অতনু প্ৰসাদ বৰাই আদৰণি ভাষণ আগবঢ়োৱা সভাখনি উদ্বোধন কৰে আদৰণি সমিতিৰ সম্পাদক প্ৰণৱ বৰাই। উল্লেখ্য যে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সাহিত্য গৱেষণা পৰিষদৰ সভাপতি ডং জগত কলিতাই নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়োৱা অনুষ্ঠানটিত মুখ্য অতিথি হিচাপে উপস্থিত থাকি শ্ৰীমন্ত শঙ্কৰ দেৱ সঙ্ঘৰ পদাধিকাৰ ভবেন্দ্ৰনাথ ডেকাই এখন পৰিশিলীত সৰ্বাঙ্গীণ সমাজ গঠনত গুৰুজনাই দেখুৱাই থৈ যোৱা নীতি আৰু আদৰ্শৰে সকলোকে আগুৱাই যাবলৈ আহ্বান জনায়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত সন্মানীয় অতিথি হিচাপে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়া, থ্ৰিফট এণ্ড ক্ৰেডিট কো-অপাৰেটিভ চ'চাইটিৰ অধ্যক্ষ হৰেন্দ্ৰ বৰা, মায়ং ৰাজহ চক্ৰৰ চক্ৰ বিষয়া প্ৰিয়ংকা গগৈ, মৰিগাঁও জিলা শাখাৰ সভাপতি অতুল চন্দ্ৰ দাস, মূলৰ সদস্য সকল প্ৰমুখ্যে বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উক্ত অনুষ্ঠানতে বহুভাষিক কবি ৰাজুমনি শইকীয়াৰ সম্পাদনাত প্ৰকাশিত 'তুৱা পদ-ছায়া' শীৰ্ষ স্মৃতি গ্ৰন্থখনি উন্মোচন কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকাই। শ্ৰীমন্ত শঙ্কৰ সঙ্ঘৰ থিফ্ট এণ্ড ক্ৰেডিট ছচাইটিৰ অধ্যক্ষ হৰেন্দ্ৰ বৰা সঙ্ঘৰ শৰণ সদস্যদ্বয় ধ্ৰুৱেশ্বৰ ডেকা, নৃপেন বৰদলৈ, সঙ্ঘৰ মুলৰ সদস্য-সদস্যা ক্ৰমে বিনুকুমাৰী ডেকা, অশোক বৰুৱা, তপন শৰাই, বিশিষ্ট শিক্ষাবিদ মহীধৰ শইকীয়া, জিলা শাখাৰ সম্পাদক সন্ত নাৰায়ণ ডেকা, প্ৰাক্তন সম্পাদক



সুশীল বাংঠাই লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি অনুষ্ঠানত বিশিষ্ট অতিথিৰ আসন অলংকিত কৰে। আনহাতে সভাত আমন্ত্ৰিত অতিথি ৰূপে মৰিগাঁও জিলা পৰিষদৰ সদস্য মণ্টু বৰদলৈ, সমাজকৰ্মী মল্লিকা বৰদলৈ কপিলী আঞ্চলিক শাখাৰ সম্পাদক যতীন ডেকা উপস্থিত থাকে। সন্ধিয়া সামূহিক প্ৰাৰ্থনা আৰু পতাকা অৱতৰণ আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ আত্মাৰ সদ্‌গতিৰ্থে 'পাখি মেলি উৰি গ'ল চোতালৰে জোনাক' শীৰ্ষ এক ব্যতিক্ৰমী সাংগীতিক অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানটি উদ্বোধন কৰে সঙ্ঘৰ জিলা শাখাৰ সম্পাদক সন্তনাৰায়ণ ডেকাই। উক্ত অনুষ্ঠানতে হিয়াৰ আমঠু জুবিন গাৰ্গৰ বিশেষ সহযোগী বাদ্যযন্ত্ৰী ৰাজা বৰুৱা আৰু কণ্ঠশিল্পী বিদ্যাসাগৰক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত জনপ্ৰিয় শিল্পী বিদ্যাসাগৰ আৰু ছায়াৰাণী মেলাঙে স্বকীয় গায়ন শৈলীৰে উপস্থিত প্ৰায় পাঁচ শতাধিক শ্ৰুতা দৰ্শকক মোহাচ্ছন্ন কৰি ৰাখে। উল্লেখ্য যে অনুষ্ঠানৰ পূৰ্বে গুৰুজনাৰ সৃষ্ট 'কেলি গোপাল' অঙ্কীয়া নাট মঞ্চস্থ কৰে মৰিগাঁও সংস্কৃতি শাখাৰ শিল্পীসকলে। আনহাতে দুদিনীয়া সমূহ কাৰ্যসূচীত স্থানীয় ৰাইজৰ লগতে বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ অভূতপূৰ্ব সঁহাৰি তথা উপস্থিতিৰ বাবে উদ্যোক্তাসকলে ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰে।

## চাইবাৰ অপৰাধ নিৰ্মূলকৰণ, যৌন নিৰ্যাতন, শিশুৰ সুৰক্ষা আইনৰ আলোকপাত

# খাগৰিজান মহাবিদ্যালয়ত 'সংবিধান দিৱস' উদ্‌যাপন

**অসম বাৰ্তা, বেবেজীয়া, ২৬নৱেম্বৰ ঃ** নগাঁৱৰ উচ্চ শিক্ষাৰ অনুষ্ঠান খাগৰিজান মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত, মহাবিদ্যালয়ৰ এন.এচ. এচ আৰু এন চি চি গোটৰ সহযোগত, নগাঁও আইন মহাবিদ্যালয়ৰ সৌজন্যত আৰু নগাঁও জিলা আইন সেৱা প্ৰাধিকৰনৰ তৎপৰতাত আজি বুধবাৰে সংবিধান দিৱস উদ্‌যাপন কৰা হয়। সম্বৰ্ধনা অনুষ্ঠানেৰে মুকলি কৰা অনুষ্ঠানটিত উদ্বোধনী ভাষণ আগবঢ়াই খাগৰিজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ নাথে সংবিধান দিৱসৰ তাৎপৰ্য আৰু গুৰুত্বৰ দিশটোত বিশেষভাৱে আলোকপাত কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ন্যায়াধীশ তথা নগাঁও জিলা আইন সেৱা প্ৰাধিকৰনৰ সচিব মুনমী নেওগ। তেখেতৰ ভাষণত চাইবাৰ আইনৰ প্ৰসংগত বিশেষকৈ চাইবাৰ অপৰাধ নিৰ্মূলকৰণৰ পদক্ষেপ গ্ৰহণত ল'ব লগা সাৱধানতা, যৌন নিৰ্যাতন, শিশু সুৰক্ষা আইন, ডিজিটেল সুৰক্ষা আদি বিভিন্ন আইনসমূহৰ প্ৰয়োগ আৰু সজাগতাৰ ওপৰত বিস্তৃত ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে নগাঁও আইন মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ত্ৰৈলোক্য হাজৰিকা। তেখেতে ভাষণ প্ৰসংগত নাৰী আৰু শিশুৰ নিৰাপত্তাজনিত আইনৰ দিশৰ ওপৰত বিশেষভাৱে বিশ্লেষণ কৰে। উক্ত অনুষ্ঠানত খাগৰিজান মহাবিদ্যালয়ৰ যৌন নিৰ্যাতন বিৰোধী কোষেও সক্ৰিয় সহযোগিতা আগবঢ়ায়। খাগৰিজান মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ঝৰ্ণা মৰাঙে আঁত ধৰা অনুষ্ঠানটিত মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকাৰ লগতে সৰ্বমুঠ ১০০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

# জিলা আইনী সেৱা কৰ্তৃপক্ষৰ উদ্যোগত মহাত্মা গান্ধী মহাবিদ্যালয়ত "সংবিধান দিৱস" পালন




**অসম বাৰ্তা, অভয়াপুৰী, ২৬ নৱেম্বৰ ঃ** জিলা আইনী সেৱা কৰ্তৃপক্ষ, বঙাইগাঁৱৰ উদ্যোগত আৰু মহাত্মা গান্ধী কলেজ চলন্তপাৰাৰ সহযোগত আজি চলন্তপাৰাৰ মহাত্মা গান্ধী মহাবিদ্যালয় প্ৰশালাত "সংবিধান দিৱস" পালন কৰা হয়। এই সভাৰ সভাপতিত্ব কৰে মহাবিদ্যালয় খনৰ অধ্যক্ষ শ্বেইখ ফকৰুদ্দিন আলি আহমেদ। সমল ব্যক্তি জ্যেষ্ঠ অধিবক্তা ৰফিজ উদ্দীন, জ্যোতিষ চন্দ্ৰ শৰ্মা, সমাজ সেৱীকা তথা জিলা আইনী সেৱা কৰ্তৃপক্ষ, বঙাইগাঁৱৰ আইনী ব্যৱস্থা আৰু জনগনৰ মাজৰ সমন্বয়ক (পি এল ভি) জয়শ্ৰী চৌধুৰী, পূৰবী দাস আৰু জিলা আইনী সেৱা কৰ্তৃপক্ষ কাৰ্যালয়ৰ সহায়ক সৌৰভ জ্যোতি ৰায় লগতে মহাবিদ্যালয় খনৰ অধ্যাপক অধ্যাপিকা সকল এই সভাত উপস্থিত থাকে। সংবিধানৰ বিভিন্ন দিশ সামৰি সমল ব্যক্তি সকলে ভাষণ আগবঢ়ায়। লগতে জিলা আইনী সেৱা কৰ্তৃপক্ষ আৰু বিনামূলীয়া আইনী সেৱাৰ ওপৰত মন্তব্য আগবঢ়ায় জয়শ্ৰী চৌধুৰীয়ে। সংবিধানৰ শপত বাক্য পাঠ কৰাই জুবিন গাৰ্গৰ 'মায়াবিনী' আৰু ৰাষ্ট্ৰীয় সংগীত পৰিবেশনৰে অনুষ্ঠান সামৰা হয়।

# সদৌ অসম লেখিকা সমাৰোহ সমিতি ডুমডুমা শাখাৰ মাহেকীয়া বৈঠক সম্পন্ন



**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৬ নৱেম্বৰ ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতি ডুমডুমা শাখাৰ মাহেকীয়া বৈঠকখনি সোমবাৰে সুন্দৰকৈ নিজা ভৱনত অনুষ্ঠিত হয়। শাখাৰ সম্পাদিকা ৰঞ্জিতা গগৈ বৰুৱাই আঁত ধৰা বৈঠকত আমন্ত্ৰিত অতিথি হিচাপে ডুমডুমা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক ড° শিৱজিৎ দত্তই কবিতাৰ ওপৰত এটি সুন্দৰ বক্তব্য আগবঢ়াই সকলোকে আপ্লুত কৰে। তেখেতে জোনাকী যুগৰ পৰা আৰম্ভ কৰি শংকৰদেৱ, মাধৱদেৱৰ লগতে হিৰেণ ভট্টাচাৰ্য্য, কীটচ আদি সকলোৰে কবিতাৰ কিছু কিছু সাৱলীল বৰ্ণনা দি বিভিন্ন কথাৰে সদস্যা সকলক উপকৃত কৰি তোলে। শাখাই দত্তক এটি স্মাৰকৰ লগতে এখনি ফুলাম গামোচা আৰু এটি কিতাপৰ টোপোলা আগবঢ়ায়। দিব্যলতা ডেকাই সভাপতিত্ব কৰা সভাখনিত দত্তই তেখেতৰ পুৰস্কাৰপ্ৰাপ্ত এটি স্বৰচিত কবিতাৰে তেখেতৰ বক্তব্য সামৰে। সভাত সদস্যা কাকলি দেৱী বৰুৱাই এটি গীত আৰু সদস্যা ৰেখা গগৈয়ে এটি কবিতা পাঠ কৰে। শাখাৰ অধিকসংখ্যক সদস্যাৰ উপস্থিতিৰে অসম সংগীতেৰে সুন্দৰ অনুষ্ঠানটিৰ সামৰণি পৰে।

# সাংবাদিক মুকুটেশ্বৰ গোস্বামীৰ গৃহলৈ শিলগুটি নিক্ষেপ, হত্যাৰ ভাবুকি, উত্তৰ গুৱাহাটীত তীব্ৰ চাঞ্চল্য

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৬ নৱেম্বৰ ঃ** উত্তৰ গুৱাহাটীত পুনৰ এক গুৰুতৰ ঘটনা সংঘটিত হোৱাৰ ফলত সমগ্ৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। স্থানীয় সাংবাদিক মুকুটেশ্বৰ গোস্বামীৰ বাসগৃহলৈ লক্ষ্য কৰি এক অসামাজিক গোটে শিলগুটি নিক্ষেপ, গালি গালাজ আৰু হত্যাৰ ভাবুকি দিয়া ঘটনাই স্থানীয় ৰাইজৰ মাজত গভীৰ উদ্বেগৰ সৃষ্টি কৰিছে। ২৫ নৱেম্বৰ, মঙ্গলবাৰে নিশা প্ৰায় ৮ঃ৫৫ বজাত মধ্যমখণ্ড ফেৰীঘাট সংলগ্ন অঞ্চলত ঘটনাটি সংঘটিত হয়। অভিযোগ অনুসৰি, ধৰ্মেন্দ্ৰ মাহাতু নামৰ যুৱক এজনে মাদকদ্ৰব্যৰ নিচাত থকা অৱস্থাত সাংবাদিক গোস্বামীৰ গৃহমুখত অসন্মানজনক আচৰণ কৰি থাকে। সাংবাদিকজনে বাধা দিয়াত যুৱকজনে বেলকনিলৈ লক্ষ্য কৰি শিল নিক্ষেপ কৰে। কেইবাটাও শিল তেওঁৰ মূৰৰ কাষেৰে পাৰ হৈ গৃহৰ বেৰত তীব্ৰ বেগেৰে আঘাত কৰে। এই বিশৃঙ্খল মুহূৰ্তত ওলাই অহা তেওঁৰ পুত্ৰ কাব্যম গোস্বামীৰ ভৰিতো শিল লাগে, যদিও দুয়ো বৃহৎ বিপদৰ পৰা কথমপিহে ৰক্ষা পৰে। ঘটনাস্থলীত ধৰ্মেন্দ্ৰ মাহাতুৰ সৈতে থকা আন দুজন যুৱকেও শিল হাতে-হাতে লৈ ভয় দেখুৱাইছিল বুলি অভিযোগ উঠিছে। পিছত ধৰ্মেন্দ্ৰ মাহাতুৱে সাংবাদিকজনক হত্যাৰ ভাবুকি দিয়ে আৰু তেওঁৰ মাতৃৰ বিষয়ে অশ্লীল গালি গালাজ কৰে বুলি অভিযোগত উল্লেখ আছে। এই ঘটনাৰ পৰা মধ্যমখণ্ড পাৰঘাট অঞ্চলৰ আইন শৃংখলা পৰিস্থিতি আৰু সুৰক্ষা ব্যৱস্থাৰ প্ৰতি পুনৰ প্ৰশ্ন উত্থাপন হৈছে। উল্লেখযোগ্য যে সাহিত্য সভা ভৱণৰ সন্মুখৰ পৰা বালি চাপৰি পৰ্যন্ত অঞ্চলটো মদ, ড্ৰাগছ আসক্ত যুৱক-যুৱতী আৰু অসামাজিক গোটৰ উপদ্ৰৱৰ বাবে স্থানীয় ৰাইজে বহুদিনধৰি প্ৰশাসনক অৱগত কৰি আহিছে। সাংবাদিক মুকুটেশ্বৰ গোস্বামীয়ে ইতিমধ্যে উত্তৰ গুৱাহাটী আৰক্ষী থানাত এজাহাৰ ৰেজিষ্টাৰ কৰিছে আৰু দোষী সকলক অবিলম্বে গ্ৰেপ্তাৰ কৰি কঠোৰতম আইনী ব্যৱস্থা লোৱাৰ দাবী জনাইছে। স্থানীয় ৰাইজে "মধ্যমখণ্ড পাৰঘাটৰ আইন শৃংখলা শীঘ্ৰে দৃঢ় নকৰিলে ইয়াৰ পৰিস্থিতি ভৱিষ্যতে ইয়াতকৈ অধিক বিপজ্জনক হ'ব বুলি উল্লেখ কৰিছে।"

## পৰিচালনাৰ দায়িত্ব বাগিছা কৰ্তৃপক্ষলৈ হস্তান্তৰ

# তিনিচুকীয়া জিলাৰ ৫ চাহ বাগিছালৈ ১১ পানীযোগান প্ৰকল্প



**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৬ নৱেম্বৰ ঃ** চৰকাৰৰ জল জীৱন অভিযানৰ অধীনত তিনিচুকীয়া জিলাৰ দুখন চাহ বাগিছাৰ স্থাপন কৰা চাৰিটা পানী যোগান প্ৰকল্প যোৱা ২৭ অক্টোবৰত আনুষ্ঠানিক ভাৱে বাগিছা কৰ্তৃপক্ষৰ হাতত অৰ্পন কৰাৰ পিছত আজি আৰু ১১খন নতুন আঁচনি ৫খন চাহ বাগিছাৰ কৰ্তৃপক্ষৰ হাতত অৰ্পন কৰা হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত এই উপলক্ষে আয়োজিত এটি অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত জাভেদ আৰমানে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা আৰু সংশ্লিষ্ট গাঁওবুঢ়াসকলৰ উপস্থিতিত এই প্ৰকল্প কেইটা আনুষ্ঠানিকভাৱে বাগিছা কৰ্তৃপক্ষৰ হাতত অৰ্পন কৰে। উল্লেখযোগ্য যে, তিনিচুকীয়া জিলাৰ চাহ-বাগিছাত জলজীৱন মিছনৰ অধীনত চাৰি শতাধিক নলযোগে খোৱাপানী যোগান প্ৰকল্প চলি আছে যদিও বাগিছা কৰ্তৃপক্ষই ইয়াৰ পৰিচালনাৰ দায়িত্ব গ্ৰহণ কৰাৰ বিষয়টো জিলাখনত পৰীক্ষামূলক ভাৱে যোৱা মাহৰ পৰাহে ৰূপায়ণ কৰা হৈছে। এই আঁচনিৰ জৰিয়তে চৰকাৰে নলযোগে ঘৰে ঘৰে খোৱাপানী যোগানৰ বাবে প্ৰকল্প স্থাপন কৰাৰ লগতে এনে প্ৰকল্পসমূহ পৰিচালনাৰ বাবে জলজীৱন মিত্ৰৰ দৰমহা আৰু মাহিলী বিদ্যুতৰ দেনাৰ বাবদ সৰ্বাধিক পাচঁহাজাৰ টকা প্ৰদান কৰিব। বাকী পৰিচালনাৰ অন্যান্য দায়িত্ব বাগিছা কৰ্তৃপক্ষই ইয়াৰ উপভোক্তাসমিতিৰ সৈতে আলোচনা মৰ্মে বহন কৰিব। আজি প্ৰকল্পসমূহ অৰ্পন কৰা চাহ বাগিছা কেইখন হৈছে বগাপানী চাহ বাগিছাত পাঁচটা, হোলোংহাবি চাহ বাগিছাত দুটা, শ্ৰীকৃষ্ণ চাহ বাগিছাত এখন, দিনজান চাহ বাগিছাত দুটা, লাংকাশী চাহ বাগিচাত এটাকৈ ঘৰে ঘৰে নলযোগে খোৱাপানী যোগান প্ৰকল্প প্ৰদান কৰা হয়। এই উপলক্ষে আয়োজিত সভাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ তিনিচুকীয়া সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা যুগান্ত গোহাঁই, বিভাগৰ তিনিচুকীয়া আৰু ডিগবৈ উপসংমণ্ডলৰ বিষয়া, সংশ্লিষ্ট গাঁৱৰ গাঁওবুঢ়া আৰু উক্ত চাহ বাগিছাৰ পৰিচালকসকল উপস্থিত থাকে। উল্লেখযোগ্য যে, যোৱা ২৭ অক্টোবৰত জিলাখনত প্ৰথমবাৰলৈ ৪টা নতুন পানী যোগান প্ৰকল্প সম্পূৰ্ণ কৰি জিলা প্ৰশাসনে দুখন বাগিছাক অৰ্পন কৰিছিল।

# মেৰাপানী টাউন হাইস্কুলত ভাৰতীয় সংবিধান দিৱস উদ্‌যাপন

**অসম বাৰ্তা, মেৰাপানী, ২৬ নৱেম্বৰ ঃ** অসম-নাগালেণ্ড সীমান্তৰ গোলাঘাট মেৰাপানীত টাউন উচ্চ মাধ্যমিক বিদ্যালয়ত আজি ভাৰতীয় সংবিধান দিৱস উদ্‌যাপন কৰা হয়। ভাৰতীয় সংবিধান দিৱসৰ লগত সংগতি ৰাখি এখন সভা অনুষ্ঠিত হয়। প্ৰধান শিক্ষক নগেন বৰাইআঁত ধৰা সভাখনত সভাপতিত্ব কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মণিৰাম দাসে। সভাত ভাৰতীয় সংবিধান দিৱসৰ বিষয়ে বিস্তৃত আলোচনা কৰা হয়। আজি প্ৰধান শিক্ষক নগেন বৰাই সংবিধান দিৱসৰ উপলক্ষে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত মিঠাই বিতৰণ কৰে। সভাত বিশিষ্ট সমাজকৰ্মী নিৰ্মল বৰা, গম্ভীৰ শইকীয়া, ছাত্ৰ নেতা নিৰঞ্জন সোণোৱাল, নিকুঞ্জ মেধি, সাংবাদিক ভদ্ৰেশ্বৰ বৰা, হিৰণ্য গগৈ, জোন গগৈ, মহেন্দ্ৰ শইকীয়া, হেমজ্যোতি কোঁৱৰ, উদ্ধৱ দাস, শিক্ষক চন্দ্ৰ দ্বীপ গগৈ, অজিত শইকীয়া, সোমনাথ দাস, বাবুল শইকীয়া, লিলাধৰ কোঁৱৰ, প্ৰাক্তন শিক্ষক সোমনাথ দাস, আদি কৰি দৈয়াংৰ বহু গণ্য মান্য ব্যক্তি উপস্থিত থাকে।

# বিষাক্ত পাৰ্থেনিয়ামে ছানি ধৰিছে ব্ৰহ্মপুত্ৰৰ কাষৰীয়া শ শ বিঘা কৃষিভূমি

**অসম বাৰ্তা, দেৰগাঁও, ২৬ নৱেম্বৰ ঃ** দেৰগাঁৱৰ সমীপৱৰ্তীব্ৰহ্মপুত্ৰৰ কাষৰীয়া বিভিন্ন চৰ-চাপৰি অঞ্চলৰ কৃষি ভূমিত ব্যাপক ৰূপত বৃদ্ধি পাইছে বিষাক্ত পাৰ্থেনিয়াম। বিশেষভাৱে পশুধন পালন আৰু কৃষি শস্য উৎপাদনকাৰী অঞ্চল হিচাপেখ্যাত আঁহতগুৰিৰ শিকলি চাপৰিৰ শ শ বিঘা কৃষিভূমি এতিয়া ছানি ধৰিছে পাৰ্থেনিয়াম নামৰ এই বিষাক্ত তৃণজাতীয় উদ্ভিদবিধে। অতি বিশুদ্ধ বায়ু সেৱন কৰিবলৈ পোৱা ঠাই, শীতৰ লগে লগে বনভোজ দলৰ আগমন ঘটা এই শিকলি চাপৰি হৈছে গৰু, মই পালনৰ বাবে উৎকৃষ্ট ঠাইৰ লগতে মাহ, সৰিয়হ, আলু, বেঙেনা, বিবিধ শাক-পাচলি আদি কৃষি সামগ্ৰীসমূহৰ উৎপাদন স্থলী। শিকলি চাপৰিৰ বিভিন্ন চৰ-চাপৰিৰ বিস্তীৰ্ণ এলেকা বিজয়পুৰ, ঘিটিং, বাঘমৰা, ভেকেলী, বিলতীয়া, উদয়পুৰ, হুতাৰ, চেঁচুগুৰি, দলখোৱা, কংস চাপৰি, মাজৰ চাপৰি আদিত দেখা পোৱা গৈছে এই বিষাক্ত উদ্ভিদ। কিন্তু তেওঁলোকে এই উদ্ভিদসমূহৰ অপকাৰিতাৰ বিষয়ে অৱগত নহয়। অলপতে এক কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ যোৱা এই প্ৰতিবেদকৰ লগতে সতীৰ্থ আন এগৰাকী সাংবাদিকে শ শ বিঘা ভূমি জুৰি ফুলি থকা এই বিষাক্ত পাৰ্থেনিয়াম দেখি স্তমভিত পৰে। দুইজন লোকক এই বিষয়ে সোধাত তেওঁলোকে এই উদ্ভিদসমূহৰ অপকাৰিতা বা উপকাৰিতাৰ বিষয়ে অজ্ঞতা প্ৰকাশ কৰে। তেওঁলোকে কয় যে ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীৰ পাছত এই গছবিলাক গজি উঠিছে। সৰু সৰু বগা ফুলেৰে বেষ্টিত গছসমূহ অতি আকৰ্ষণীয় হোৱাৰ বাবে বহুতে কাটিবলৈও মন নকৰে। মানৱ শৰীৰৰ ছাল আৰু হৃদযন্ত্ৰৰ বাবে অতিকৈ ক্ষতিকাৰক হোৱাৰ লগতে পশুধনৰ বাবেও বিপজ্জনক পাৰ্থেনিয়াম। এই ক্ষেত্ৰত এই বিষাক্ত উদ্ভিদবিধৰ বিষয়ে স্থানীয় ৰাইজৰ মাজত সজাগতা সৃষ্টি নকৰিলে অঞ্চলটোৰ লোকসকল বিভিন্ন ৰোগত আক্ৰান্ত হোৱাৰ আশংকাই দেখা দিছে। ইতিমধ্যে অঞ্চলটোৰ বহু লোকৰ বিভিন্ন ছালৰ ৰোগে দেখা দিয়াৰ কথা জানিব 'পৰা গৈছে। সেয়েহে বিভাগীয় কৰ্তৃপক্ষই এই বিষাক্ত উদ্ভিদবিধ নষ্ট কৰি স্থানীয় লোকসকলক উপকৃত কৰিবৰ বাবে সচেতন মহলে আহ্বান জনাইছে।

## নতুন শ্ৰম আইনৰ অধিসূচনাই প্ৰতাৰণা কৰিব শ্ৰমিকক

# গভীৰ নিৰনুৱা সংকট আৰু বৰ্দ্ধিত মুদ্ৰাস্ফীতিৰ সময়ত সৰ্বসাধাৰণৰ বাবে এই সংহিতাসমূহৰ অধিসূচনা যুদ্ধ ঘোষণাতকৈ কম নহয় ঃ ৰঞ্জন চৌধুৰী

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২৬ নৱেম্বৰ ঃ** কেন্দ্ৰীয় চৰকাৰে যোৱা ২১ নৱেম্বৰৰ পৰা প্ৰৱৰ্তন কৰা নতুন সংহিতা তথা "শ্ৰম ক'ড" ৰ ৰূপায়ণৰ বিৰুদ্ধে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে অল ইণ্ডিয়া ট্ৰেড ইউনিয়নৰ অসম প্ৰদেশ কমিটিৰ সম্পাদক, শ্ৰমিক নেতা ৰঞ্জন চৌধুৰীয়ে। বিনাদ্বিধাই তেওঁ এই কাৰ্যক দেশৰ শ্ৰমিকসকলৰ বিৰুদ্ধে কৰা কেন্দ্ৰীয় চৰকাৰৰ প্ৰতাৰণামূলক প্ৰৱঞ্চনা বুলি কয়। চলিত বৰ্ষৰ ২১ নৱেম্বৰত প্ৰকাশ কৰা চাৰিটা তথাকথিত শ্ৰম আইনৰ এই স্বেচ্ছাচাৰী আৰু অগণতান্ত্ৰিক অধিসূচনাটোৱে দেশৰ সকলো গণতান্ত্ৰিক নীতি-নিয়মকৰ লগতে এখন কল্যাণকামী ৰাষ্ট্ৰৰ চৰিত্ৰক ধ্বংসাৱশেষলৈ পৰিণত কৰি পেলোৱা বুলি মত ব্যক্ত কৰে। তেওঁ লগতে কয় যে দহটা কেন্দ্ৰীয় ট্ৰেড ইউনিয়ন আৰু স্বতন্ত্ৰ ঔদ্যোগিক ফেডাৰেচনৰ যুটীয়া মঞ্চই কেন্দ্ৰীয় শ্ৰমিক আইন বাতিল কৰাৰ দিনৰ পৰাই এই কঠোৰ শ্ৰম সংহিতাসমূহ ৰূপায়ণৰ ক্ষেত্ৰত প্ৰতিহত কৰি আহিছে। ২০১৯ চনত মজুৰিৰ ওপৰত সংহিতা প্ৰণয়ন কৰাৰ লগে লগে ২০২০ চনৰ জানুৱাৰী মাহত এক সাধাৰণ ধৰ্মঘটৰ জৰিয়তে তাৎক্ষণিক প্ৰতিবাদ জনোৱা হয়। তিনিটা শ্ৰম আইন যেনে - ঔদ্যোগিক সম্পৰ্ক আইন, সামাজিক সুৰক্ষা আইন, বৃত্তিমূলক নিৰাপত্তা, স্বাস্থ্য আৰু কৰ্ম অৱস্থা আইন ২০২০ চনত ৰূপায়ণ কৰাৰ পাছত শ্ৰমিক সংগঠনৰ যৌথ মঞ্চই ২৬ নৱেম্বৰ তাৰিখে সংযুক্ত কিষাণ মৰ্চাই "দিল্লী চলো" সহ ঐতিহাসিক সাধাৰণ ধৰ্মঘট ৰূপায়ণ কৰিছিল। তদুপৰি কেইবাটাও যৌথ কাৰ্যসূচীৰ জৰিয়তে ২০২৫ চনৰ ৯ জুলাইত ২৫ কোটিতকৈও অধিক শ্ৰমিকৰ অংশগ্ৰহণসহ সাধাৰণ ধৰ্মঘট কৰা হৈছিল। কেন্দ্ৰীয় চৰকাৰৰ শাসকীয় দলে বিহাৰৰ নিৰ্বাচনত জয়লাভ কৰি মতলীয়া হৈ শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে সংবাদ মাধ্যম আৰু টুইটযোগে ২৬ নৱেম্বৰৰ পৰা চাৰিটা বিতৰ্কিত শ্ৰম সংহিতা কাৰ্যকৰী কৰিবলৈ শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছে। শ্ৰমিক নেতা ৰঞ্জন চৌধুৰীয়ে ভাৰতীয় শ্ৰম সন্মিলন(আই এল চি)ক তৎক্ষণাত সভা অনুষ্ঠিত কৰিবলৈ আহ্বান জনোৱাৰ লগতে ১৩ নৱেম্বৰত মন্ত্ৰালয়ে আহ্বান কৰা "ড্ৰাফট শ্ৰম শক্তি নীতি, ২০২৫" বৈঠকতো উপস্থিত থাকি শ্ৰম সংহিতাসমূহ বাতিল কৰাৰ আহ্বান জনায়। আনকি কেন্দ্ৰীয় বিত্ত বিভাগৰ দ্বাৰা ২০ নৱেম্বৰ তাৰিখে অনুষ্ঠিত "প্ৰি-বাজেট কনচাল্টেচন মিটিং"টো শ্ৰমিক সংগঠনৰ যৌথ মঞ্চৰ দ্বাৰা শ্ৰম আইন বাতিলৰ দাবী জনোৱা হৈছিল। কিন্তু কেন্দ্ৰীয় ট্ৰেড ইউনিয়নসমূহৰ কোনো আবেদন, প্ৰতিবাদ আৰু ধৰ্মঘটৰ প্ৰতি গুৰুত্ব নিদি কেন্দ্ৰীয় চৰকাৰে "প্ৰি-বাজেট কনছালটিভ মিটিঙ" ত কৰা নিয়োগকৰ্তাৰ প্ৰতিনিধি, বি এম এছ আৰু চৰকাৰৰ সমৰ্থকসকলৰ স্বাৰ্থত শ্ৰম সংহিতাসমূহ কাৰ্যকৰী কৰিছে। এই আইনৰ ফলত শ্ৰমিকসকল মাৰাত্মক আক্ৰমণৰ সন্মুখীন হ'ব, যাৰ ফলত ইতিহাসৰ আটাইতকৈ তীব্ৰ আৰু ঐক্যবদ্ধ প্ৰতিৰোধৰ সন্মুখীন হ'ব চৰকাৰ। সংহিতাসমূহ কাৰ্যকৰী কৰিলেই অনাগত সমগ্ৰ প্ৰজন্মৰ আশা, বিশ্বাস আৰু আকাংক্ষাসমূহ নিৰ্বাপিত হ'ব। চৌধুৰীয়ে যৌথ মঞ্চৰ জৰিয়তে সকলো সদস্যক ক'লা বেজ পৰিধান কৰি কৰ্মস্থলীত অৱজ্ঞা প্ৰদৰ্শন কৰিবলৈ আহ্বান জনাইছে। গভীৰ নিৰনুৱা সংকট আৰু বৃদ্ধি পোৱা মুদ্ৰাস্ফীতিৰ সময়ত সৰ্বসাধাৰণৰ বাবে এই সংহিতাসমূহৰ অধিসূচনা যুদ্ধ ঘোষণাতকৈ কোনোপধ্যে কম নহয় বুলিও চৌধুৰীয়ে কয়। কেন্দ্ৰীয় ট্ৰেড ইউনিয়নৰ মঞ্চই এই ক্ষেত্ৰত চৰকাৰক সকীয়াই দিয়ে যে ভাৰতৰ শ্ৰমিক সংগঠনসমূহে শ্ৰম সংহিতা প্ৰত্যাহাৰ নোহোৱালৈকে জংগী আন্দোলন অব্যাহত ৰাখিব।

## সম্পাদকীয়

# ‘প্ৰেৰণা’ আঁচনি

শিক্ষাই জাতিৰ মেৰুদণ্ড। এই মেৰুদণ্ডক সৱল আৰু সবল ৰাখিবলৈ প্ৰয়োজন সমূহীয়া চেষ্টা ৰাজ্যিক দায়বদ্ধতা। এই দায়বদ্ধতাৰেই এক উজ্জ্বল প্ৰতিফলন হিচাপে শুকুৰবাৰে অসমৰ শিক্ষা জগতলৈ আহিল ‘প্ৰেৰণা’ নামৰ ঐশ্বৰ্য্যময়ী আঁচনিখন। মহানগৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে সূত্ৰপাত কৰা এই আঁচনিয়ে কেৱল এখন চৰকাৰী ঘোষণাৰ দস্তাবেজ নহয়, ই হৈ পৰিছে ৰাজ্যৰ লক্ষ্য শিক্ষাৰ্থী আৰু তেওঁলোকৰ পৰিয়ালৰ বাবে এক প্ৰকৃত প্ৰেৰণাৰ উৎস। ‘প্ৰেৰণা’ আঁচনিৰ সবাতোকৈ গুৰুত্বপূৰ্ণ দিশটো হ’ল ইয়াৰ সামগ্ৰিকতা। আৰ্থিক অৱস্থা নিৰ্বিশেষে অসমত স্থায়ীভাৱে বসবাস কৰা প্ৰতিগৰাকী দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে ইয়াৰ অধিকাৰী। এই ব্যাপকতাই এক সুস্পষ্ট বাৰ্তা দিয়ে যে শিক্ষা হৈছে প্ৰত্যেকৰে মৌলিক অধিকাৰ, আৰু এই অধিকাৰ সুৰক্ষিত কৰাত চৰকাৰে কোনো পাৰ্থক্য ৰখা নাই। ২০২৫ চনৰ নৱেম্বৰ মাহৰ পৰা আৰম্ভ হ’বলৈ থকা এই যোজনাৰ অধীনত প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে মাহিলি ৩০০ টকাকৈ জলপানি পাব। চৰকাৰী বিদ্যালয়ৰ লগতে ৰাজ্যৰ আদৰ্শ বিদ্যালয়ৰ CBSEৰ দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীও এই সুবিধাৰ আওতালৈ অনাটোৱে চৰকাৰৰ সুষম দৃষ্টিভংগীৰ প্ৰতীক। মুখ্যমন্ত্ৰীয়ে আগবঢ়োৱা আনুষংগিক ঘোষণা দুটাই আঁচনিখনক অধিক গতিশীলতা প্ৰদান কৰিছে। পঞ্চম শ্ৰেণীৰ লগতে নৱম শ্ৰেণীৰ শিক্ষাৰ্থীসকলক চৰকাৰী চাইকেল প্ৰদানৰ সিদ্ধান্তই শিক্ষাৰ্থীসকলৰ যাতায়াতৰ অসুবিধা দূৰ কৰাত গুৰুত্ব আৰোপ কৰিছে। স্কুললৈ যোৱা-অহাৰ সময় আৰু শ্ৰম ৰাহি কৰি শিক্ষাৰ্থীসকল যাতে অধিক সময় আৰু শক্তি পাঠ্যক্ৰমত নিয়োগ কৰিব পাৰে, এই সিদ্ধান্তই তাৰ পথ মুকলি কৰি দিব। বিশেষকৈ গ্ৰামাঞ্চলৰ শিক্ষাৰ্থীসকলৰ বাবে এই ব্যৱস্থাই শিক্ষাৰ প্ৰতি থকা উৎসাহ আৰু বহু গুণে বঢ়াই তুলিব। অৱশ্যে, এনে যেকোনো ডাঙৰ আঁচনিৰ সৈতে সাধাৰণ মানুহৰ মনত কেতবোৰ প্ৰশ্নৰ সৃষ্টি হোৱাটো স্বাভাৱিক। প্ৰথম প্ৰশ্নটো হ’ল - এই আঁচনিৰ বাবে প্ৰয়োজনীয় অৰ্থৰ যোগান কেনেকৈ দিয়া হ’ব? ৰাজ্যৰ বিত্তীয় অৱস্থা ইয়াক বহন কৰিব পৰাকৈ সক্ষম নে? ইয়াৰ বাবে ৰাজ্য চৰকাৰে অন্য কোনো ক্ষেত্ৰত ব্যয় সংকোচনৰ পৰিকল্পনা কৰিছে নে? এই আঁচনিৰ স্থায়িত্ব সম্পৰ্কে সাধাৰণ নাগৰিকৰ মনত এনে ধৰণৰ প্ৰশ্নই ঠাই পাবই। দ্বিতীয়টো গুৰুত্বপূৰ্ণ প্ৰশ্ন হ’ল - এই আৰ্থিক সাহায্য শিক্ষাৰ্থীসকললৈ সঁচাকৈয়ে উপকাৰী হ’ব নে? মাহিলি ৩০০ টকাৰ পৰিমাণটোৱে বৰ্তমানৰ বজাৰ দৰত শিক্ষাৰ্থীসকলৰ বাবে যথেষ্ট নহ’ব পাৰে বুলি অনেকেই ভাবিব পাৰে। এই টকাৰে শিক্ষাৰ সামগ্ৰী কিনিব পৰা যাব নে নাযাব, সেই সম্পৰ্কেও এক ধৰণৰ সংশয় থকাটো স্বাভাৱিক। তৃতীয়টো প্ৰশ্ন হ’ল — এই সুবিধা সঁচাকৈয়ে সৰ্বত্ৰই সঠিকভাৱে আৰু নিৰ্বিচাৰে উপলব্ধ হ’ব পৰাকৈ আছে নে? ইয়াৰ বাবে প্ৰয়োজনীয় প্ৰশাসনিক ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছে নে? সহজলভ্য আৰু দুৰ্নীতিমুক্ত সেৱা প্ৰদানৰ ব্যৱস্থাটোৱেই হ’ব এই আঁচনিৰ সফলতাৰ মুখ্য নিৰ্ণায়ক। চতুৰ্থটো প্ৰশ্ন হ’ল — চাইকেল বিতৰণৰ দৰে পদক্ষেপসমূহ সঠিক সময়ত আৰু গুণগত মানৰ সৈতে হ’ব নে? ইয়াৰ আগতেও বিভিন্ন সময়ত চাইকেল বিতৰণত অসুবিধাৰ সৃষ্টি হোৱা দেখা গৈছে। নতুনকৈ পঞ্চম শ্ৰেণীৰ বাবে এই ব্যৱস্থা কৰাত সেইবোৰ সমস্যাৰ পুনৰাবৃত্তি নহয় বুলি নিশ্চিত হ’ব লাগিব। সেয়েহে, ‘প্ৰেৰণা’ আঁচনি নিশ্চয়ভাৱে এক শুভ আৰু প্ৰশংসনীয় উদ্যোগ। ইয়াৰ জৰিয়তে শিক্ষাৰ্থীসকলৰ মাজত শিক্ষাৰ প্ৰতি এক নতুন উদ্দীপনাৰ সৃষ্টি হ’ব বুলি আশা কৰিব পাৰি। কিন্তু ইয়াৰ সফল ৰূপায়ণৰ বাবে চৰকাৰে এখন শক্তিশালী পৰিকল্পনাৰে আগবাঢ়িব লাগিব। প্ৰয়োজনীয় বিত্তীয় সংস্থানৰ ব্যৱস্থা, পাৰদৰ্শী প্ৰশাসনিক ব্যৱস্থা, সময়ানুক্ৰমিক বিতৰণ আৰু গুণগত মান নিশ্চিতকৰণ আদি সকলো দিশতে চকু ৰাখিব লাগিব। শিক্ষাৰ্থীসকলক মাহিলি জলপানি আৰু চাইকেল প্ৰদানৰ এই যোজনাৰ লক্ষ্য হ’ল শিক্ষাক সাধাৰণৰ বাবে সহজলভ্য কৰি তোলা। এই লক্ষ্যত উপনীত হ’ব পাৰিলেহে অসমই এক শিক্ষিত, সক্ষম আৰু সমৃদ্ধিশালী ভৱিষ্যৎ গঢ়িব পাৰিব। ‘প্ৰেৰণা’ আঁচনিয়ে যেন কেৱল ঘোষণাৱলীৰেই নাৰাখি প্ৰকৃত অৰ্থত প্ৰেৰণাদায়ক হৈ উঠিব পাৰে, সেই দিশতেই ৰাজ্য চৰকাৰ, শিক্ষক, অভিভাৱক আৰু সমাজৰ সকলো শ্ৰেণীৰ লোকৰ সমন্বিত প্ৰচেষ্টা অপৰিহাৰ্য।

◀◀ অসম আন্দোলনে আৰু দুটা বছৰ অতিক্ৰম কৰিছিল। গতানুগতিক প্ৰৱাহত ১৯৮৪ চনৰ দিনবোৰ আৰম্ভ হৈছিল। হিতেশ্বৰ শইকীয়াৰ নিৰ্বাচিত চৰকাৰে কাৰ্যভাৰ চলাই নিছিল। চকা বন্ধ, জনতাৰ সান্ধ্য আইন, চৰকাৰী সান্ধ্য আইন, অসম বন্ধ, পথ অৱৰোধ, ৰে’ল অৱৰোধ, জোৰ সমদল, সংকল্প দিৱস, ক’লা দিৱস কাৰ্যসূচীৰ গতানুগতিক আন্দোলনৰ উৎসাহ কমিবলৈ ধৰিছিল। গাঁৱৰ পৰা যোৱা হোষ্টেল আৱাসী ছাত্ৰ-ছাত্ৰীসকলেহে গুৱাহাটী মহানগৰীত আন্দোলনৰ সজীৱতা কোনোমতে ধৰি ৰাখিছিল। মহানগৰীৰ জনতাৰ আন্দোলনৰ প্ৰতি হেঁপাহ নাইকিয়া হৈ আহিছিল। মহানগৰীৰ ল’ৰা-ছোৱালীয়ে পঢ়া শুনাত মন বহুৱাবলৈ চেষ্টা কৰিছিল। আন্দোলনৰ কাৰ্য্যসূচীবোৰত তেওঁলোকৰ অংশ গ্ৰহণ সীমিত হৈ পৰিল। ▶▶

# ১৯৮৩ৰ অবৈধ নিৰ্বাচনত বৈধতাৰ প্ৰশ্ন

**ড° আৰ কে বেজবৰুৱা**

১৯৮৩ চনত সকলো প্ৰকাৰৰ উপায় অৱলম্বন কৰি হ’লেও অসমত নিৰ্বাচন অনুষ্ঠিত কৰা হৈছিল। মুঠ ৯০ আসনেৰে ইন্দিৰা কংগ্ৰেছ দলে চৰকাৰ গঠন কৰিলে। অসমৰ প্ৰায় ভাগ জনতা ভোট দানৰ পৰা বিৰত থাকিল। ইচ্ছা থাকিলেও বহুত মানুহ ভোট দিবলৈ যোৱা নাছিল। দেশৰ জনতাৰ ৰোষত পৰাৰ ভয়েও বহুতকে ভোট দানৰ পৰা বিৰত কৰাইছিল। এয়া সত্য কথা যে নিজৰ দলৰ নগণ্য সংখ্যক সদস্য আৰু কেৱল মাত্ৰ প্ৰাৰ্থীৰ আত্মীয় স্বজনে দিয়া ভোটৰ হিচাপেৰে প্ৰাৰ্থী জয়ী হৈছিল। এনেকুৱাও হৈছিল যে, বহু পোলিং বুথলৈ ভোট গ্ৰহণকাৰী বিষয়া-কৰ্মচাৰী যোৱাই নাছিল। বহুতো পোলিং বুথৰ পৰা খালী বাকচ ঘূৰি গৈছিল, বহুতো সমষ্টিত বিনা প্ৰতিদ্বন্দ্বিতাৰে প্ৰাৰ্থী জিকিছিল। তথাপিয়ো সময়ত চৰকাৰ গঠন হৈছিল। চৰকাৰ গঠনৰ লগে লগে অসমৰ সৰ্বত্ৰে প্ৰতিবাদ হৈছিল।

গুৱাহাটী উচ্চ ন্যায়ালয়ত এটা গোচৰ তৰা হৈছিল। ১৯৮৩ চনৰ ১২ এপ্ৰিলত মবিং চন্দ্ৰ পেগুৱে কংগ্ৰেছ চৰকাৰৰ মন্ত্ৰী ৰঘুনাথ পামেগামৰ নিৰ্বাচনৰ বৈধতা সম্পৰ্কে প্ৰশ্ন তুলি গোচৰ তৰিছিল। ঢকুৱাখনাত ১৪ ফেব্ৰুৱাৰীত অনুসূচীত সমষ্টিত নিৰ্বাচন হোৱাৰ কথা আছিল। কিন্তু ভোট গ্ৰহণ কেন্দ্ৰত পোলিং বিষয়া উপস্থিত হোৱা নাছিল। পোলিং বিষয়া অনুপস্থিত থকাৰ বাবে ৰিটাৰ্ণিং বিষয়াই ১৪ ফেব্ৰুৱাৰীত ইস্তাহাৰ যোগে ‘পোলিং বিষয়া অনুপস্থিত থকাৰ বাবে আৰু ভোটাৰৰ মাজত ত্ৰাসৰ সৃষ্টি হোৱা বাবে’ বুলি ঢকুৱাখনা সমষ্টিৰ সকলো ভোট কেন্দ্ৰৰ ভোট গ্ৰহণ স্থগিত ৰাখিছিল আৰু নিৰ্বাচন আয়োগে ধাৰ্য্য কৰা দিনত নিৰ্বাচন পুনৰ হ’ব বুলি ঘোষণা কৰিছিল। তাৰ দুদিনমান পিছত, অন্য আঠোটা অনুসূচীত ভোট গ্ৰহণ কেন্দ্ৰৰ লগতে ঢকুৱাখনা সমষ্টিৰ সকলো কেন্দ্ৰত ২১ ফেব্ৰুৱাৰীত ভোটা গ্ৰহণ অনুষ্ঠিত হ’ব বুলি এক বিজ্ঞপ্তি জাৰি কৰা হৈছিল।

মবিং চন্দ্ৰ পেগুৱে আপত্তি দৰ্শাইছিল যে দুয়োখন বিজ্ঞপ্তিয়েই আইন অনুসৰি শুদ্ধ নহয়। ৭৫৮৮৭জন ভোটাৰৰ ভিতৰত ২১ ফেব্ৰুৱাৰীত হোৱা ভোট দানত মাত্ৰ ৬৫০টা ভোট পৰিছিল। তাৰে ১০টা আছিল নাকচ ভোট।

ৰঘুনাথ পামেগামে মাত্ৰ ৫৮৭টা ভোটেৰে বিধান সভাৰ মজিয়াত ঠাই লাভ কৰিছিল। সিদিনাও ১১১টা ভোটা দান কেন্দ্ৰৰ মাত্ৰ ১৭ টাত কেন্দ্ৰতহে ভোট গ্ৰহণ অনুষ্ঠিত হৈছিল। বাকীবোৰ কেন্দ্ৰলৈ কোনো লোক ভোট দিবলৈ যোৱাই নাছিল।

আন এখন ৰীট আবেদন দাখিল কৰিছিল-১৩ এপ্ৰিলত, পূৰ্বাঞ্চলীয় লোক পৰিষদৰ সভাপতি স্বৰ্গীয় নিবাৰণ চন্দ্ৰ বৰাই। সংবিধানৰ সম্পূৰ্ণ বাহিৰত থাকি নিৰ্বাচন পতাৰ বাবে এই নিৰ্বাচনেই অবৈধ ঘোষণা কৰিবলৈ তেওঁ মহামান্য উচ্চ ন্যায়ালয়ক আবেদন জনাইছিল।

“সংবিধানৰ সুৰক্ষাৰ বাবে অসমত নিৰ্বাচন পতাটো জৰুৰী” বুলি কেন্দ্ৰীয় চৰকাৰে বাৰে বাৰে দোহাৰি থকাৰ পৰিপ্ৰেক্ষিতত এই অবৈধ নিৰ্বাচনেৰে অসমক সংবিধানৰ পৰাই বাহিৰ কৰি দিয়া হৈছে বুলি নিবাৰণ বৰাই অভিযোগ উত্থাপন কৰিছিল। ন্যায়াধীশ কিৰণময় লাহিড়ী আৰু ন্যায়াধীশ তৰুণ চন্দ্ৰ দাসেৰে গঠিত খণ্ড আদালতে গ্ৰহণ কৰা ৰীট আবেদনখনৰ শুনানিত নিবাৰণ বৰাই নিজেই আগবঢ়োৱা যুক্তি শুনি মহামান্য আদালতে মুখ্য নিৰ্বাচনী আয়ুক্ত, ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ আৰু প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীলৈ ‘নটিছ অব মোচন’ জাৰী কৰিছিল।

আনহাতে ৮ জুলাইত ভাৰতৰ নিৰ্বাচন আয়োগৰ ফালৰ পৰা নিবাৰণ বৰাৰ আবেদনৰ শুনানী বাতিল কৰিবলৈ নিৰ্বাচন সচিব আৰ, পি, ভাল্লাই ‘ডিচমিচ ৰীট’ আবেদন এখন গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰিছিল। ভাল্লাৰ মত আছিল- “সংবিধানৰ ৩২৯ (খ) ধাৰা মতে মাত্ৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত্হে নিৰ্বাচনী গোচৰ শুনানিৰ বাবে গ্ৰহণীয় হ’ব পাৰে।”

গুৱাহাটীৰ কনচাল্টিং ইঞ্জিনিয়াৰ, ইন্দ্ৰজিত বৰুৱাই অবৈধ ভোটাৰ লিষ্ট আৰু নিৰ্বাচন পাতিবলৈ লোৱা কাৰ্য্যব্যৱস্থা সমূহৰ ওপৰত প্ৰশ্ন তুলি নিৰ্বাচন নাপাতিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ত আবেদন কৰিছিল। আবেদনকাৰীৰ হৈ অধিবক্তা আছিল পাচুগোপাল বৰুৱা, ধীৰেন্দ্ৰ নাথ বৰুৱা আৰু দিবাকৰ গোস্বামী। ভাৰতৰ নামী অধিবক্তা ভি, এম, তাৰকুণ্ডে ও শুনানিৰ বাবে অহাৰ কথা দিছিল।

জনতা পাৰ্টিৰ অসম প্ৰদেশ সভাপতি লক্ষেশ্বৰ গোহাঁয়ে নিৰ্বাচনৰ বৈধতাৰ ওপৰত প্ৰশ্ন তোলে। বন্দুক আগত ৰাখি পতা নিৰ্বাচন কেনেকৈ বৈধ হ’ব পাৰে, সেই বিষয়ে আদালতত তেওঁ প্ৰশ্ন কৰিছিল। তেওঁৰ হৈ শুনানিত উপস্থিত আছিল - ভাৰতৰ প্ৰখ্যাত অধিবক্তা ৰাম জেঠমলানী!

দলগাঁৱৰ কংগ্ৰেছৰ পৰাজিত প্ৰাৰ্থী আব্দুল জব্বৰে আনোৱাৰা টাইমূৰৰ নিৰ্বাচনৰ বৈধতা সম্পৰ্কে আদালতত প্ৰশ্ন তুলিছিল। নিৰ্বাচনী বিষয়ায়ো চাৰিহাজাৰ বৈধ ভোট গণনাৰ সময়ত গণনা কৰিবলৈ বাৰণ কৰা বুলি আব্দুল জব্বৰে অভিযোগ উত্থাপন কৰিছিল।

আমগুৰি বিধান সভা সমষ্টিৰ মাধৱ বৰঠাকুৰে আন এখন ৰীট আবেদন দাখিল কৰি সুধিছিল “২১ বছৰ হোৱা সত্ত্বেও তেওঁৰ নাম ভোটাৰ তালিকাত কিয় নাছিল, যিখন ভোটাৰ তালিকাৰে নিৰ্বাচন অনুষ্ঠিত হ’ল?”

ভোটাৰ তালিকা সংশোধন নকৰাকৈ পতা নিৰ্বাচন অবৈধ বুলি তেওঁ দাবী কৰিছিল। তেওঁৰ যুক্তিটো সঁচা আছিল।

বিহপুৰীয়া সমষ্টিৰ আঠজন লোকেও নিৰ্বাচনৰ বৈধতাৰ বিৰুদ্ধে গোচৰ তৰিছিল।

এনেকুৱা বহুতো গোচৰ আদালতত ৰুজু কৰা হৈছিল। আদালত আছে যেতিয়া গোচৰ চলি থাকিব। কিন্তু সেইবোৰ ‘বৈধতাৰ’ প্ৰশ্নই অবৈধ নিৰ্বাচন এটাক ‘অবৈধ’ বুলি প্ৰতিপন্ন কৰাত বিফল হৈছিল। অশুদ্ধ ভোটাৰ তালিকা, অবৈধ নিৰ্বাচন। কিন্তু চৰকাৰে বৈধ ভাবে কাম কাজ চলাই গৈছে।

অসম আন্দোলনে আৰু দুটা বছৰ অতিক্ৰম কৰিছিল। গতানুগতিক প্ৰৱাহত ১৯৮৪ চনৰ দিনবোৰ আৰম্ভ হৈছিল। হিতেশ্বৰ শইকীয়াৰ নিৰ্বাচিত চৰকাৰে কাৰ্যভাৰ চলাই নিছিল। চকা বন্ধ, জনতাৰ সান্ধ্য আইন, চৰকাৰী সান্ধ্য আইন, অসম বন্ধ, পথ অৱৰোধ, ৰেল অৱৰোধ, জোৰ সমদল, সংকল্প দিৱস, ক’লা দিৱস কাৰ্যসূচীৰ গতানুগতিক আন্দোলনৰ উৎসাহ কমিবলৈ ধৰিছিল। গাঁৱৰ পৰা যোৱা হোষ্টেল আৱাসী ছাত্ৰ-ছাত্ৰীসকলেহে গুৱাহাটী মহানগৰীত আন্দোলনৰ সজীৱতা কোনোমতে ধৰি ৰাখিছিল। মহানগৰীৰ জনতাৰ আন্দোলনৰ প্ৰতি হেঁপাহ নাইকিয়া হৈ আহিছিল। মহানগৰীৰ ল’ৰা- ছোৱালীয়ে পঢ়া শুনাত মন বহুৱাবলৈ চেষ্টা কৰিছিল। আন্দোলনৰ কাৰ্য্যসূচীবোৰত তেওঁলোকৰ অংশ গ্ৰহণ সীমিত হৈ পৰিল।

ইপিনে আন্দোলনৰ নেতৃবৃন্দৰ বয়সো বৃদ্ধি পাইছিল। প্ৰায়বোৰ নেতাৰেই বয়স পচিশৰ ঘৰ অতিক্ৰম কৰিছিল। নেতৃত্বৰ মাজত এক নতুন চিন্তা-ভাৱনাৰ সোঁত ইতিমধ্যে ব’বলৈ আৰম্ভ কৰিছিল। কোনোবাই তেওঁলোকৰ আগত এটা পৰিকল্পনা দাঙি ধৰিছিল- “বনৰীয়া হাতী ধৰিবলৈ হ’লে, তাক হাতীৰেহে ধৰিব লাগিব।” কোনো এটা চিষ্টেমৰ ভিতৰত সোমালেহে ভিতৰত থকা আসোঁৱাহ সমূহ গম পোৱা যায়। সেই আসোঁৱাহ দূৰ কৰিবলৈ হ’লে, চিষ্টেমটোৰ ভিতৰত সোমাব লাগিব। তেতিয়াহে তাক ভালদৰে চাফা কৰিব পৰা যাব। যিহেতু অসম আন্দোলনে দেখুৱাই দিয়া সমস্যাবোৰ দূৰ কৰাত ৰাজনৈতিক আৰু চৰকাৰী নেতৃত্ব ব্যৰ্থ হৈছে, সেয়েহে অসমীয়া জাতিসত্তাৰ মুক্তিৰ বাবে এক ঐক্যবদ্ধ মঞ্চৰ প্ৰয়োজন। তাৰ বাবে দৰকাৰ হ’লে ৰাজনৈতিক ক্ষমতা হস্তগত কৰাৰ প্ৰয়োজনীয়তাও আহিব পাৰে।

১৯৮৪ চনৰ জানুৱাৰীৰ ১০ আৰু ১১ তাৰিখৰ জাতীয় অভিবৰ্তন বহিছিল। অভিবৰ্তনৰ ৰুদ্ধ-দ্বাৰ বৈঠকত নতুন সম্ভাৱনা এটাই চৰ্চা লাভ কৰিছিল। ছাত্ৰ সন্থাৰ নেতাসকলে ছাত্ৰৰ পোচাক খুলিবলৈ ভিতৰি যো-যা চলাইছিল।

হঠাতে ভাৰতীয় ৰাজনীতিৰ প্ৰেক্ষাপট সলনি হৈছিল। ১৯৮৪ চনৰ ৩১ অক্টোবৰত সতৱন্ত সিং আৰু কেহৰ সিঙে হত্যা কৰিছিল প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীক। নতুন প্ৰধানমন্ত্ৰী হিচাপে ৰাজীৱ গান্ধীয়ে দায়িত্ব গ্ৰহণ কৰিছিল। ৰাজীৱ গান্ধীৰ আগ্ৰহত অসমআন্দোলনৰ সমাপ্তি ঘটোৱা হৈছিল।

অসম আন্দোলনৰ সমাপ্তিৰ লগে লগে অবৈধ চৰকাৰখনৰো ১৯৮৫ চনত সমাপ্তি ঘটিছিল, সঁচা। কিন্তু অবৈধ নাগৰীকৰ প্ৰসংগটোৰ সমাপ্তি ঘটিল জানো? তেনেকৈয়ে আহি এতিয়া ২০২৫ চন পালেহি। বৰ্তমান সমগ্ৰ ভাৰততে এচ. আই. আৰ.(SIR) আৰম্ভ হৈছে। কংগ্ৰেছ দলৰ লগতে সকলো বিৰোধী দলে এচ. আই. আৰ.ৰ বিৰোধ কৰি আহিছে। জনতাই আশা কৰিছে, বাস্তৱে কি ৰূপ লয়গৈ।



# সাম্প্ৰতিক সময়ত জনজাতি আৰু ছয় জনগোষ্ঠীয় গণতান্ত্ৰিক আন্দোলনৰ পৰিস্থিতিৰ অনুভৱ

**টুটু পাংগিং**

সাম্প্ৰতিক সময়ত ছয় জনগোষ্ঠী আৰু পুৰ্বৰ পৰা অসমত জনজাতি হিচাপে স্বীকৃতি প্ৰাপ্ত জনজাতি সকলৰ গণতান্ত্ৰিক গণ আন্দোলনৰ ওপৰত ময়ো জনজাতি সংগঠনৰ সদস্য, সক্ৰিয় কৰ্মী লগতে ভাৰতৰ নাগৰিক হিচাপে পৰিস্থিতিৰ ওপৰত মন্তব্য দিয়াৰ অনুভৱ কৰিছো। কিয়নো অতীত নহলে বৰ্তমান নচলে আৰু ভৱিষ্যৎ পৰিকল্পনাও সঠিক নহয়। ছয় জনগোষ্ঠীয়ে জনজাতি বিচৰাটো আমি ভুল অথবা অধিকাৰৰ ওপৰত মন্তব্য দিব নিবিছাৰো বা অসন্মান কৰাৰ অধিকাৰ নাই। সমান্তৰালভাৱে জনজাতি সংগঠন সমূহেও ৬ জনগোষ্ঠীক জনজাতি প্ৰদান কৰাত বিৰোধ কৰাতো যুক্তি যুক্ততা আছে (নিজ নিজ দাবীসমূহ জনজাতি-জনগোষ্ঠীয় পৰিবৰ্তে শাসক-বিৰোধী চৰকাৰলৈ হ’ব লাগে)। এতিয়া মূল কথাটো হ’ল।

১। জনজাতি নেতা সকলক কিছু ছয় জনগোষ্ঠীয় নেতা, নেত্ৰীত্বই তুলুঙা / অগণতান্ত্ৰিক মন্তব্য আৰু কিছু জনজাতি নেতা কৰ্মীও ছয় জনগোষ্ঠীয় নেতাক ব্যক্তিগতভাৱে আক্ৰমণ কৰা পৰিলক্ষিত হৈছে। যিটো আমাৰ বাবে দুৰ্ভাগ্যজনক। ফলত প্ৰতিষ্ঠিত ৰাজনৈতিক নেতা সকলহে লাভান্বিত আৰু তেখেত লোকে তাকে কৰিব বিচাৰিছে। তাৰ প্ৰতি আমি অধিক সাৱধনতাৰ প্ৰয়োজনবোধ কৰো।

২। আপুনি / আমি সংগ্ৰামৰ বিষয়ে যিমান জানো, আমাক নেতৃত্ব দি আজি তাৰিখত ৰাজনৈতিকভাৱে প্ৰতিষ্ঠা হোৱা নেতা, মন্ত্ৰী বিধায়ক সকলে ভালকৈ জানে আমাক কেনেকৈ ভাগ ভাগ কৰিব লাগে। লগতে জানিও নিজৰ ব্যক্তিগত লাভ আৰু লোভ সামৰিব নোৱাৰি নিজৰ গাদীখনৰ পাঁচবছৰীয়া আয়ুস বঢ়াবলৈ শ শ বছৰীয়া জাতি-জনগোষ্ঠীৰ সম্প্ৰিতি বিনষ্ট হোৱাৰ ওকমুকনিৰ সময়তো নিমাত আৰু সু-বুদ্ধি দিয়াৰ পৰা বিৰত আছে। সেয়ে তেওঁলোকক নিজ নিজ জনজাতি / ছয় জনগোষ্ঠীয় ৰাইজে দৃষ্টি ৰখা অতি প্ৰয়োজন।

৩। অপ্ৰিয় যদিও সত্য যে আজিও আমাৰ জনজাতি/ ছয় জনগোষ্ঠী সমস্যাৰ ত্ৰান কৰ্তা বুলি সমাজত গামোচা পিন্ধা নেতা সকল ৰাজনৈতিকভাৱে প্ৰতিষ্ঠা লাভ হোৱাৰ পিছতো ব্যক্তিগত জীৱনক অধিক লাস বিলাসেৰে জীৱন যাপন কৰিবলৈ হবিয়াস থকা নেতাৰ হাতত কিছু জনজাতি / ছয় জনগোষ্ঠী সংগঠন সমূহৰ নেতৃত্বৰ ক্ষমতা অৰ্পন কৰি থৈছে। সেয়েহে আজিও সংগঠনৰ আন্দোলন সমূহ নিজৰ ইচ্ছামতে নিয়ন্ত্ৰণ কৰিব পাৰিছে।

ফলত কিছু লাভ আৰু লোভীয়া নেতাৰ বাবে বাকী জীৱন যৌৱন ত্যাগ কৰি সংগঠন কৰা নেতা কৰ্মী আৰু সংগঠনৰ ভাৱমূৰ্তি ম্লানৰ দিশে। (কিছু ব্যক্তিৰ ভুলৰ বাবে সংগঠনৰ মৰ্যাদা ম্লান হোৱাটো আমাৰ কাম্য নহয়)

সেয়ে নিজ নিজ জাতিৰ সমস্যাৰ বাবে আন্দোলন কৰিম প্ৰয়োজনত। কিন্তু লাস বিলাসী নেতাৰ শ্ৰুতলিপি মতে নহয়, বিবেকেৰে বাস্তৱ সমস্যা সমাধান উৎসৰে।

৪। আমাৰ জনজাতীয় বা জনগোষ্ঠীয় নেতৃত্বত থকা কিছুমান নেতাই নিজৰ ভুল স্বীকাৰ কৰিব নোৱাৰি, একালৰ প্ৰতিষ্ঠিত চতুৰ সংগঠকৰ পদলেখন লোৱা দেখা পাওঁ। তাকে নকৰি ৰাইজৰ ওচৰত সঁচা কথা স্বীকাৰ কৰি জাতি-জনগোষ্ঠীয় সাংগঠনিক কাৰ্যসুচী চলাই নিলে অধিক আদৰ আৰু সন্মান বাঢ়িব। (অসমৰ ৰাইজ ইমানো বেয়া নহয়।

৫। সাম্প্ৰতিক সময়ত প্ৰানৰ শিল্পী জুবিন দাৰ মহাপ্ৰয়ানৰ পিছত অসমত জাতি-জনগোষ্ঠী সমূহ ৰাইজৰ জাতীয় চেতনাই অধিক জাগ্ৰত হোৱা হেতুকে ৰাজনৈতিক প্ৰতিষ্ঠিত নেতা কৰ্মীৰ অধিক চিন্তিত হোৱা দেখা পাইছো। সেয়ে বীৰবল বাচ্চাৰ সাধু কথাৰ উপমা মনত পৰিছে। এডাল আছ টানি নুমুচাকৈ কেনেকৈ চুটি কৰিব পাৰি তাৰ সমাধান সূত্ৰ বিচাৰি প্ৰতিষ্ঠিত নেতা কৰ্মী অধিক ব্যস্ত। প্ৰতিষ্ঠিত নেতা সকলে জানে যে জুবিনদা নামৰ আছ ডাল ছুটি কৰিবলৈ হ’লে ধৰ্মীয় সংঘাত / জাতি-জনগোষ্ঠীৰ সংঘাতৰ বাদে আন কোনেও ছুটি কৰিব নোৱাৰে। সেয়ে শাসক-বিৰোধী সকলো নেতাই লোভনীয় পুৰস্কাৰেৰে স্বয়ম্ভৰ পাতি আমাৰ জাতি-জনগোষ্ঠীয় নেতা কৰ্মীক স্বয়ম্ভৰত অংশগ্ৰহণ কৰাবলৈ চেষ্টা কৰি আছে আৰু কৰিব।

এতেকে আমি লোভ মোহ ত্যাগ কৰি মানসিকভাৱে প্ৰস্তুত থাকিব লাগিব আৰু জাতি-জনগোষ্ঠী ৰাইজৰ মাজত যাতে সংঘাত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি মাৰ্জিত ভাষাৰে বক্তব্য ৰখা বা সাৱধান হোৱাৰ অতি প্ৰয়োজন হ’ব।



৬। গ’ত দিনবোৰৰ সাংগঠনিক অভিজ্ঞতাৰে ক’ব বিছৰো যে, ৰাজনৈতিক যিকোনো দলে সমস্যা সমাধানতকৈ সমস্যা সৃষ্টি কৰাহে অধিক দেখা পাঁও, নহলেনো প্ৰত্যকটো সংগঠনৰ প্ৰাপ্যাধিকাৰ বিছাৰি ইমান দিনে ৰাজপথত আন্দোলন কৰিব লগা নহ’ল হয়। সেয়ে আমিবোৰ সংযতভাৱে বিশ্বাস আৰু শ্ৰদ্ধাৰে সকলোৰে মাজত সম্প্ৰিতি বৰ্তাই ৰাখি নিজ নিজ সংগঠনৰ লক্ষ্য উদ্দেশ্য আৰু সংগঠন অধিক সক্ৰিয় কৰাত মনোনিৱেশ কৰিলে উপকৃত হ’ব।

শেষত বিশেষভাৱে অনুৰোধ যে, জনজাতি / ছয় জনগোষ্ঠীৰ প্ৰতিষ্ঠিত শ্ৰদ্ধাৰ নেতা, মন্ত্ৰী আৰু বিধায়ক সকল এতিয়াও আপোনালোকৰ ওপৰত আমাৰ আস্থা আৰু বিশ্বাস আছে। জনজাতি / ছয় জনগোষ্ঠীয় লোকৰ মাজত সংঘাত হোৱাৰ আগতে, আগৰ দৰে নিজ নিজ জাতি-জনগোষ্ঠিক সু-পৰামৰ্শ প্ৰদান কৰি অসমক শান্তি পৰিৱেশ বৰ্তাই ৰখাত গুৰুত্ব আৰোপ কৰিবলৈ টানি অনুৰোধ জনালো।

# আত্মনিৰ্ভৰ ভাৰত

**কমলেশ কাঞ্চন**

আত্মনিৰ্ভৰ ভাৰত- বৰ্তমান সমগ্ৰ দেশতে ব্যাপকভাৱে চৰ্চিত এটি বিষয়। টেলিভিছনৰ বিভিন্ন ৰাষ্ট্ৰীয় চেনেলৰ উপৰি য়ু টুবাৰ সকলৰ মাজতো এই প্ৰসঙ্গটো আলোচিত হৈছে। এজন প্ৰকৃত দেশপ্ৰেমী লোকে এনেকুৱা বাতৰি শুনিলে গৌৰৱত গদগদ হোৱাটো স্বাভাৱিক। কিন্তু প্ৰকৃততে ভাৰত এখন আত্মনিৰ্ভৰ ৰাষ্ট্ৰলৈ পৰিণত হৈছেনে? নে এয়া কেৱল এক প্ৰচাৰ! বিষয়টো নিশ্চয় মন কৰিবলগীয়া। ভাৰত এখন উন্নয়নশীল ৰাষ্ট্ৰ। বহু সময়ত ভাৰতবৰ্ষই বিভিন্ন দিশত বিদেশী ৰাষ্ট্ৰৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। প্ৰতিৰক্ষা, বাণিজ্য, শিক্ষা আদি দিশত বিদেশী ৰাষ্ট্ৰৰ সৈতে নিৰ্ভৰ কৰিবলগীয়া হৈ আহিছে আমাৰ দেশ ভাৰত। আৰু ইয়াৰ সুবিধা গ্ৰহণ কৰি আহিছে আমেৰিকাৰ দৰে অতি সুবিধাবাদী ৰাষ্ট্ৰই। বিভিন্ন সংস্থা আৰু ব্যক্তিয়ে দাবী কৰাৰ দৰে আমাৰ দেশখন যদি আত্মনিৰ্ভৰশীল হ’লহেঁতেন তেতিয়া হ’লে আমেৰিকাৰ দৰে দেশৰ ৰোষত পৰিলেও চিন্তা কৰিব লগা নহ’লহেঁতেন। ২০২২ চনৰ ২৪ ফেব্ৰুৱাৰীৰ পৰা ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত এখন ভয়াবহ যুদ্ধ চলি আছে। দুয়োখন দেশৰ অৰ্থনীতি প্ৰায় বিধ্বস্ত। যুদ্ধৰ আৰম্ভণিৰ পৰা আমেৰিকা নেতৃত্বাধীন নাটোৰ দেশ সমূহে ইউক্ৰেইনক সহায় কৰি আহিছে যদিও ইউক্ৰেইন এই যুদ্ধত সফল হ’ব পৰা নাই। তিল তিলকৈ পৰাজয়ৰ দিশলৈ গতি কৰিছে। অৱশ্যে যুদ্ধৰ এই সময়ছোৱাত ৰাছিয়াৰ অৰ্থনীতিয়ো বেয়াকৈ প্ৰভাৱিত হৈছে। এই সময়ছোৱাত ভাৰতে ৰাছিয়াৰ পৰা কম মূল্যত খাৰুৱা তেল ক্ৰয় কৰি নিজৰ লগতে মিত্ৰ দেশ ৰাছিয়াৰ সহায় কৰিছে। আনহাতে, ভাৰতৰ এই কাৰ্যত আমেৰিকা সুখী নহয়। ভাৰতে ৰপ্তানি কৰা বিভিন্ন সামগ্ৰীৰ ওপৰত ২৫ শতাংশৰ পৰা ৫০ শতাংশ লৈ শুল্ক আৰোপ কৰিছে আমেৰিকাই। ফলস্বৰূপে ভাৰতৰ বৈদেশিক বাণিজ্যৰ দিশটো বৃহৎ লোকচানৰ সন্মুখীন হৈছে। ভাৰতে আমেৰিকাৰ বিৰুদ্ধে শক্তিশালী পদক্ষেপ ল’ব পৰা নাই। দৰাচলতে ড’নাল্ড ট্ৰাম্প দ্বিতীয়বাৰৰ বাবে আমেৰিকাৰ ৰাষ্ট্ৰপতি হোৱাৰে পৰা ভাৰতৰ বিৰুদ্ধে বহুতো ক্ষতি কাৰক সিদ্ধান্ত লৈছে। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক বিভিন্ন সময়ত বন্ধু বুলি কৈ পিছফালৰ পৰা আঘাত কৰি আহিছে; কিন্তু ভাৰতে আত্মনিৰ্ভৰশীল দেশৰ দৰে সিদ্ধান্ত লোৱাত ব্যৰ্থ হৈছে। ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে সকলো সময়তে যেন ড’নাল্ড ট্ৰাম্পক ভাল লগাবলৈ চেষ্টা কৰিছে; এনেকুৱা অনুভৱ হৈছে ভাৰতীয় লোকৰ। যদি ভাৰত প্ৰকৃততে এখন আত্মনিৰ্ভৰশীল ৰাষ্ট্ৰলৈ পৰিণত হৈছে তেতিয়া হ’লে আমেৰিকাক ভাল লগাবৰ বাবে চেষ্টা নহয়, যোগ্য প্ৰত্যুত্তৰ দিয়া উচিত। এখন সাৰ্বভৌম গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপে শক্তিশালী সিদ্ধান্ত লওক ভাৰতে। তেতিয়াহে ভাৰতবৰ্ষৰ জনসাধাৰণে আত্মনিৰ্ভৰশীল দেশৰ নাগৰিক বুলি গৌৰৱান্বিত হ’ব।



# ডিব্ৰুগড়ৰ শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য হিচাপে ড° হীৰেন্দ্ৰ নাথ শৰ্মাৰ কাৰ্যভাৰ গ্ৰহণ



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৮ নৱেম্বৰ ঃ** ডিব্ৰুগড়ৰ চাবুৱাত ৰাজ্যখনৰ ভিতৰতে প্ৰথমখন ক্ৰীড়া বিশ্ববিদ্যালয় শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ নিৰ্মাণকে ধৰি অন্যান্য অন্তঃগাঁথনি সন্দৰ্ভত অসমৰ ৰাজ্যপাল তথা বিশ্ব বিদ্যালয়খনৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্যই গভীৰ উদ্বেগ প্ৰকাশ কৰা লগতে প্ৰতিষ্ঠা হোৱা সাতটা বছৰ অতিক্ৰম কৰা পাছতো কোনো ধৰণৰ অগ্ৰগতি লাভ নকৰাত ক্ষোভ প্ৰকাশ কৰি অলপতে ডিব্ৰুগড়ত পঞ্জীয়কৰ সৈতে বৈঠকত মিলিত হোৱা লগতে বিশ্ববিদ্যালয়খনৰ কাম কাজৰ অগ্ৰগতি সম্পৰ্কে প্ৰতি মাহত ৰাজভৱনত একোখনকৈ বৈঠক অনুষ্ঠিত কৰিব বুলি ঘোষণা কৰিছিল। এইখন বিশ্ববিদ্যালয়ৰ দ্বিতীয় গৰাকী উপাচাৰ্য হিচাপে আজি ডিব্ৰুগড় উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰত থকা বিশ্ববিদ্যালয়ৰ অস্থায়ী কাৰ্য্যালয়ত শিক্ষাবিদ ড° হীৰেন্দ্ৰ নাথ শৰ্মাই আনুষ্ঠানিকভাৱে কাৰ্যভাৰ গ্ৰহণ কৰে। অৰুণাচল প্ৰদেশৰ ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক তথা বিজ্ঞানী ড° হীৰেন্দ্ৰ নাথ শৰ্মাই কাৰ্য্যভাৰ গ্ৰহণ কৰি মহাপুৰুষজনাৰ নামত প্ৰতিষ্ঠিত বিশ্ববিদ্যালয়খনৰ নিৰ্মাণকে ধৰি অন্যান্য সকলোবোৰ দিশ অতি শীঘ্ৰে আৰু ক্ষিপ্ৰতাৰে পূৰ্ণতা লাভ কৰিব বুলি আশা ব্যক্ত কৰা লগতে তেখেতৰ কাৰ্যকালতে বিশ্ববিদ্যালয়ৰ শিক্ষাদানকে ধৰি চাবুৱাৰ পানীএৰা চৌহদত সম্পাদন কৰিব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰাত গুৰুত্ব প্ৰদান কৰে। আজি এই কাৰ্যভাৰ গ্ৰহণ অনুষ্ঠানত পঞ্জীয়ক পংকজ বৰঠাকুৰ, পৰীক্ষাৰ নিয়ন্ত্ৰক ড° অৰিঞ্জিত হাজৰিকাকে ধৰি বিশ্ববিদ্যালয়খনৰ বিষয়া কৰ্মচাৰী সকল উপস্থিত থাকে। শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ কনিষ্ঠ মহাবিদ্যালয়, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ একাডেমী আৰু ডিব্ৰুগড় সাহিত্য সভাৰহে যাদৱ গগৈয়ে নৱনিযুক্ত উপাচাৰ্য ড° হীৰেন্দ্ৰ নাথ শৰ্মাক উষ্ম আদৰণি জনোৱা লগতে তেখেতৰ কাৰ্যকালত উজনি অসমৰ ৰাইজৰ অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি থকা মায়ামৰা ধৰ্মৰ প্ৰৱৰ্তক তথা সাহিত্যিক সমাজ সংস্কাৰক মহাপুৰুষ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ নামত প্ৰতিষ্ঠা হোৱা উচ্চ শিক্ষানুষ্ঠানখনে পূৰ্ণ মৰ্যদা লাভ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা ব্যক্ত কৰে। এই শুভেচ্ছা গ্ৰহণ কৰি উপাচাৰ্য গৰাকীয়ে সমাজৰ প্ৰতিগৰাকী লোকৰ সহায় সহযোগ কামনা কৰা লগতে তেখেতে ক্ষেত্ৰভিত্তিক পৰিদৰ্শন কৰা লগতে নেতৃস্থানীয় লোকৰ সৈতে যোগাযোগ কৰি অতি শীঘ্ৰে ক্ৰীড়া বিশ্ববিদ্যালয়খন সম্পূৰ্ণ কৰিব বুলি ব্যক্ত কৰে। তদুপৰি উপাচাৰ্য্য গৰাকীয়ে নৱনিৰ্মিত বিশ্ববিদ্যালয়খনৰ দুৱাৰদলিত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ এটি বিশাল প্ৰতিমূৰ্তি নিৰ্মাণ কৰিব বুলিও ব্যক্ত কৰে। এইক্ষেত্ৰত মায়ামৰা ধৰ্মীয় সমাজ তথা বিভিন্নজন ব্যক্তি, দল সংগঠনৰ লগত এখন বৈঠকত মিলিত হৈ প্ৰতিমূৰ্তি সন্দৰ্ভত ৰাজহুৱা সিদ্ধান্ত গ্ৰহণ কৰি বিশ্ববিদ্যালয়ৰ পৰিচালনা সমিতিৰ অনুমোদনৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰিব বুলি কাৰ্য্যভাৰ গ্ৰহণ কৰি ঘোষণা কৰে। উল্লেখযোগ্য যে পূৰ্বৰ মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় কেবিনেট মন্ত্ৰী তথা তেওঁৰে নিৰ্বাচিত হোৱা বৰ্তমান ডিব্ৰুগড় লোক সভা সমষ্টিৰ অন্তৰ্গত চাবুৱা বিধান সভা সমষ্টিৰ দিনজয় পানীএৰা গাঁৱত ইতিমধ্যে ভূমি আবণ্টন হোৱা পাছতো চাৰি সীমা, গৃহ নিৰ্মাণ আদি একো কামেই নহ'ল। স্থায়ী পঞ্জীয়ক হিচাপে নিযুক্তি লাভ কৰা পাছত পংকজ বৰঠাকুৰে দিনে নিশাই আচাৰ্য তথা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ডিব্ৰুগড় জিলা অন্তৰ্গত বিধান সভা সমষ্টিৰ প্ৰায় কেইজন বিধায়কৰ সৈতে সঘন যোগাযোগত থাকি বৰ্তমান বিশ্ববিদ্যালয় খনৰ কামৰ কিঞ্চিত অগ্ৰগতি লাভ কৰিছে যদিও বিশেষ একো কামৰ উন্নয়ন সাধন হোৱা নাই। বৰ্তমান বিশ্ববিদ্যালয় খনত উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ লগতে দেশৰ প্ৰায় সাতখন ৰাজ্যৰ শিক্ষাৰ্থীয়ে শিক্ষা গ্ৰহণ কৰি আছে। ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ত অস্থায়ী কাৰ্যালয় হিচাপে একেবাৰে সীমিত অধ্যাপক অধ্যাপিকা, গৱেষক, উপযুক্ত কৰ্মচাৰী অবিহনেই বিশ্ববিদ্যালয়খনৰ শিক্ষা প্ৰদান কাৰ্য চলি আছে। পূৰ্বৰ স্থায়ী উপাচাৰ্য্য গৰাকী কাৰ্যকাল অন্ত পৰাত যোৱা ১৯ নৱেম্বৰত শিক্ষাবিদ, বিজ্ঞানী ড° হীৰেন্দ্ৰ নাথ শৰ্মাক দ্বিতীয় গৰাকী স্থায়ী উপাচাৰ্য হিচাপে নিযুক্তি প্ৰদান কৰাত বিশ্ববিদ্যালয়খনে বিশেষ অগ্ৰগতি লাভ কৰিব বুলি সচেতন ৰাইজে আশা প্ৰকাশ কৰিছে। ৰাজ্যপাল তথা বিশ্ববিদ্যালয়খনৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্যই বিশ্ববিদ্যালয়খনৰ নিৰ্মাণ আৰু নিযুক্তিকে ধৰি অন্যান্য বিষয় সমূহ অতি ক্ষিপ্ৰতাৰে সম্পন্ন কৰি দেশৰ ভিতৰতে এখন উন্নতমানৰ ক্ৰীড়া বিশ্ববিদ্যালয় ৰূপে গঢ়ি তোলাৰ বাবে যাৱতীয় পদক্ষেপ নিজে সন্মুখত থাকি নেতৃত্ব প্ৰদান কৰিব আৰু সেয়ে প্ৰতি মাহত বিশ্ববিদ্যালয়খনৰ কাম কাজৰ অগ্ৰগতি সম্পৰ্কে ৰাজভৱনত পৰ্য্যালোচনা বৈঠকৰ বাবে নিৰ্দেশনা জাৰি কৰা কাৰ্যই এইবাৰ বিশ্ববিদ্যালয় খনে কিবা এটা সুফল পোৱাটো নিশ্চিত বুলি স্থানীয় ৰাইজে মত প্ৰকাশ কৰিছে।

# হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ কামৰূপ জিলা আয়ুক্তক স্মাৰক পত্ৰ প্ৰদান



**অসম বাৰ্তা, হাজো, ২৮ নৱেম্বৰ ঃ** সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি নৰজ্যোতি দাসৰ নেতৃত্বত হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ এটি সজাঁতী দলে কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ জৰিয়তে অসমৰ মাননিয় মুখ্যমন্ত্ৰী ডাঙৰীয়ালৈ হাজো অঞ্চলৰ বিভিন্ন সমস্যা সমাধানৰ অৰ্থে এখন স্মাৰক পত্ৰ প্ৰদান কৰে। বিশেষকৈ হাজো ৰাজহ চক্ৰৰ স্থায়ী চক্ৰ বিষয়া, হাজো উন্নয়ন খণ্ডৰ স্থায়ী খণ্ড উন্নয়ন বিষয়া আৰু হাজো গড়কাপ্তানি বিভাগৰ স্থায়ী সহকাৰী কাৰ্য্যবাহী অভিযন্তা গৰাকীক স্থায়ী ভাৱে নিয়োগ কৰাৰ দাবীত হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি প্ৰাণজিত দেউৰীয়া আৰু সাধাৰণ সম্পাদক নিপু কলিতা স্বাক্ষৰিত এক স্মাৰক পত্ৰ প্ৰেৰণ কৰে। উক্ত স্মাৰক পত্ৰত বৃহত্তৰ হাজো বাসী ৰাইজে দীৰ্ঘদিনে ভুগি অহা সমস্যা সমূহ অতি শীঘ্ৰে সমাধান কৰাৰ দাবী জনায়। উল্লখ্য যে হাজো ৰাজহ চক্ৰ, খণ্ড উন্নয়ন কাৰ্যালয় আৰু লোক নিৰ্মাণ বিভাগৰ কাৰ্যালয়ত ভাৰপ্ৰাপ্ত বিষয়া সকলক নিয়োগ কৰাত ৰাইজৰ কাম কাজ সমূহ যথেষ্ট লেহেমীয়া হোৱাটো কোনো পধ্যেই মানি লোৱা নহ'ব বুলি স্মাৰক পত্ৰ খনত উল্লেখ কৰি উক্ত কাৰ্যালয় সমূহত তাৎক্ষণিক ভাৱে স্থায়ী বিষয়া নিয়োগ কৰাৰ বাবে দাবী উত্থাপন কৰে। কামৰূপ জিলাৰ সন্মানীয় আয়ুক্ত গৰাকীয়ে ছাত্ৰ সন্থাৰ সজাঁতী দলটোক উক্ত সমস্যা সমূহ অতি শীঘ্ৰেই সমাধান কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে। আনহাতে উক্ত বিভাগ সমূহত শীঘ্ৰে স্থায়ী বিষয়া নিযুক্তি নকৰিলে হাজো আঞ্চলিক ছাত্ৰ সন্থাই অনাগত দিনত গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি ঘোষণা কৰে।

# বুলন কুমাৰ শইকীয়াৰ প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে নাহৰকটীয়াত বক্তৃতানুষ্ঠান সম্পন্ন



**অসম বাৰ্তা, নাহৰকটীয়া, ২৮ নৱেম্বৰ ঃ** একাধাৰে সাংবাদিক, নিবন্ধকা, কবিৰ, সাহিত্যিক আৰু সমালোচক বুলন কুমাৰ শইকীয়া স্মাৰক ন্যাসৰ উদ্যোগত আৰু নামফাকে বৌদ্ধ বিহাৰৰ সহযোগত নামফাকে বৌদ্ধ বিহাৰত আজি প্ৰথম বাৰ্ষিক বুলন কুমাৰ শইকীয়া স্মাৰক বক্তৃতানুষ্ঠান অনুষ্ঠিত হৈ যায়। এই সন্দৰ্ভত আজি নামফাকে বৌদ্ধ বিহাৰৰ প্ৰাংগণত ন্যাসৰ সভাপতি অমূল্য চেংলাৰিৰ পৌৰোহিত্যত এক সুন্দৰ পৰিৱেশত অনুষ্ঠিত হোৱা এক সভাত সত্যনিষ্ঠ সাংবাদিকতা, আপোচকামিতা আৰু প্ৰত্যাহ্বান বিষয় হিচাপে লৈ হোৱা বক্তৃতানুষ্ঠানত বক্তা হিচাপে উপস্থিত থাকে ডিব্ৰুগডৰ জ্যেষ্ঠ সাংবাদিক দেৱজিৎ কটকী। ডিব্ৰুগড়ৰ জ্যেষ্ঠ সাংবাদিক তথা আমাৰ অসম কাকতৰ ষ্টাফ ৰিপৰ্টাৰ, সোণোৱাল বাৰ্তা কাকতৰ সম্পাদক ৰতন হাজৰিকাই আঁত ধৰা অনুষ্ঠানটোত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট উপন্যাসিক জুৰি বৰা বৰগোহাঞিও, নাহৰকটিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জ্যোতি প্ৰসাদ কোঁৱৰ, বৌদ্ধ বিহাৰৰ ভান্তে জ্ঞাণপাল মহাথেৰা, চাচনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসপ্ৰাপ্ত অধ্যক্ষ জয়ানন্দ বৰুৱা, অৱসপ্ৰাপ্ত শিক্ষক ভূপেন বুঢ়াগোহাঞিও, প্ৰাক্তন কুসুম্বৰ টাইৰাই গগৈ, আদিয়ে বুলন কুমাৰ শইকীয়াৰ কৰ্মৰাজিৰ ওপৰত বক্তব্য প্ৰদান কৰে। আনহাতে এই অনুষ্ঠানৰ মূল বক্তা হিচাপে উপস্থিত থকা দেৱজিৎ কটকীয়ে সত্যনিষ্ঠ সাংবাদিকতা, আপোচকামিতা আৰু প্ৰত্যাহ্বান সম্পৰ্কত এক সুন্দৰ বক্তব্য প্ৰদান কৰে। এই অনুষ্ঠানত বুলন কুমাৰ শইকীয়াৰ স্বৰচিত কবিতা পাঠ কৰে সুভামনি দত্ত তামুলী, সপ্না নাথ, জয়শ্ৰী বৰুৱা আৰু বুলন কুমাৰ শইকীয়াৰ একমাত্ৰ কন্যা ভৈৰৱী শইকীয়াই। আনহাতে মূল অনুষ্ঠানৰ পূৰ্বে বুলন কুমাৰ শইকীয়াৰ প্ৰতিচ্ছবিত বন্তি আৰু মাল্যাৰ্পণ কৰে ভানটে জ্ঞান পাল মহাথেৰাই। অনুষ্ঠানত উপস্থিত থাকে সমাজকৰ্মী প্ৰদীপ বুঢ়াগোহাঞি, চহা খেতিয়ক অমূল্য গগৈ, কমল মজুমদাৰ, সোণোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য বিশ্বজিৎ সোণোৱাল, ন্যাসৰ সম্পাদক বিক্ৰমাদিত্য দত্ত কাকতিয়ে শলাগৰ শৰাই আগবঢ়ুৱা অনুষ্ঠানত নামৰূপ, দুলীয়াজান, আৰু নাহৰকটীয়া ৰ শতাধিক ৰাইজ উপস্থিত থাকে।

# মহাত্মা গান্ধী একাডেমিৰ তৃতীয় বাৰ্ষিক অধিৱেশনৰ সফল সামৰণি

**অসম বাৰ্তা, শিমলীতোলা, ২৮ নৱেম্বৰ ঃ** গোৱালপাৰা জিলাৰ আগশাৰীৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয় মহাত্মা গান্ধীএকাডেমিৰ যোৱা ২৬ তাৰিখৰ পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হোৱা তৃতীয় বাৰ্ষিক অধিৱেশনৰ যোৱা কালি মুকলি ও বঁটা বিতৰণী সভাৰ জৰিয়তে আনুষ্ঠানিকভাৱে সফল সামৰণি পৰে। একাডে'মি পৰিচালনা সমিতিৰ সভাপতি আলতাফ হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বাঘমাৰা চৰ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ছোলেমান আলী আহমেদ। একাডেমি পৰিচালনা সমিতিৰ সম্পাদক শ্বাহ আলম ৰাব্বাণীয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। সভাত উপস্থিত অতিথি সকলে বাল্যবিবাহ নিৰ্মূল, নিচাজাতীয় দ্ৰব্য নিষিদ্ধকৰণ, শিশু শ্ৰমিক নিষিদ্ধকৰণ ওপৰত গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰাৰ উপৰিও বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকলৰ উদ্দেশ্যি তথ্যগধুৰ ভাষণ প্ৰদান কৰে। ভাষণত কয় যে ছাত্ৰ-ছাত্ৰীৰ সু-শিক্ষাৰ ক্ষেত্ৰত মাতৃৰ ভূমিকা অন্যতম, সমাজৰ প্ৰতিটো ঘৰৰ মাতৃয়ে ল'ৰা-ছোৱালীৰ শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব দিলেহে আজিৰ ছাত্ৰ-ছাত্ৰীয়ে অনাগত দিনত দেশৰ ভৱিষ্যত সু-নাগৰিক হিচাপে নিজকে গঢ় দিব পাৰিব বুলি উল্লেখ কৰে। উক্ত সভাত উপস্থিত থাকে শ্ৰী সূৰ্য গীৰি আঞ্চলিক পঞ্চায়ত সভানেত্ৰী বানেচা বেগম, ছাউথ বৰপেটা হাইস্কুলৰ প্ৰধান শিক্ষক আব্দুল বাৰিক মণ্ডল, গেৰুৱা কামাৰপোতা এম ই স্কুলৰ প্ৰধান শিক্ষক আব্দুল গনি, ভাটিপাৰা এল পি স্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ই মান আলীৰ লগতে স্থানীয় গণ্যমান্য ব্যক্তিসকল।

# ৰূপহীহাটত জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ এজন যুৱকৰ মৃত্যু

**অসম বাৰ্তা, ৰূপহীহাট, ২৮ নৱেম্বৰ ঃ** ৰূপহীহাটৰ কাছখাইতি গাঁৱৰ উদীয়মান যুৱক জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। যুৱকজন ১৫ দিন পূৰ্বে জ্বৰত আক্ৰান্ত হোৱাত পৰিয়ালৰ লোকে চিকিৎসালয়ত ভৰ্ত্তি কৰোৱাই যদিও চিকিৎসকে জাপানীজ এনকেফেলাইটিছ ৰোগ বুলি জানিব দিয়ে। আনোৱাৰ হুছেইনক ১৫ দিন ধৰি গুৱাহাটী জি এম চি এইচত চিকিৎসাধীন অৱস্থাত যোৱা নিশা যুৱক জনৰ মৃত্যু হয়। জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা যুৱকজনৰ নাম আছিল আনোৱাৰ হুছেইন। তেখেতৰ মৃত্যুৰ সময়ত বয়স আছিল ২৫ বছৰ। যুৱক জনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে ৰূপহীহাটৰ প্ৰাক্তন বিধায়ক আব্দুল আজিজৰ লগতে অগপ নেত্ৰী আঞ্জুমা বেগম আৰু অগপ নেতা আবুবক্কৰ ছিদ্দিকসহ অঞ্চলবাসীয়ে। আজি ৰাতি পুৱা ১০টা বজাত যুৱক জনৰ নিজা বাসভৱনত শ-শ লোকৰ উপস্থিতিত তেওঁৰ শেষকৃত্য জানাজাৰ নামাজ সম্পন্ন কৰা হয়। তেওঁৰ জানাজাৰ নামাজত ৰূপহীহাটৰ প্ৰাক্তন বিধায়ক আব্দুল আজিজ, শিঙিমাৰী জিলা পৰিষদৰ সদস্য ইব্ৰাহিম আলীৰ লগতে অগপ নেতা আবু বক্কৰ ছিদ্দিকে অংশ লয়।

## দেশপ্ৰেমৰ চানেকি, দূৰদৰ্শী চিন্তা-চেতনাৰে অগ্ৰসৰ নহ'লে মেৰুদণ্ডহীন ৰাজনীতিয়ে জাতিক অধিক বিপৰ্যয়ৰ মুখলৈ ঠেলি দিব ঃ আলফা (স্বাঃ)

# 'প্ৰতিবাদ দিৱস'ত জেনেৰেল পৰেশ অসমৰ আহ্বান

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২৮ নৱেম্বৰ ঃ** ১৯৯০ চনৰ ২৮ নৱেম্বৰ দিনটো অসমৰ ইতিহাসৰ এটা বিশেষ দিন। এই দিনটোতে নিষিদ্ধ ঘোষিত সংগঠন ইউনাইটেড লিবাৰেশ্যন ফ্ৰণ্ট অৱ আছাম (আলফা) ৰ বিৰুদ্ধে "অপাৰেচন বজৰং" নামৰ এক বৃহৎ সামৰিক অভিযান আৰম্ভ হৈছিল। ১৯৯০ চনৰ ২৮ নৱেম্বৰৰ পৰা ১৯৯১ চনৰ ২০ এপ্ৰিললৈ আলফাৰ বিৰুদ্ধে ভাৰতীয় সেনাই চলাইছিল এই অভিযান। আজি ২৮ নৱেম্বৰ অৰ্থাৎ নিষিদ্ধ ঘোষিত সংগঠনটোৰ "প্ৰতিবাদ দিৱস" উপলক্ষে সংযুক্ত মুক্তি বাহিনী, অসম (স্বাধীন) ৰ প্ৰচাৰ বিভাগৰ সহঃ সম্পাদক ২য় লেঃ ঈশান অসমে সংগঠনৰ উচ্চতম পৰিষদৰ সভাপতি জেনেৰেল পৰেশ অসমৰ এক অভিভাষণ বিবৃতি যোগে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰে। উক্ত বিবৃতিত জেনেৰেল পৰেশ অসমে উল্লেখ কৰিছে এনেদৰে - "ঔপনিৱেশিক ভাৰত ৰাষ্ট্ৰই নিজৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক স্বাৰ্থ পূৰণৰ উদ্দেশ্যেৰে তেওঁলোকৰ সংবিধানৰ ৩৫৬ অনুচ্ছেদ প্ৰৱৰ্তনেৰে ক'লা আইন জাপি দি 'অপাৰেচন বজৰং' ৰ যোগেদি যুদ্ধৰ সূচনা কৰা ২৮ নৱেম্বৰৰ দিনটোয়ে আজি ৩৫টা বছৰ অতিক্ৰম কৰিলে। ঐতিহাসিকভাৱে সমৃদ্ধ জাতিৰ হেৰুৱা স্বাধীনতা পুনঃপ্ৰতিষ্ঠাৰ আকাংক্ষাক যুদ্ধাবাজ ৰাষ্ট্ৰযন্ত্ৰই একপক্ষীয় যুদ্ধৰ সূচনা কৰি অসমৰ সন্মিলিত জাতীয় মুক্তি বিপ-ৱক নিঃশেষ কৰিব বিচৰাৰ উপৰিও অসমৰ গণপ্ৰতিবাদী সত্বাক গচকি-মোহাৰি টেটু চেপি ধৰাতো পুব আকাশত উদিত ৰঙা বেলিটোৰ দৰেই সত্য। সেয়েহে শত-সহস্ৰ অসম সন্তানৰ কলিজাৰ কেঁচা তেজেৰে সিক্ত মুক্তি বিপ্লৱৰ বুৰঞ্জীৰ পৃষ্ঠাত ২৮ নৱেম্বৰৰ তাৎপৰ্য অপৰিসীম। আজিৰ এই দিনটোত সেই সকল 'অমৰ মৃতক'ৰ তেজ ৰঙা স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে তেখেত সকলৰ আত্মীয়-স্বজনলৈ সমবেদনা জনালোঁ আৰু কাললৈ ঘূণীয়া হোৱা সকলৰ আশু-আৰোগ্য কামনা কৰিছোঁ।" পৰেশ অসমে লগতে আজিৰ এই ২৮ নৱেম্বৰৰ অভিশপ্ত দিনটো গৰিমামণ্ডিত প্ৰতিগৰাকী থলগিৰিৰ দেহৰ কোঁহে-কোঁহে প্ৰৱহমান বুলি কৈ আনকি দখলদাৰী ৰাষ্ট্ৰৰ ঔপনিৱেশিক চৰিত্ৰ আৰু দমন নীতিক প্ৰজন্মৰ পাছত প্ৰজন্মই তেওঁলোকৰ মানসপটৰ মচি পেলাব নোৱাৰে। ঔপনিৱেশিক ৰাষ্ট্ৰৰ শোষণ-লুণ্ঠন, দমন-উৎপীড়নৰ শাসন ওফৰাই স্বদেশৰ হৃত 'স্বাধীনতা' পুনঃপ্ৰতিষ্ঠাৰ হকে অসম সন্তানে ঐতিহাসিক গধুৰ জাতীয় দায়িত্ব আৰু কৰ্তব্য কান্ধ পাতি লৈ শেষ বিন্দু তেজ থকালৈকে যুঁজি যাব বুলি কৈ এয়া জন্মভূমিৰ আকুল আহবান বুলিও উল্লেখ কৰে। তেওঁ লগতে কয়, "বাস্তৱ প্ৰেক্ষাপটত দেশপ্ৰেমৰ চানেকি, দূৰদৰ্শী চিন্তা-চেতনাৰে অগ্ৰসৰ নহ'লে মেৰুদণ্ডহীন ৰাজনীতিয়ে জাতিক অধিক বিপৰ্যয়ৰ মুখলৈ ঠেলি দিব। জাতীয় জীৱনৰ সৰ্বগ্ৰাসী দুৰ্যোগৰ সন্ধিক্ষণত নিৰ্লিপ্ততা বা মৌনতাই অসম তথা থলগিৰিৰ অস্তিত্বৰ শেষ ৰক্ষা কৰিব নোৱাৰিব আৰু স্বদেশৰ মুক্তিৰ প্ৰশ্নত, জাতিৰ প্ৰাপ্য অধিকাৰ প্ৰতিষ্ঠা নোহোৱালৈকে ঐতিহাসিক দায়িত্ব আৰু কৰ্তব্যত অবিচল থাকি মুক্তি বিপ্লৱ আগুৱাই নিবলৈ আলফা দৃঢ় প্ৰতিজ্ঞ। ন্যায় প্ৰতিষ্ঠাৰ এই অবিৰত যাত্ৰাৰ পথ পৰিক্ৰমা কেতিয়াও সেন্দূৰীয়া নহয়। তথাপি আমাৰ জীৱন যিমানেই দুৰ্বিষহ নহওক, প্ৰাণ বিসৰ্জন দি হ'লেও সফলতাৰ সু-উচ্চ শিখৰত আৰোহণ কৰিবই লাগিব। বিপ্লৱৰ এই কণ্টকাকীৰ্ণ পথ পৰিক্ৰমাত আৰ্জিত সশস্ত্ৰ ৰাজনৈতিক সচেতনতা আৰু ৰণকৌশলৰ নিখুঁত প্ৰয়োগেৰে বিপ্লৱী ধাৰাক ত্বৰান্বিত কৰিব লাগিব।" বৰ্তমান বিশ্বৰ পৰিৱৰ্তিত ৰাজনীতি আৰু ঔপনিৱেশিক ভাৰত প্ৰশাসনৰ দৃশ্য-অদৃশ্য সংহাৰী পন্থাৰ মুখামুখি হ'বলৈ আলফা সংগঠনে আক্ৰমণাত্মক আৰু প্ৰতিৰোধী কৌশল অব্যাহত ৰাখিব বুলি কৈ থলগিৰি ৰাইজক এই সিদ্ধান্তত অটল থাকিবলৈ আহবান জনায়। স্বাধীন সাৰ্বভৌম অসম প্ৰতিষ্ঠাৰ লক্ষ্যৰে আলফা সংগঠনৰ জন্ম হোৱা বুলি কৈ আজিও মাউখে অবিচল পণ আৰু "কায়া থকালৈকে ছাঁয়া"টো থকাৰ দৰে পৰাধীনতাৰ গ্লানিৰ পৰা দেশ মুক্ত নোহোৱালৈকে স্বাধীনতাৰ ৰণাঙ্গণ উজ্জীৱিত হৈ থাকিব বুলি বিবৃতিত উল্লেখ কৰিছে। ঔপনিৱেশিক ৰাষ্ট্ৰযন্ত্ৰই সুজলা-সুফলা অসমক চিৰকাল উপনিৱেশ হিচাপে ৰাখি ইয়াৰ সম্পদৰাজি ব্যাপকভাৱে শোষণ-লুণ্ঠনেৰে হিন্দীবলয়ক সৰ্বতোপ্ৰকাৰ সমৃদ্ধিশালী কৰিব বিচাৰিছে বুলি কৈ ঔপনিৱেশিক ভাৰতীয় সেনা বাহিনীৰ জিঘাংসা পৰিতৃপ্তিয়ে অসমৰ সমগ্ৰ জাতিসত্বাক কোঙা কৰি তোলাৰ পাছতো দখলী ভাৰতীয় সেনাবাহিনীয়ে অসমক বধ্যভূমিলৈ ৰূপান্তৰ কৰিবলৈ ক্ষমতা দিয়া বৰ্বৰ আইনখনৰ আঁচলৰ ছাঁত থাকি বীৰত্ব দেখুৱাবলৈ উক্ত আইনখন আঁতৰোৱাৰ ক্ষেত্ৰত একাংশই বিৰোধিতা কৰি অহাটো পৰিতাপৰ কথা বুলি কৈ জেনেৰেল পৰেশ অসমে স্ব-ভূমিৰ মুক্তিকামী শক্তি "সংযুক্ত মুক্তি বাহিনী, অসম (স্বাধীন)" সংগঠনক একাংশই শক্তিহীন বুলি তুচ্ছ-তাচ্ছিল্য কৰিলেও তুহ জুইৰ দৰে জ্বলি থকা থলগিৰি অসমৰ স্বাধীনতা লব্ধ সিদ্ধান্ত চিৰ জাগ্ৰত, বৰলুইতৰ বোৱতি সুঁতিৰ দৰে, আকাংক্ষিত সূৰ্যোদয়ৰ পিনে ধাৱমান বুলি অভিহিত কৰে। বিবৃতিত উল্লেখ অনুসৰি, জন্মলগ্নৰেপৰা সংগঠনৰ ভিতৰত বিভাজনৰ চক্ৰান্ত, মনস্তাত্বিক যুদ্ধৰ প্ৰয়োগেৰে নিত্য নতুন ছল-চাতুৰী আজিকোপতি অব্যাহত থকাৰ উপৰিও সংগঠনৰ চলন্ত শিবিৰসমূহত বাৰে বাৰে অত্যাধুনিক প্ৰযুক্তি ব্যৱহাৰেৰে সামৰিক অভিযান চলাই সংগঠনৰ নেতা-বিষয়া-সদস্য/সদস্যাৰ প্ৰাণো কাঢ়ি নিছে। ইয়াৰ জ্বলন্ত উদাহৰণ যোৱা ১৩ জুলাইৰ পুৱতি নিশাৰ বৰ্বৰ ড্ৰোণ আক্ৰমণ বুলি কৈ উক্ত আক্ৰমণত আলফা স্বাধীন সংগঠনৰ দুগৰাকী শীৰ্ষ নেতা আৰু এগৰাকী সাধাৰণ সদস্যৰ জীৱন নাশ হোৱাৰ লগতে বহুকেইগৰাকী বিষয়া-সদস্য গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱা বুলি কৈ পৰেশ অসমে যোৱা ২৩ নৱেম্বৰত সংগঠনৰ নিম্ন পৰিষদৰ সাধাৰণ সম্পাদক আৰু এগৰাকী অনায়োগ বিষয়াক কৌশলেৰে অপহৰণ কৰি লৈ যোৱা বুলিও উল্লেখ কৰে। ঐতিহাসিক 'শৰাইঘাট ৰণ'ত স্বদেশৰ সাৰ্বভৌমত্ব অক্ষুণ্ণ ৰখাৰ স্বাৰ্থত "দেশতকৈ মোমাই ডাঙৰ নহয়" বুলি হুংকাৰ দিয়া মহাবীৰ লাচিতৰ দেশৰ উদ্দীপ্ত প্ৰজন্মই দখলীকৃত শত্ৰুৰ ওচৰত কেতিয়াও শিৰণত নকৰে বুলি কৈ আলফা (স্বাঃ) আৰু 'জাতীয় মুক্তি বিপ্লৱ'ৰ অবিনাশী জাতীয় সত্বাক ঔপনিৱেশিক ভাৰতীয় শাসক আৰু দখলদাৰী বাহিনীসমূহৰ সামৰিক অভিযান আৰু ছল-চাতুৰীৰ দৰে অপশক্তিয়ে পলকতে নিঃশেষ কৰি পেলাব নোৱাৰে বুলি কৈ সংগঠনৰ শক্তি আৰু প্ৰতিভূৰ আকৰ অসমৰ থলগিৰি জনগণ বুলি কয়।

# মাজুলী দক্ষিণপাট গৃহাশ্ৰমী সত্ৰত গদ্য সাহিত্যৰ জনক ভট্টদেৱ ভটাচাৰ্যৰ ৪৬৭ সংখ্যক জন্ম জয়ন্তী পালন

**অসম বাৰ্তা, বনগাঁও, ২৮ নৱেম্বৰ ঃ** দক্ষিণ পূৱ এছিয়াৰ প্ৰথম গৰাকী গদ্য সাহিত্যৰ জনক কবি ৰত্ন বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্যৰ ৪৬৭ সংখ্যক জন্ম জয়ন্তী দুদিনীয়া কাৰ্যসূচীৰে ২৭ নৱেম্বৰ বৃহস্পতিবাৰৰ পৰা মাজুলী শ্ৰীশ্ৰী দক্ষিণপাট গৃহাশ্ৰমী সত্ৰত পালন কৰে। আজি ২৮ নৱেম্বৰলৈ অনুষ্ঠিত হোৱা জন্ম জয়ন্তীৰ প্ৰথম দিনা ভাগৱত ভট্টাচাৰ্যৰ তৈল চিত্ৰত গৃহাশ্ৰমী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দ্দন দেৱ গোস্বামীয়ে বন্তি প্ৰজ্বলন কৰি প্ৰথম দিনাৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছত শ্ৰীশ্ৰী ৰমানন্দ দেৱ গোস্বামী সংস্কৃত বেদ পাঠশালাৰ আচাৰ্য, বেদাচাৰ্যৰ মাজত ভট্ট দেৱ ভট্টাচাৰ্যৰ আধ্যাত্মিক ধ্যান ধাৰণাৰ বিষয়ত এখনি আধ্যাত্মিক সত্ৰ অনুষ্ঠিত হয়। আজি জন্ম জয়ন্তীৰ দ্বিতীয় অন্তিম দিৱসৰ লগত সংগতি ৰাখি গৃহাশ্ৰমী সত্ৰৰ পৰিয়াল তথা বেদ বিদ্যালয়ৰ সমূহ কৰ্ম্মকৰ্ত্তা আৰু সমবেত বিশিষ্ট ব্যক্তিৰ উপস্থিতিত জ্যেষ্ঠ নাগৰিক বদন শৰ্মাক এখনি চেলেং চাদৰেৰে বৰণ কৰাৰ অন্ততঃ বন্তি প্ৰজ্বলন ও পুষ্পাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। শ্ৰীশ্ৰী দামোদৰ দেৱৰ প্ৰিয় শিষ্য কবিৰত্ন ভট্টদেৱৰ জীৱন শৈলীৰ আৰু জন্ম জয়ন্তীৰ তাৎপৰ্য ওপৰত শ্ৰীশ্ৰী দক্ষিণপাট গৃহাশ্ৰমী সত্ৰৰ সত্ৰাধিকাৰ গোস্বামীয়ে এক আধ্যাত্মিক ভাষণ আগবঢ়ায় কয় যে গুৰু ভট্ট দেৱ ১৪৮০ শকাব্দত আঘোন মাহৰ শুক্লাষ্টমী তিথি সোমবাৰে কামৰূপৰ বিছানকুচিত জন্ম হৈছিল। তেওঁৰ পিতৃৰ নাম কবি সৰস্বতী আৰু মাতৃৰ নাম আছিল তাৰা দেৱী। দামোদৰ দেৱৰ আজ্ঞানুসৰি তেওঁ দামোদৰী সাহিত্যৰ ধাৰা সৃষ্টি কৰিছিল। কথা ভাগৱত, কথা গীত কথা ভক্তি ৰত্নাৱলী, শ্ৰীমদ্ভভক্তি বিবেক আদি গ্ৰন্থ লিখিছিল। পিছলৈ দামোদৰ দেৱৰ ইচ্ছা মতেই পাটবাউসী সত্ৰৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছত ১৬২৮খ্ৰীষ্টাব্দত ব্যাসকুচিত সত্ৰ প্ৰতিষ্ঠা কৰিছিল। ভট্টদেৱ গোস্বামীৰ সূক্ষ্ম দৰ্শনে বৈদিক বৈষ্ণৱ ভাগৱতী ধৰ্ম্মই দামোদৰীয় বৈষ্ণৱ বাদক উজ্জ্বলাই তুলিছিল। সেই গৰাকী মহান পুৰুষৰ ১৫৬০শক অৰ্থ ১৬৩৮খ্ৰীষ্টাব্দৰ পুহ মাহৰ কৃষ্ণ সপ্তমী তিথিত তেওঁৰ তিৰোভাৱ হৈছিল। জন্ম জয়ন্তীৰ সামৰণি অনুষ্ঠানত মুখ্য বক্তা হিচাবে উপস্থিত থকা মাজুলী জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়াই শ্ৰীশ্ৰী ভট্টদেৱৰ জীৱনাৰ্দশৰ ওপৰত এক তাত্বিক ভাষণ আগবঢ়ায় নৱ প্ৰজন্মক নিজৰ ভাষা সংস্কৃতিৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায়। প্ৰসংগত বক্তা গৰাকীয়ে বেদ পাঠশালাৰ শিক্ষাৰ্থী সকলক দক্ষিণ পূৱ এচিয়াৰ প্ৰথম গদ্য সাহিত্যৰ জনক কবিৰত্ন বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্যৰ এখনি ৰচনা লিখিবলৈ পৰামৰ্শ আগবঢ়ায়। প্ৰথম দ্বিতীয় আৰু তৃতীয় স্থান প্ৰাপ্ত শিক্ষাৰ্থীক একোটিকৈ পুৰস্কাৰেৰে পুৰস্কৃত কৰা হ"ব বুলি বক্তা গৰাকীয়ে ঘোষণা কৰে। ভট্টদেৱ ৰচিত গীত মাতৰে জন্ম জয়ন্তী সামৰণি পৰে।

## শুকান সুঁতিৰ ওপৰত পকী দলং নিৰ্মাণ কৰাৰ দাবী অসাৰ; এইবাৰ দলঙ নহ'লে পশ্চিম চিৰাম দেউৰীবাসীৰ নিৰ্বাচনত দিয়াৰ হুংকাৰ

# স্বাধীনতাৰ ৭৭ বছৰৰ পিছতো এখন বাঁহৰ দলঙেই সাৰথি উজনি মাজুলীৰ পশ্চিম চিৰাম দেউৰীৰ জনসাধাৰণৰ

**অসম বাৰ্তা, মাজুলী, ২৮ নৱেম্বৰ ঃ** দেশে স্বাধীনতা লাভ কৰা ৭৭ বছৰ অতিক্ৰম কৰিলে যদিও উজনি মাজুলীৰ পশ্চিম চিৰাম দেউৰী গাঁৱৰ লোক সকলে বৰ্তমানেও বাঁহৰ দলঙকে যাতায়তৰ সাৰথি কৰি ৰাখিব লগা হৈছে। শুকান সুঁতি নামৰ ব্ৰহ্মপুত্ৰৰ এটা চেৰাসূতি প্ৰবাহিত হৈ আছে। খৰালি উপ পথেৰে যাতায়ত কৰিব পাৰি যদিও বাৰিষা প্ৰায় ছমাহ দিন বাঁহৰ দলঙেৰে যাতায়ত কৰি আহিছে বছৰৰ পিছত বছৰ ধৰি। চিৰাম দেউৰী গাঁৱৰ ৰাইজে শুকান সুঁতিৰ ওপৰত এখন স্থায়ী দলঙ নিৰ্মাণ কৰাৰ বাবে প্ৰতিটো চৰকাৰৰ ওচৰত দাবী জনায় আহিছে যদিও এইক্ষেত্ৰত চৰকাৰে কোনো ধৰণৰ সহযোগিতা আগবঢ়োৱা নাই বুলি অঞ্চলটোৰ ৰাইজে অভিযোগ উত্থাপিত কৰিছে। উল্লেখ্য যে প্ৰায় শতাধিক পৰিয়াল বাস কৰা পশ্চিম চিৰাম দেউৰী গাঁৱৰ জনসাধাৰণ আৰু বিভিন্ন শিক্ষানুষ্ঠানত অধ্যয়ন কৰা ছাত্ৰ ছাত্ৰী, চৰকাৰী, বেচৰকাৰী কৰ্মচাৰী, ব্যৱসায়ী আদি লোক সকল বাৰিষা সময়ত বিপদ সংকুল ভাৱে অহা যোৱা কৰিব লাগে। উন্নয়নৰ ফটাঢোল কোবোৱা চৰকাৰে মাজুলীৰ ভিতৰুৱা অঞ্চলৰ ৰাইজৰ দুখ দুৰ্দশা দেখিও ধৃতৰাষ্ট্ৰৰ ভাওদিয়া বুলি ৰাইজে ক্ষোভ প্ৰকাশ কৰে। নিৰ্বাচনৰ সময়ত নিৰ্বাচনী বৈতৰণী পাৰ হোৱাৰ নিমিত্তে ৰাজনৈতিক দল সমূহে প্ৰতিটো চৰকাৰে মিছা প্ৰতিশ্ৰুতিৰে জনসাধাৰণক আভুৱা ভাৰি আহিছে। নিৰ্বাচনত জয়ী হৈ জনপ্ৰতিনিধিয়ে পাহৰি যায় নিৰ্বাচনত দিয়া প্ৰতিশ্ৰুতিৰ কথা। যাৰ ফলত জনসাধাৰণে ভোগ কৰা দুৰ্ভোগৰ পৰিত্ৰাণ নাই। সি যি কি নহওক এই বাৰ জনসাধাৰণে কঁকালত তঙালি বান্ধিছে। 'হয় ৰঙা মাটি নহয় গুৱাহাটী' মাজুলী সমষ্টিৰ বিধায়কক পশ্চিম চিৰাম দেউৰী জনসাধাৰণে দীৰ্ঘদিন ধৰি ভোগ কৰি অহা সমস্যাৰ পৰা পৰিত্ৰাণ পাবলৈ শুকান সুঁতিৰ ওপৰত এখন পকী দলং নিৰ্মাণ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ পুনৰ দাবী জনাইছে। কাৰণ মাজুলী সমষ্টিৰ বিধায়ক হিচাবে ৭৭ বছৰীয়া যাতনাৰ ওৰ পেলোৱাটো দায়িত্ব। যদি নিৰ্বাচনৰ পূৰ্বে দলঙ নিৰ্মাণৰ উদ্যোগ নলয় তেতিয়াহলে সমাগত নিৰ্বাচনত ইয়াৰ যোগ্য প্ৰত্যুত্তৰ দিব বুলি ৰাইজে সঁকিয়াই দিছে।

# প্ৰাইভেট স্কুলৰ শিক্ষকৰ দুৰ্গতি মোচনাৰ্থে চৰকাৰী

ব্যয় কৰি শিক্ষক নিযুক্তি দি শিক্ষাদানৰ আৰু শিক্ষালাভৰ ব্যৱস্থা কৰি আহিছে। এনে বহুবোৰ বিদ্যালয়ে অনেক সময়ত বহুতো আৰ্থিক দৈন্য ভোগ কৰি আহিছে। বিদ্যালয়সমূহৰ অভ্যন্তৰত পাঠদান কৰাৰ ক্ষেত্ৰত অনেক আলৈ আহুকাল যেনে-পৰ্যাপ্ত পৰিমাণৰ প্ৰয়োজনাধিক ডেস্ক-বেঞ্চৰ অভাৱ, শ্ৰেণীকোঠাৰ অভাৱ, পাঠদান বাবে শৈক্ষিক দিশৰ আহিলা-উপকৰণাদিৰ অভাৱ আৰু কেতিয়াবা দক্ষতাসম্পন্ন শিক্ষক-শিক্ষয়িত্ৰীৰো অভাৱ পৰিলক্ষিত হয়। বিশেষ অৰ্হতা, অভিজ্ঞতা তথা উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাৱতো এনেধৰণৰ বহু বিদ্যালয়ত শিক্ষাৰ্থীসকলক ভাল তথা উৎকৃষ্ট শিক্ষা দিব পৰা নাযায়। সৰহকৈ ধন বা বেতন দি পাৰদৰ্শী শিক্ষকসকলক বহু সময়ত ৰাখিবও পৰা নাযায়। অৱশ্যে পৰ্যাপ্ত পৰিমাণৰ শিক্ষক-শিক্ষয়িত্ৰী আজিৰ তাৰিখত নাই বুলিও ক'ব নোৱাৰি। বহু বহুবোৰ দুৰ্গতি-দুৰৱস্থা মূৰ পাতি লৈও আমাৰ সমাজৰ বহু সচেতন নাগৰিককে প্ৰাইভেট স্কুলবোৰ বছৰ বছৰ জুৰি চলাই আছে আৰু চলিও আছে।

এইখিনিতে মনত এটা প্ৰশ্ন উদয় হৈছে। সম্প্ৰতি আমাৰ চৰকাৰে একোবাৰ আমাৰ এই পৰ্যায়ত থকা বিদ্যালয় বা বিদ্যালয়সমূহৰ শিক্ষক সমাজক লৈ কিছু কিছু যোগাত্মক কথা-বতৰাৰ চিন্তা-চৰ্চা কৰি চাব নোৱাৰেনে? বেচৰকাৰী বিদ্যালয়সমূহ তিলিকতে চৰকাৰী বা প্ৰাদেশিকীকৰণ কৰি তুলিব নোৱাৰে সঁচা কথা। কাৰণ বিদ্যালয় চৰকাৰীকৰণ কৰাৰ ক্ষেত্ৰত ভালেমানবোৰ জটিল আৰু কঠিন চৰ্ত থাকে, যিবোৰ অতি সহজতে সমাধান কৰিব নোৱাৰে। কিন্তু আমি ভাবোঁ চৰকাৰে ইচ্ছা কৰিলে শিক্ষক সমাজৰ প্ৰতি এটি মহান কাম সমাধানকল্পে কিছু সঁহাৰি নিশ্চয় আগবঢ়াব পাৰে। সেয়া হৈছে স্থায়ীভাৱে নহ'লেও অপ্ৰাদেশীকৃত আৰু সম্পূৰ্ণ প্ৰাইভেট পৰ্যায়ৰ শিক্ষকসকলৰ বাবে যদি বছৰত এবাৰকৈ হ'লেও এককালীনভাৱে যদিহে চৰকাৰৰ ঘৰৰ পৰা ন্যূনতম কিছু আৰ্থিক সঁহাৰি আগবঢ়াই কিছু মৰমৰ দৃষ্টি নিক্ষেপ কৰে তেতিয়াও আমাৰ চৰকাৰী দৰমহা নোপোৱা শিক্ষক সমাজে যৎকিঞ্চিত হ'লেও সন্তুষ্টি লাভ কৰিব পাৰে। আমি এতিয়া চকুৰ আগতেই দেখি আহিছোঁ অসম চৰকাৰে অতি সম্প্ৰতি জনগণৰ সুবিধাৰ্থে নানান প্ৰকাৰৰ আঁচনি উদ্ভাৱন কৰি বহুবোৰ পুৰুষ-মহিলা আৰু ছাত্ৰ-ছাত্ৰীক প্ৰভাৱান্বিত কৰিছে, সহায়-সহযোগাদি কৰাৰ সংকল্পও লৈছে।

কথাবোৰ এইদৰে ভবাৰ অৱশ্যে যুক্তিও নথকা নহয়। কাৰণ অসম চৰকাৰে শিক্ষাৰ্থীসকলৰ মাজত চাইকেল, মটৰ চাইকেল, লেপটপ, টেবলেট আদি দিয়াৰ উপৰিও শেহতীয়াকৈ নিযুত মইনা আঁচনিৰ জৰিয়তে দহ-বাৰ হেজাৰ, পঁচিশ হেজাৰ পৰ্য্যন্ত টকা দিয়াৰ কথা ঘোষণা কৰিছে। লাখপতি বাইদেউ, অৰুণোদয় আঁচনিৰ আওতাৰে মহিলা আত্মসহায়ক গোটৰ সদস্যাক দহ হেজাৰ টকাৰ চেক বিতৰণ কৰিছে, দুখীয়া-মধ্যবিত্তলোকক বিনামূলীয়াকৈ চাউল, দাইলৰ দৰে ব্যৱহাৰ্য খাদ্যবস্তু উপকৰণৰ যোগান ধৰিছে তেনেক্ষেত্ৰত বছৰ বছৰজুৰি নিজৰ লঘোণীয়া কঁকালত পানী গামোচা বান্ধি অতি কষ্ট স্বীকাৰ কৰি পাঠদান কৰা শিক্ষক সমাজক কিছু পৰিমাণে আৰ্থিক সাহায্য প্ৰদান কৰা কাৰ্যত কি অপৰাধ থাকিব পাৰে? সেয়েহে কোৱা হয় যে - শিক্ষক হৈছে একোডাল মমবাতিসদৃশ যি নিজে জ্বলি জ্বলি পোহৰ বিলাই নিজে শেষ হৈ যায়। কথাষাৰ আমাৰ শিক্ষক সমাজৰ ক্ষেত্ৰত যেন সম্পূৰ্ণ প্ৰযোজ্য হৈছে। আমাৰ সমাজৰ শিক্ষকসকলো ঠিক এনেকুৱাই, নিজৰ সৰ্বস্ব শেষ কৰি শিক্ষাৰ্থী সমাজক অবিৰতভাৱে শিক্ষা দি যায়। অথচ শিক্ষকে শেষান্তৰত একোকে নাপায়। এয়া বাৰু স্বাৰ্থত্যাগী শিক্ষকৰ বাবে কম পৰিতাপৰ বিষয় নহয়নে?

আমি লক্ষ্য কৰিছোঁ যে একো একোজন শিক্ষকে ওৰেটো জীৱন জুৰি ভেঞ্চাৰ স্কুলত শিক্ষকতা কৰি অতি কম বেতনেৰে কাল যাপন কৰিবলগীয়া হয়। মানৱ সম্পদ গঢ়াত ব্ৰতী এইসকল শিক্ষকে চৰকাৰীভাৱে একোকে সহায় সাহায্য নোপোৱাকৈয়ে কৰ্মজীৱনৰ অৱসান ঘটাব লগা হৈছে। ইয়াৰ মাজেদিয়েই অপৰিসীম পৰিশ্ৰম কৰিও নিজৰ ল'ৰা-ছোৱালীক খুউৱা-পিন্ধোৱাৰ উপৰিও পঢ়াব-শুনাবলগীয়াও হৈছে। এয়া বাৰু কম পৰিতাপৰ বিষয়নে? আমি ভাবোঁ চৰকাৰে মাজে-মধ্যে এনে দুখ-দুৰ্গতিত ভুগি থকা শিক্ষক সমাজৰ কথা একোবাৰ ভাৱিবলৈকো কেতিয়াবা সময় উলিয়াব নোৱাৰিবনে? ক্ষমতাৰ গাদীত থকা অসমৰ ৰজাঘৰে এনে যোগাত্মক চিন্তা কৰাটোও নিশ্চয়কৈ সমীচীন হ'ব বুলি ক'ব খোজোঁ।

# ৰাজ্যৰ ৩ লাখ চাহ শ্ৰমিককৈ ভূমি পট্টা

বিধায়ক অখিল গগৈয়ে তীব্ৰ প্ৰতিবাদ জনোৱাত সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। মুখ্যমন্ত্ৰীয়ে সঁহাৰি জনায়, "অখিল গগৈয়ে চাহ শ্ৰমিকক মাটি দিয়াটো ভাল নাপায়। তেওঁ চাহ জনগোষ্ঠীৰ বিৰোধী।" তাৰ পিছতে শাসকীয় দলৰ বিধায়কসকলে 'অখিল গগৈ মুৰ্দাবাদ', 'কৃষক বিৰোধী' আদি শ্ল'গান দিয়ে। কিছু সময়ৰ বাবে সদনত উত্তেজনা বিয়পি পৰে যদিও অধ্যক্ষৰ হস্তক্ষেপত পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহে। চাহ জনগোষ্ঠীৰ মাটিৰ পট্টাৰ এই ঐতিহাসিক সিদ্ধান্তই অসমৰ চাহ বাগিচাৰ লাখ লাখ শ্ৰমিকৰ জীৱনত নতুন আশাৰ ৰেঙণি জ্বলাই তুলিছে বুলি ৰাজনৈতিক মহলে মন্তব্য কৰিছে।

# তামিলনাড়ু-অন্ধ্ৰ উপকূলত কেইবাখনো জিলাত ৰেড

উপকূলত আঘাত হানিব বুলি ভাৰতীয় বতৰ বিজ্ঞান বিভাগে সতৰ্কবাণী জাৰি কৰিছে। বৰ্তমান শ্ৰীলংকাৰ ত্ৰিংকোমালীৰ পৰা মাত্ৰ ২০০ কিলোমিটাৰ, পুডুচেৰীৰ পৰা ৬১০ কিলোমিটাৰ আৰু চেন্নাইৰ পৰা ৭০০ কিলোমিটাৰ দক্ষিণ-পূবত অৱস্থান কৰি থকা এই ঘূৰ্ণীবতাহটোৱে বিগত ছয় ঘণ্টাত ঘণ্টাত ১৫ কিলোমিটাৰ বেগেৰে উত্তৰ দিশে আগবাঢ়িছে। অহা ২৪ ঘণ্টাত দক্ষিণ উপকূলীয় অন্ধ্ৰপ্ৰদেশ আৰু ৰায়ালসীমা অঞ্চলত প্ৰচণ্ড বতাহৰ লগতে ধাৰাসাৰ বৰষুণৰ সম্ভাৱনা আছে বুলি অন্ধ্ৰপ্ৰদেশ দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই জনাইছে। ৩০ নৱেম্বৰৰ বাবে প্ৰকাশম, নেল্লোৰ, কদাপা, আন্নমলাই, তিৰুপতি আৰু চিত্তুৰ জিলাত ৰেড এলাৰ্ট জাৰি কৰা হৈছে। মাছমৰীয়াসকলক ২৯ নৱেম্বৰৰ পৰা ১ ডিচেম্বৰলৈকে সাগৰত নামিবলৈ কঠোৰভাৱে নিষেধ কৰা হৈছে আৰু কৃষকসকলকো সাৱধানতা অৱলম্বন কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। বৰষুণৰ পূৰ্বাভাস অনুসৰি আজিৰে পৰা দক্ষিণ উপকূলীয় অন্ধ্ৰপ্ৰদেশৰ বহু ঠাইত প্ৰচণ্ডৰ পৰা অতি প্ৰচণ্ড বৰষুণ হ'ব পাৰে। ২৯ নৱেম্বৰত নেল্লোৰ, চিত্তুৰ আৰু তিৰুপতিত অতি প্ৰচণ্ড বৰষুণৰ সম্ভাৱনা আছে, আনহাতে প্ৰকাশম, আন্নমলাই আৰু কদাপাত ধাৰাসাৰ বৰষুণৰ আশংকা কৰা হৈছে। তামিলনাডু আৰু পুডুচেৰীতো ২৮ৰ পৰা ৩০ নৱেম্বৰলৈকে প্ৰচণ্ডৰ পৰা অতি প্ৰচণ্ড বৰষুণৰ সতৰ্কতা জাৰি হৈছে। কেৰালাত ২৭ৰ পৰা ২৯ নৱেম্বৰ আৰু তেলেংগানাত ৩০ নৱেম্বৰৰ পৰা ১ ডিচেম্বৰলৈকে মধ্যমীয়াৰ পৰা প্ৰচণ্ড বৰষুণৰ সম্ভাৱনা আছে। ঘূৰ্ণীবতাহ 'দিত্বাহ'ৰ প্ৰভাৱত দক্ষিণ ভাৰতৰ এই ৰাজ্যসমূহত ইতিমধ্যে বতৰৰ আমূল পৰিৱৰ্তন ঘটিছে আৰু প্ৰশাসনে সকলো প্ৰকাৰৰ প্ৰস্তুতি তীব্ৰতৰ কৰিছে। উপকূলীয় অঞ্চলৰ বাসিন্দাসকলক সাৱধানে থাকিবলৈ আৰু প্ৰয়োজনীয় সামগ্ৰী মজুত ৰখাৰ পৰামৰ্শ দিয়া হৈছে।

# আজি লুটুমাৰীত বৃহৎ উচ্ছেদ

এই বিশাল ভূমি দীৰ্ঘদিন ধৰি বেদখল হৈ আছিল। প্ৰায় ১৫০০ পৰিয়ালে এই ঠাইত অবৈধভাৱে ঘৰ সাজি বসবাস কৰি আহিছিল। তিনিমাহ পূৰ্বে প্ৰথম জাননী জাৰি কৰাৰ পিছত বেদখলকাৰীসকলে সময় বিচৰাত প্ৰশাসনে অতিৰিক্ত সময় দিছিল। কিন্তু সেই সময়সীমা শেষ হোৱাত শেহতীয়াকৈ অন্তিম জাননী জাৰি কৰি শনিবাৰে উচ্ছেদ অভিযান চলোৱাৰ কথা ঘোষণা কৰা হৈছে। ইতিমধ্যে অঞ্চলটোত বিশাল নিৰাপত্তা বাহিনী মোতায়েন কৰা হৈছে। শুকুৰবাৰে বন বিভাগৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতে লুটুমাৰী অঞ্চল পৰিদৰ্শন কৰি নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মাই মাইকযোগে সকলোকে স্বেচ্ছাই বনভূমি ত্যাগ কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, "চৰকাৰী মাটি কোনেও বেদখল কৰি ৰাখিব নোৱাৰে। ৰাইজৰ অনুৰোধত আমি পৰ্যাপ্ত সময় দিছোঁ। কাৰো ঘৰ পুলিচ লৈ ভাঙিবলৈ আমি বিচৰা নাই। এদিনৰ ভিতৰত সকলোৱে নিজৰ ইচ্ছাৰে বেদখলমুক্ত কৰক।" জিলা আয়ুক্তৰ এই আহ্বানৰ পিছতে একাংশ পৰিয়ালে নিজৰ ঘৰ ভাঙি আঁতৰিবলৈ আৰম্ভ কৰে। উচ্ছেদস্থলীত উপস্থিত থকা বন বিভাগৰ বিশেষ মুখ্য সচিব এম কে যাদৱে কয়, "উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি প্ৰথমে ছাৰ্ভে কৰা হৈছিল, তাৰ পিছত জাননী জাৰি কৰা হৈছে। যিসকলে বেআইনীভাৱে বসবাস কৰি আছে, তেওঁলোকক কাইলৈ উচ্ছেদ কৰা হ'ব। ইতিমধ্যে বহু পৰিয়ালে নিজৰ ইচ্ছাৰে ঠাই এৰি যাবলৈ লৈছে।" লুটুমাৰীৰ ৬ হাজাৰ বিঘা আৰু ওচৰৰ বৰপানী বনাঞ্চলৰ ১৬০০ বিঘা ভূমি বেদখলমুক্ত হ'লে নগাঁৰৰ ৰাইজে দীৰ্ঘদিনীয়া হাতী-মানুহ সংঘাতৰ পৰা মুক্তি পাব বুলি বিষয়াসকলে আশা প্ৰকাশ কৰিছে। শনিবাৰে হ'বলগীয়া এই বৃহৎ উচ্ছেদ অভিযানক লৈ অঞ্চলটোত তীব্ৰ উত্তেজনাৰ সৃষ্টি হৈছে।

# হংকঙৰ ৱাং ফুক ক'ৰ্টত ভয়ংকৰ অগ্নিকাণ্ডত নিহতৰ

পোৱা তথ্য অনুসৰি নিহতৰ সংখ্যা ১২৮ লৈ বৃদ্ধি পাইছে আৰু এতিয়াও শ শ লোকৰ সন্ধান পোৱা নাই। প্ৰায় দুহেজাৰ এপাৰ্টমেণ্ট থকা আঠটা টাৱাৰৰ এই বিশাল আৱাসিক কমপ্লেক্সটো বিশ্বৰ অন্যতম ঘনবসতিপূৰ্ণ আৰু ওখ ব্লকৰ ভিতৰত এটা। বুধবাৰে বিয়লি হঠাৎ জুইৰ লেলিহে আৰম্ভ হোৱা এই অগ্নিকাণ্ডই কেইঘণ্টামানৰ ভিতৰতে গোটেই কমপ্লেক্সটোক ধ্বংসস্তূপত পৰিণত কৰে। অগ্নিনিৰ্বাপক বাহিনীয়ে তিনিদিন ধৰি নিৰৱচ্ছিন্নভাৱে কাম কৰি আছে যদিও এতিয়াও কেইবাটাও এপাৰ্টমেণ্টত উদ্ধাৰকাৰ্য চলি আছে। উদ্ধাৰকাৰী দলে সাতটা টাৱাৰৰ প্ৰতিটো ইউনিটত প্ৰৱেশ কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। অগ্নিনিৰ্বাপক সেৱাৰ উপ-সঞ্চালক ডেৰেক আৰ্মষ্ট্ৰং চানে জনোৱা মতে, উদ্ধাৰ অভিযান প্ৰায় শেষৰ পিনে হ'লেও কিছু ঠাইত এতিয়াও কাম চলি আছে। এই অভিযানত ১১জন অগ্নিনিৰ্বাপকক সামৰি ৭০ জনতকৈ অধিক লোক আহত হৈছে। বৃহস্পতিবাৰে পুৱালৈকে ২৭৯জন লোকৰ সৈতে যোগাযোগ বিচ্ছিন্ন হৈ আছিল বুলি হংকঙৰ প্ৰশাসনিক মুৰব্বীজন লীয়ে কৈছিল যদিও তেওঁলোকৰ পৰৱৰ্তী অৱস্থাৰ কোনো খবৰ এতিয়াও প্ৰকাশ কৰা হোৱা নাই। নিশাৰ ভিতৰতে প্ৰায় নশ লোকক অস্থায়ী আশ্ৰয় শিবিৰলৈ স্থানান্তৰ কৰা হৈছে। উদ্ধাৰৰ লগতে এই ভয়াৱহ অগ্নিকাণ্ডৰ কাৰণ তদন্তৰ কামো তীব্ৰগতিত চলি আছে। হংকঙৰ আৰক্ষীয়ে ইতিমধ্যে তিনিজন লোকক গ্ৰেপ্তাৰ কৰিছে। ধৃতসকলৰ ভিতৰত এটা নিৰ্মাণ কোম্পানীৰ পৰিচালক আৰু এজন অভিযান্ত্ৰিক পৰামৰ্শদাতা আছে। আৰক্ষীৰ জ্যেষ্ঠ অধীক্ষক আইলিন চুঙে কয় যে কোম্পানীটোৰ দায়িত্বত থকাসকলে গুৰুতৰ গাফিলতি কৰিছে বুলি প্ৰাথমিক ধাৰণা হৈছে। বৃহস্পতিবাৰে আৰক্ষীয়ে প্ৰেষ্টিজ কনষ্ট্ৰাকচন এণ্ড ইঞ্জিনিয়াৰিং কোম্পানীৰ কাৰ্যালয়ত তালাচী চলাই বহু গুৰুত্বপূৰ্ণ নথি-পত্ৰ জব্দ কৰিছে। এই কোম্পানীয়েই কমপ্লেক্সটোৰ সংস্কাৰৰ কামৰ দায়িত্বত আছিল। হংকঙৰ এই দুৰ্যোগে পুৰণি আৱাসিক অট্টালিকাৰ অগ্নি সুৰক্ষা ব্যৱস্থা আৰু সংস্কাৰৰ মানদণ্ডক লৈ গভীৰ প্ৰশ্নৰ সৃষ্টি কৰিছে। স্থানীয় সংবাদ মাধ্যমে এই ঘটনাক চহৰখনৰ ইতিহাসৰ অন্যতম ভয়ংকৰ দুৰ্ঘটনা বুলি অভিহিত কৰিছে।

# 'প্ৰেৰণা' আঁচনিৰ শুভাৰম্ভ ঃ দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীলৈ

লগতে ৰাজ্যৰ আদৰ্শ বিদ্যালয়সমূহত অধ্যয়নৰত CBSEৰ দশম শ্ৰেণীৰ পৰীক্ষাৰ্থীসকলেও এই জলপানিৰ যোগ্যতা ৰাখিব। প্ৰথম পৰ্যায়ত এই সুবিধা চাৰিমাহৰ বাবে প্ৰদান কৰা হ'লেও অহা বছৰৰ পৰা ইয়াক ছমাহলৈ বৃদ্ধি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে শিক্ষাৰ্থীসকলৰ বাবে আৰু দুটা ডাঙৰ সুখবৰ দিয়ে। তেওঁ কয়, "এইবাৰৰ পৰা পঞ্চম শ্ৰেণীতো চৰকাৰী চাইকেল দিয়া হ'ব। অৰ্থাৎ এতিয়াৰ পৰা পঞ্চম শ্ৰেণী আৰু নৱম শ্ৰেণীত দুবাৰকৈ ছাত্ৰ-ছাত্ৰীসকলে চৰকাৰী চাইকেল লাভ কৰিব।" 'প্ৰেৰণা' আঁচনিৰ জৰিয়তে ৰাজ্য চৰকাৰে দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক অধিক মনোযোগেৰে পঢ়া-শুনাত মনোনিৱেশ কৰিবলৈ উৎসাহিত কৰাৰ লগতে তেওঁলোকৰ সামান্য পৰিমাণৰ দৈনন্দিন খৰচৰ বোজা লাঘৱ কৰাৰ লক্ষ্য ৰাখিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। কলাক্ষেত্ৰৰ সমাৰেশত উপস্থিত হোৱা শিক্ষাৰ্থী, অভিভাৱক আৰু শিক্ষকসকলে এই আঁচনিক আদৰণি জনাইছে আৰু অসমৰ শিক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ এই পদক্ষেপক এক যুগান্তকাৰী বুলি অভিহিত কৰিছে।

# চৰাইদেউত স্থাপিত হ'ব চাওলুং ছ্যু-কা-ফা বিশ্ববিদ্যালয়

বিশ্বমানৰ বিশ্ববিদ্যালয় স্থাপনৰ পথ মুকলি হ'ল। আহোম সাম্ৰাজ্যৰ প্ৰথম ৰাজধানী চৰাইদেউতে এই বিশ্ববিদ্যালয় স্থাপনৰ জৰিয়তে যেন ইতিহাসৰ পুনৰাবৃত্তি ঘটিল বুলি শিক্ষাবিদ তথা ৰাজনৈতিক মহলে মন্তব্য কৰিছে। বিশ্ববিদ্যালয়খনে অসমীয়া সভ্যতা, ঐতিহ্য আৰু জাতীয় পৰিচয়ৰ সমন্বয়ৰ লগতে আধুনিক বিজ্ঞান-প্ৰযুক্তি, কৃত্ৰিম বুদ্ধিমত্তা (AI), স্কিল ডেভেলপমেণ্ট আৰু উদ্ভাৱনৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰিব। ইয়াৰ উপৰি আঞ্চলিক কৃষি, জৈৱ-বৈচিত্ৰ্য, পৰ্যটন আৰু দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ সৈতে শিক্ষাগত-সাংস্কৃতিক বিনিময়ৰ ওপৰতো বিশেষ গৱেষণা কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰৰ 'এক্ট ইষ্ট পলিচি'ৰ সফল বাস্তৱায়নৰ বাবেও এই বিশ্ববিদ্যালয় এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে কাম কৰিব বুলি আশা কৰা হৈছে। বিধেয়ক গৃহীত হোৱাৰ পিছতে সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে সংবাদ মাধ্যমৰ আগত কয়, "এই বিশ্ববিদ্যালয় কেৱল এটা শিক্ষানুষ্ঠান নহয়, অসমৰ ঐতিহ্য আৰু আধুনিকতাৰ মিলনক্ষেত্ৰ হ'ব। ই অসমৰ নতুন প্ৰজন্মক বিশ্বমানৰ শিক্ষা আৰু গৱেষণৰ সুযোগ প্ৰদান কৰিব।" তেওঁ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, 'বৰলুইত একাডেমিক ট্ৰাষ্ট ফাউণ্ডেছন', বিভিন্ন জাতীয় সংগঠন আৰু স্থানীয় ৰাইজক এই সপোন বাস্তৱায়িত কৰাত অৱদানৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। বিশ্ববিদ্যালয়খন IIT আৰু IIMৰ মানদণ্ডত আধুনিক পৰিকল্পনাৰে গঢ় লৈ উঠিব আৰু আন্তঃৰাষ্ট্ৰীয় মানৰ শিক্ষা-গৱেষণাৰ কেন্দ্ৰ হিচাপে পৰিচিত হ'ব বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। এই পদক্ষেপে অসমৰ উচ্চশিক্ষাৰ ক্ষেত্ৰত নতুন দিগন্ত মুকলি কৰাৰ লগতে ৰাজ্যৰ যুৱ সমাজৰ সপোন পূৰণৰ এক শক্তিশালী মঞ্চ হৈ উঠিব বুলি আশা কৰা হৈছে। চৰাইদেউৰ মাটিত পুনৰ এবাৰ জাগ্ৰত হ'বলগীয়া আহোম গৌৰৱৰ এই শৈক্ষিক যাত্ৰাই অসমৰ শিক্ষা-সংস্কৃতিৰ নতুন অধ্যায়ৰ সূচনা কৰিলে বুলি সৰ্বত্ৰে মত প্ৰকাশ পাইছে।

# বিধানসভাত স্থাপন হ'ব ডিটেনশ্যন কোঠা!

নিলম্বিত হোৱা বিধায়কক ৰখা হ'ব ডিটেনশ্যন কোঠাত উল্লেখ্য যে অসম বিধানসভাৰ পাঁচদিনীয়া শীতকালীন অধিৱেশনৰ আজি সদনত তৃতীয় দিনাৰ কামকাজ প্ৰশ্নোত্তৰ ঘণ্টাত আৰম্ভ হোৱাৰ সময়তে হুলস্থূল কৰাৰ বাবে পুনৰ নিলম্বিত হয় শিৱসাগৰৰ বিধায়ক অখিল গগৈ। বিধায়ক গগৈৰ নিলম্বনৰ পাছতেই সদনত উপস্থিত থকা উদ্যোগ মন্ত্ৰী বিমল বৰাই সদন কয় যে নিলম্বিত বিধায়কসকলক ৰখাৰ বাবে আন ৰাজ্য সমূহৰ বিধানসভাত থকা ডিটেনশ্যন কোঠা থকাৰ দৰে অসম বিধানসভাতো ডিটেনশ্যন কোঠা স্থাপনৰ পোষকতা কৰে। মন্ত্ৰী গৰাকী সহ আন কে'বাজনো বিধায়কৰ মন্তব্য শুনাৰ পিছতেই বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে কয় যে নিলম্বিত বিধায়কৰ বাবে অসম বিধানসভাত অচিৰেই স্থাপন কৰা ডিটেনশ্যন কোঠা। অৱশ্যে ইয়াৰ বাবে বিধিগতভাৱে প্ৰণয়ন কৰা হ'ব নিয়ম।

# সদনত গৰ্জি উঠিল শাসক! 'অখিল গগৈ মূৰ্দাবাদ' ধ্বনি

পট্টা প্ৰদানৰ সংশোধনী বিধেয়কৰ ওপৰত হোৱা আলোচনাৰ মাজতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিৱসাগৰৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈৰ মাজত ব্যক্তিগত পৰ্যায়ৰ তীব্ৰ বাকযুদ্ধ আৰম্ভ হয়। মুখ্যমন্ত্ৰীয়ে অখিল গগৈক সোধে, "প্ৰণৱ বড়ো নামৰ এজন জনজাতীয় লোকক আপুনি উচটাই মৃত্যুমুখত ঠেলি দিছিল নেকি?" তাৰ প্ৰত্যুত্তৰত অখিল গগৈয়ে পাল্টা আক্ৰমণ কৰি কয়, "মই কাকো হত্যা কৰা নাই, হত্যাকাৰী আপুনিহে।" মুখ্যমন্ত্ৰীয়ে আকৌ কয়, "জনজাতীয় এলেকাত মাটি দখল কৰা একমাত্ৰ বিধায়ক আপুনি। প্ৰণৱ বড়োক জ্বলাই দিয়াৰ কথা মনত পৰেনে? আপোনাৰ লাজ নালাগে? ৩৫ লাখ চাহ বাগিচাৰ মানুহে মাটিৰ পট্টা পাব বাবে আপুনি বেয়া পাইছে।" তাৰ উত্তৰত অখিল গগৈয়ে মুখ্যমন্ত্ৰীক ওলোটাই সুধিছে, "মানৱেন্দ্ৰ শৰ্মাৰ নামটো মনত আছেনে?" এই বাকযুদ্ধৰ মাজতে শাসকীয় দলৰ বিধায়কসকলে 'অখিল গগৈ মূৰ্দাবাদ' ধ্বনি দি উঠে আৰু সদনত কেইমিনিটমানৰ বাবে হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। অধ্যক্ষৰ হস্তক্ষেপত পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহিল যদিও মুখ্যমন্ত্ৰী আৰু অখিল গগৈৰ মাজৰ এই ব্যক্তিগত আক্ৰমণে সদনৰ গাম্ভীৰ্য্যক প্ৰশ্নৰ মুখত পেলাইছে। চাহ জনগোষ্ঠীৰ মাটিৰ পট্টাৰ দৰে ঐতিহাসিক বিধেয়কৰ আলোচনাৰ মাজতো দুয়োজন নেতাৰ পুৰণি ব্যক্তিগত কাজিয়া সদনলৈ আহি পৰাত বিৰোধী দলৰ সদস্যসকলে তীব্ৰ প্ৰতিবাদ জনায়। বিধানসভাৰ এই দৃশ্যই ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশৰ ক্ৰমাৎ উত্তেজনাৰ ইংগিত দিছে বুলি ৰাজনৈতিক মহলে মন্তব্য কৰিছে।

# ৪ ডিচেম্বৰত ভাৰতলৈ আহিব পুটিন

ভ্লাদিমিৰ পুটিনে। অহা ৪ আৰু ৫ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া এই দুদিনীয়া সফৰত তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব আৰু ২৩সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব। এই সফৰক কেন্দ্ৰ কৰি দুয়োখন দেশৰ মাজত কেইবাটাও গুৰুত্বপূৰ্ণ ক্ষেত্ৰত নতুন চুক্তি আৰু ঘোষণাৰ সম্ভাৱনাই কূটনৈতিক মহলত উত্তেজনাৰ সৃষ্টি কৰিছে। সূত্ৰই প্ৰকাশ কৰা মতে, ভাৰতে ৰাছিয়াৰ পৰা অতিৰিক্ত এছ-৪০০ ট্ৰায়াম্ফ এয়াৰ ডিফেন্স চিষ্টেমৰ নতুন অৰ্ডাৰ দিব পাৰে। ২০১৮ চনত হোৱা চুক্তিৰ অধীনত পাঁচটা স্কোয়াড্ৰনৰ ভিতৰত তিনিটা ইতিমধ্যে ভাৰতত উপস্থিত হৈছে আৰু বাকী দুটা ২০২৬ চনৰ ভিতৰত আহিব। ইয়াৰ উপৰি একে-২০৩ ৰাইফলৰ যৌথ উৎপাদনক ত্বৰান্বিত কৰা, ব্ৰহ্মোছ ক্ষেপণাস্ত্ৰৰ নতুন সংস্কৰণৰ কথা আৰু 'মেক ইন ইণ্ডিয়া'ৰ অধীনত প্ৰতিৰক্ষা সঁজুলিৰ যৌথ নিৰ্মাণৰ ওপৰতো নতুন বুজাবুজি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা উজ্জ্বল। শক্তি ক্ষেত্ৰটোতো এই সফৰে নতুন দিগন্ত মুকলি কৰিব বুলি আশা কৰা হৈছে। আমেৰিকাৰ নিষেধাজ্ঞাৰ চাপৰ মাজতো ভাৰতে ৰাছিয়াৰ তেল ক্ৰয় অব্যাহত ৰাখিছে আৰু এইবাৰ ৰাছিয়াই অধিক ৰেহাইৰ প্ৰস্তাৱ আগবঢ়াইছে। এলএনজি যোগান, কয়লা আমদানি আৰু ভৱিষ্যতৰ গেছ পাইপলাইন প্ৰকল্পৰ ক্ষেত্ৰত দীৰ্ঘম্যাদী চুক্তিৰ পথ মুকলি হ'ব পাৰে। কুদানকুলাম পাৰমাণৱিক বিদ্যুৎ কেন্দ্ৰৰ নতুন ইউনিটৰ কামৰ অগ্ৰগতিৰ লগতে সৰু মডিউলাৰ ৰিয়ে"ৰ প্ৰযুক্তিৰ সহযোগিতাৰ বিষয়েও আলোচনা হ'ব। বাণিজ্যৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ পদক্ষেপৰ সম্ভাৱনা আছে। ২০২৪-২৫ বিত্তীয় বৰ্ষত দুয়োখন দেশৰ মাজত মুঠ বাণিজ্য ৬৮.৭ বিলিয়ন ডলাৰলৈ বৃদ্ধি পালেও ভাৰতৰ ৰপ্তানি মাত্ৰ ৪.৮৮ বিলিয়ন ডলাৰহে। এই বিশাল ব্যৱধান কমোৱাৰ বাবে ভাৰতীয় সামগ্ৰীক ৰাছিয়াৰ বজাৰত বিশেষ প্ৰৱেশৰ সুবিধা দিয়াৰ কথা ঘোষণা হ'ব পাৰে আৰু টকা-ৰুবলত বাণিজ্যৰ পৰিমাণ বৃদ্ধিৰ বাবেও নতুন পথ মুকলি হ'ব। মহাকাশ ক্ষেত্ৰত ৰাছিয়াৰ ৰস্কোচমছৰ সৈতে ভাৰতৰ গাগানিয়ান অভিযানত অধিক সহযোগিতাৰ ঘোষণা আহিব পাৰে। লগতে ৰাছিয়াৰ চৰকাৰী সংবাদ মাধ্যম আৰ টি-ৰ ভাৰতীয় সংস্কৰণ 'আৰ টি ইণ্ডিয়া' চেনেলো ৰাষ্ট্ৰপতি পুটিনৰ উপস্থিতিতে উদ্বোধন হ'ব। সৰ্বোপৰি দুয়োখন দেশৰ মাজত বিশেষ কৌশলগত অংশীদাৰিত্বৰ ২৫ বছৰ পূৰ্ণ হোৱাৰ সন্ধিলগ্নত এখন 'ভিজন ডকুমেণ্ট' প্ৰকাশ পাব, য'ত পৰৱৰ্তী দশকৰ বাবে প্ৰতিৰক্ষা, শক্তি, মহাকাশ, বাণিজ্য আৰু বিজ্ঞান-প্ৰযুক্তিৰ ক্ষেত্ৰত যৌথ ৰোডমেপ সন্নিৱিষ্ট হ'ব। ইউক্ৰেইন যুদ্ধ আৰু পাশ্চাত্যৰ নিষেধাজ্ঞাৰ মাজতো অটুট হৈ থকা ভাৰত-ৰাছিয়াৰ বন্ধুত্বৰ এই সফৰে নতুন মাত্ৰা যোগ কৰিব বুলি কূটনৈতিক মহলে আশা প্ৰকাশ কৰিছে।

# কেৰালালৈ কাম বিচাৰি গৈ পাঁচ মাহে নিৰুদ্দেশ বালিডোঙাৰ

অনিশ্চয়তাৰ মাজত দিন কটিছে। গাঁৱৰ বাসিন্দা তিনি সন্তানৰ পিতৃ ওচমান আলি পাঁচ মাহ পূৰ্বে কৰ্মসংস্থানৰ সন্ধানত কেৰালালৈ গৈছিল আৰু তেতিয়াৰ পৰা আজিলৈকে তেওঁৰ কোনো খবৰ নাই। ওচমানৰ পত্নী ৰমিজা বেগমে জনোৱা মতে, স্বামীয়ে কেৰালাত উপস্থিত হোৱাৰ পিছত প্ৰথম কেইদিনমান ফোনত কথা পাতিছিল। কিন্তু হঠাৎ ফোন বন্ধ হৈ যোৱাত চিন্তা বাঢ়িবলৈ ধৰিলে আৰু ক্ৰমে যোগাযোগ একেবাৰে বিচ্ছিন্ন হৈ পৰিল। বহু চেষ্টাৰ পিছতো কোনো সন্ধান নোপোৱাত অৱশেষত ৰমিজাই ইটাখোলা আৰক্ষী চকীত এজাহাৰ দাখিল কৰে যদিও পাঁচ মাহ পাৰ হোৱাৰ পিছতো আৰক্ষীয়ে ওচমানৰ কোনো হদিশ উলিয়াব পৰা নাই। তিনিটা সৰু সৰু সন্তানৰ সৈতে অসহায় হৈ পৰা ৰমিজা বেগমে কয়, "মই এতিয়া কি কৰিম নাজানো। স্বামীৰ খবৰ নাই, ঘৰৰ খৰচ কেনেকৈ চলাব লাগে তাকে নাজানো।" পৰিয়ালটোৱে চৰকাৰৰ পৰা সহায়ৰ হাত আগবঢ়োৱাৰ লগতে সকলোকে ওচমানৰ সন্ধান দিয়াত সহযোগিতা কৰিবলৈ অনুৰোধ জনাইছে। কোনোবাই ওচমান আলিৰ বিষয়ে কোনো তথ্য পালে ৯৩৬৫৫৪৫৯৭৫ নম্বৰত তেওঁৰ পত্নী ৰমিজা বেগমৰ সৈতে যোগাযোগ কৰিবলৈ পৰিয়ালে আহ্বান জনাইছে। অঞ্চলটোত এই ঘটনাই গভীৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে আৰু বহিঃৰাজ্যত কৰ্মৰ সন্ধানত যোৱা যুৱকসকলৰ সুৰক্ষাৰ প্ৰশ্নটো পুনৰ উত্থাপিত হৈছে।

# চাহ জনগোষ্ঠীৰ প্ৰতিবাদে নিশ্চিত কৰিলে মনোজ

মহলে বিভিন্ন সমীক্ষা আগবঢ়াইছে। ডিগবৈ বিধানসভা সমষ্টিত একপ্ৰকাৰ প্ৰাৰ্থীত্বকেন্দ্ৰিক সংঘাতে মূৰ দাঙি উঠাৰ সময়তে নৱগঠিত মাকুম আৰু তিনিচুকীয়া সমষ্টিক লৈ ব্যাপক জল্পনা-কল্পনা অব্যাহত থকা পৰিলক্ষিত গৈছে। এক বিশ্বস্ত সূত্ৰই প্ৰকাশ কৰা মতে মাকুম সমষ্টিৰ প্ৰবল চৰ্চাত থকা ৰাজ্যিক বিজেপিৰ উপ-সভাপতি পুলক গোহাঁই আৰু যুৱনেতা ত্ৰিদীপজ্যোতি মৰাণৰ মাজত কোনোজনৰে ভাগ্যত নাই নতুন সমষ্টিটোৰ দলীয় প্ৰাৰ্থীত্বৰ সোৱাদ লোৱাৰ সৌভাগ্য। সূত্ৰটোৱে তাৎপৰ্যপূৰ্ণভাৱে প্ৰকাশ কৰা মতে মূৰকত গৈ মাকুম সমষ্টিৰ বিজেপিৰ টিকটটো হয়তো পাব পাৰে মনোজ ধানোৱাৰে। কাৰণ ডিগবৈ সমষ্টিৰ একেলেথাৰিয়ে ছটা কাৰ্যকালৰ বিধায়ক প্ৰয়াত ৰামেশ্বৰ ধানোৱাৰৰ পুত্ৰ তথা 'আম আদমী পাৰ্টী'ৰ প্ৰাক্তন অসম ৰাজ্যিক সভাপতি তথা ন-বিজেপি মনোজ ধানোৱাৰৰ প্ৰতি বিশেষ গুৰুত্ব আছে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ। একমাত্ৰ টিকট প্ৰাপ্তিৰ বাবেই আম আদমী এৰি কংগ্ৰেছত যোগ দিয়াৰ পৰিকল্পনা কৰিছিল যদিও অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে টিকট প্ৰদানৰ নিশ্চয়তাৰে যোগদান সম্ভৱ নহ'ব বুলি স্পষ্ট কৰি দিয়াত মনোজে বিজেপিত যোগ দিয়ে। অৱশ্যে বিজেপিত যোগ দিয়াৰ ক্ষেত্ৰত মনোজ ধানোৱাৰে কোনোধৰণৰ চৰ্ত ৰখা নাছিল। সেয়েহে তেওঁ প্ৰাৰ্থীত্বকেন্দ্ৰিক তৎপৰতা চলোৱাও নাছিল। কিন্তু 'ভবা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি' বোলা আপ্তবাক্যশাৰীৰ বিপৰীতে মনোজে নভৱাকে টিকট প্ৰাপ্তিৰ দিশে আগবাঢ়িল। ঘটনাক্ৰমটোও মন কৰিব লগীয়া। যোৱা ৮ অক্টোবৰ তাৰিখে প্ৰায় এক লক্ষ চাহ জনগোষ্ঠীয় লোকে জনজাতিৰ মৰ্যাদা বিচাৰি তিনিচুকীয়া চহৰ প্ৰতিবাদেৰে উত্তাল কৰাৰ সময়তে ডিব্ৰুগড়-তিনিচুকীয়া ভ্ৰমণৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই স্বচক্ষে প্ৰত্যক্ষ কৰে জনজাতিকৰণৰ দাবীত উলিওৱা সৰ্ববৃহৎ প্ৰতিবাদটো। চাহ জনগোষ্ঠীয় লোকৰ অভূতপূৰ্ব সমাৱেশ দেখি ভীতিগ্ৰস্ত হৈ পৰা মুখ্যমন্ত্ৰীগৰাকীয়ে তৎমুহূৰ্ততে মাকুম সমষ্টিত চাহ জনগোষ্ঠীয় নেতা মনোজ ধানোৱাৰক টিকট দিয়াৰ সিদ্ধান্ত চূড়ান্ত কৰে বুলিও সূত্ৰটোৱে কয়। সূত্ৰটোৱে আৰু কয় যে মাকুমৰ টিকটপ্ৰত্যাশী পুলক গোহাঁইক তিনিচুকীয়াৰ টিকটটো দি সঞ্জয় কিষাণক ৰাজ্যসভা কিম্বা অন্যান্য নিকায়-নিগমত মকৰল কৰিব। মুঠৰ ওপৰত দুয়োজন নেতাকেই সন্মান সহকাৰে ধৰি ৰাখিব মুখ্যমন্ত্ৰীয়ে। সূত্ৰটোৱে তাৎপৰ্যপূৰ্ণভাৱে জনোৱা মতে ৰামেশ্বৰ তেলীৰো দিল্লীৰ পৰা প্ৰত্যাৱৰ্তন ঘটিব পাৰে। ৰাজ্যসভাৰ সাংসদৰূপে বিশেষ সোৱাদ নোপোৱা তেলীয়ে পুনৰ দুলীয়াজানৰ বিধায়ক হোৱাৰ সপোন দেখিছে। তেওঁৰ সেই সপোনো যেন দিঠক হ'বলৈ গৈ আছে। উল্লেখ্য যে, মাকুম সমষ্টিত যদি মনোজ ধানোৱাৰৰ টিকট নিশ্চিত, তেন্তে ডিগবৈ সমষ্টিৰ টিকটৰ অংকটোৰ উত্তৰ উলিওৱাত সহজ হৈ পৰিব। অৰ্থাৎ অসম বিধানসভাৰ নিৰ্বাচনৰ বাবে দুজন মৰাণ সম্প্ৰদায়ৰ প্ৰাৰ্থীক প্ৰাৰ্থীত্ব দিয়াটো নিশ্চিত। শদিয়াত বলিন চেতিয়াৰ প্ৰাৰ্থীত্ব সুনিশ্চিত থকাৰ পাছত আন এগৰাকী মৰাণ সম্প্ৰদায়ৰ প্ৰাৰ্থীক প্ৰাৰ্থীত্ব প্ৰদান কৰিব লাগিব ডিগবৈত। ডিগবৈ সমষ্টিটোত অন্যান্য সম্প্ৰদায়ৰ প্ৰাৰ্থীসকলৰ লগতে টিকটৰ প্ৰবল দাবীদাৰৰ ভিতৰত আছে দুজন মৰাণ সম্প্ৰদায়ৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী। এজন বৰ্তমানৰ বিধায়ক সুৰেন ফুকন আৰু আনজন বিজেপিৰ তিনিচুকীয়া জিলা সমিতিৰ উপ-সভাপতি তথা সাংসদ প্ৰতিনিধি মূলেন্দ্ৰ মৰাণ। মূলেন্দ্ৰ মৰাণৰ উত্থানত ভীতিসন্ত্ৰস্ত হৈ ডিগবৈৰ বিধায়ক সুৰেন ফুকনে মূলেন্দ্ৰ মৰাণক "ভেন্সাৰ এম এল এক্স বুলিও তাচ্ছিল্য কৰা বিষয়টো সৰ্বজন বিদিত। উল্লেখ্য যে, কৰ্মযোগী বিধায়ক আখ্যা পোৱা সুৰেন ফুকনৰ বিৰুদ্ধে এইবাৰ যথেষ্ট প্ৰতিষ্ঠান বিৰোধী ঢৌৰ সৃষ্টি হোৱাৰ পৰিপ্ৰেক্ষিতত এইবাৰ টিকটৰ পৰা বঞ্চিত হ'ব বুলিয়েই বহুতে ধাৰণা কৰিছে যদিও মূৰকত তেৱেঁই টিকটটো পাব বুলিও এটা সূত্ৰই সদৰি কৰিছে। মুঠতে কোনে দলীয় টিকট লাভ কৰিব সেয়া সহজতে ক'ব পৰা নাযায় কাৰণ ৰাজনীতিক সদায় 'শেষ নিশাৰ খেল' বুলিও কোৱা হয়।

# আজি শিক্ষামন্ত্ৰীৰ বাসভৱন ঘেৰা কৰিব প্ৰাদেশিকীকৃত টিউটৰ শিক্ষকে

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৮ নৱেম্বৰ ঃ** ৫ বছৰৰ মূৰত মাহিলী মজুৰিত মাত্ৰ ৭২০ টকা বৃদ্ধিৰ চৰকাৰী সিদ্ধান্তৰ বিৰুদ্ধে চৰম ক্ষোভত বিস্ফোৰণ ঘটিছে সদৌ অসমৰ প্ৰাদেশিকীকৃত টিউটৰ শিক্ষকসকলৰ মাজত। "কণা হাঁহক পতান দিয়াৰ দৰে" বুলি এই বৃদ্ধিক উপহাস কৰি সদৌ অসম প্ৰাদেশিকীকৃত শিক্ষক (টিউটৰ) সংস্থাই কঠোৰ আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰিছে। বৃহস্পতিবাৰে নিশা জামুগুৰিহাটৰ পৰিদৰ্শন ভৱনত আয়োজিত সংবাদমেলত সংস্থাৰ সম্পাদক ভুৱন শৰ্মাৰ নেতৃত্বত বিষয়ববীয়াসকলে জনায় যে, অহা ২৯ নৱেম্বৰত ৰাজ্যৰ প্ৰায় ১৬ হেজাৰ টিউটৰ শিক্ষকে গুৱাহাটীত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ বাসগৃহ ঘেৰাও কৰিব। যদি সেইদিনাই সমস্যাৰ স্থায়ী সমাধান নহয়, তেন্তে মন্ত্ৰীৰ বাসভৱনৰ সন্মুখতে টিউটৰ শিক্ষকসকলে আত্মজাহৰ চৰম পদক্ষেপ ল'ব বুলি সতৰ্কবাণী প্ৰেৰণ কৰিছে। শিক্ষকসকলে অভিযোগ কৰে যে, বিগত পাঁচ বছৰ ধৰি তেওঁলোকে মাহিলী মাত্ৰ ১২, ০০০ টকা মজুৰি পাই আহিছে। এইবাৰ বিধানসভাত শিক্ষামন্ত্ৰীয়ে ঘোষণা কৰা বৃদ্ধি কেৱল ৭২০ টকাহে, যিটো বৰ্তমানৰ মজুৰিৰ মাত্ৰ ৬ শতাংশ। "এই ধনৰে জীৱন নিৰ্বাহ কৰাটো অসম্ভৱ হৈ পৰিছে। চৰকাৰে আমাক অপমান কৰিছে। এই অন্যায় আমি কেতিয়াও মানি নলওঁ, "বুলি সংবাদমেলত শিক্ষকসকলে ক্ষোভ প্ৰকাশ কৰে। সংস্থাই লগতে জনায় যে, দীৰ্ঘদিনৰ পৰা মজুৰি বৃদ্ধি, নিয়মীয়াকৰণ আৰু অন্যান্য প্ৰাপ্যৰ দাবীত বাৰম্বাৰ স্মাৰকপত্ৰ দিয়া সত্ত্বেও চৰকাৰে কোনো গুৰুত্ব নিদিয়ে। এইবাৰ চৰকাৰৰ "চৰম নিষ্ঠুৰতা"ৰ বিৰুদ্ধে তেওঁলোকে প্ৰতিবাদৰ পথে নামিবলৈ বাধ্য হৈছে। আগন্তুক ২৯ নৱেম্বৰৰ ঘেৰাও কাৰ্যসূচীত সমগ্ৰ অসমৰ পৰা টিউটৰ শিক্ষকসকল গুৱাহাটীত একত্ৰিত হ'ব বুলি সংস্থাই ঘোষণা কৰিছে। যদিহে চৰকাৰে এতিয়াও উপযুক্ত সন্মানজনক সমাধান নকৰে, তেন্তে আন্দোলনক আৰু কঠোৰ কৰাৰ সিদ্ধান্ত লোৱা হৈছে বুলি সংবাদমেলত স্পষ্ট কৰা হয়। টিউটৰ শিক্ষকসকলৰ এই চৰম পদক্ষেপৰ খবৰে শিক্ষা মহলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# দিল্লীৰ বিষাক্ত বতাহ ৰাহুল

কৰে। সেই বৈঠকৰ এটা ভিডিঅ' সামাজিক মাধ্যমত পোষ্ট কৰি ৰাহুলে লিখিছে, "মই যিসকল মাতৃৰ সৈতে কথা পাতিলোঁ, তেওঁলোকৰ মুখৰ একেই কথা — তেওঁলোকৰ সন্তান বিষাক্ত বতাহত ডাঙৰ হৈ আছে। মোদীজী, আপুনি এতিয়াও কিয় মৌন? আপোনাৰ চৰকাৰে কিয় এই সংকটৰ দায়িত্ব ল'বলৈ আগবাঢ়ি নাহে? ভাৰতৰ প্ৰতিটো শিশোৱে বিশুদ্ধ বায়ুৰ অধিকাৰী।" আচৰিত কথা যে, ৰাহুল গান্ধীৰ সমালোচনাৰ সমান্তৰালভাৱে বিজেপিৰ জ্যেষ্ঠ নেত্ৰী তথা প্ৰাক্তন আইপিএছ বিষয়া কিৰণ বেদীয়েও প্ৰধানমন্ত্ৰীৰ পোনপটীয়া হস্তক্ষেপ বিচাৰি সৰৱ হৈছে। নিজৰ এক্স (পূৰ্বতে টুইটাৰ) হেণ্ডেলত বেদীয়ে লিখিছে, "এই দৃশ্য বেদনাদায়ক আৰু হতাশাজনক। ছাৰ (narendramodi), অনুগ্ৰহ কৰি হস্তক্ষেপ কৰক।" তেওঁ দিল্লীৰ বৰ্তমানৰ পৰিস্থিতিক ক'ভিড মহামাৰীৰ সময়ৰ সৈতে তুলনা কৰি কয়, "ক'ভিডৰ সময়ত প্ৰধানমন্ত্ৰীয়ে যিদৰে দেশক একত্ৰিত কৰি নেতৃত্ব দিছিল, এই সংকটো চম্ভালিবলৈ তেওঁৰ দৰে সক্ষম আন কোনো নাই। যদি তেওঁ নিজে হস্তক্ষেপ নকৰে, তেন্তে অন্ততঃ দুজন মন্ত্ৰীক এই বিষয়ত দায়িত্ব দিয়ক। কাৰণ এই প্ৰদূষণ এতিয়া কেৱল দিল্লীৰ নহয়, একাধিক ৰাজ্যলৈ বিয়পি জনস্বাস্থ্যৰ বাবে গুৰুতৰ বিপদ হৈ পৰিছে।" দীপাৱলীৰ পিছৰে পৰা দিল্লীৰ বায়ুৰ মানদণ্ড অভূতপূৰ্বভাৱে অৱনতি ঘটিছে। পৰিৱেশ বিশেষজ্ঞসকলে কয় যে, ফটকা ফুটোৱা, পৰিবহণ নিৰ্গমন, নিৰ্মাণ ধূলি আৰু পাৰ্শ্বৱৰ্তী ৰাজ্যসমূহৰ খেৰৰ জুইৰ ধোঁৱাৰ সন্মিলিত প্ৰভাৱত এই সংকটে ভয়াৱহ ৰূপ লৈছে। দিল্লী চৰকাৰে এইবাৰ 'ক্লাউড ছিডিং'ৰ জৰিয়তে কৃত্ৰিম বৰষুণৰ পৰীক্ষা চলাইছিল যদিও তিনিবাৰকৈ চেষ্টা কৰি প্ৰায় ১.০৭ কোটি টকা খৰচ কৰি একো ফল নোপোৱাকৈয়ে বিফল হৈছে। ইফালে প্ৰদূষণৰ মাত্ৰা দিনকদিনে বাঢ়ি গৈছে। ৰাজধানীৰ এই বিষাক্ত বতাহে এতিয়া কেৱল ৰাজনৈতিক বিতৰ্ক নহয়, এক জাতীয় স্বাস্থ্য সংকটলৈ পৰিণত হৈছে। বিৰোধী আৰু শাসকীয় দলৰ নেতৃত্ব দুয়োটা দিশৰ পৰা প্ৰধানমন্ত্ৰীৰ হস্তক্ষেপৰ দাবী উঠাত এতিয়া সকলোৰে দৃষ্টি কেন্দ্ৰীয় চৰকাৰৰ পৰৱৰ্তী পদক্ষেপৰ ওপৰত নিবদ্ধ হৈ আছে।

# খেল' ইণ্ডিয়া বিশ্ববিদ্যালয়

সফলতা অৰ্জন কৰিছে। চণ্ডীগড় বিশ্ববিদ্যালয়ৰ হৈ অংশগ্ৰহণ কৰা হাজৰিকাই ৪১০০ মিটাৰ ফ্ৰী-ষ্টাইল ৰিলে ইভেণ্টত ৰূপৰ পদক লাভ কৰি অসমৰ গৌৰৱ বৃদ্ধি কৰে। ইয়াৰ লগতে ৪১০০ মিটাৰ মি'ড মিডলে ৰিলে ইভেণ্টত স্বৰ্ণ পদক অৰ্জন কৰে। এই মি'ড ৰিলে ইভেণ্টতেই অসমৰ মহিলা খেলুৱৈ জাহ্নৱী কাশ্যপো স্বৰ্ণ পদক লাভ কৰি অসমৰ সাঁতোৰ জগতত আনন্দৰ সঞ্চাৰ কৰিছে। অসম সাঁতোৰ সংস্থাৰ সাধাৰণ সম্পাদক ভাস্কৰ ৰঞ্জন দাস আৰু প্ৰচাৰ সচিব মুকুটেশ্বৰ গোস্বামীয়ে সংবাদ মাধ্যমক এই বিষয়ে জানিবলৈ দিয়াৰ লগতে দুয়ো বিজেতাকে উষ্ম অভিনন্দন জ্ঞাপন কৰিছে।

# মণিপুৰৰ টেংনৌপালত অসম

সূত্ৰই জানিবলৈ দিয়া মতে, অসম ৰাইফলছৰ এটা দল সীমান্তৰ সমীপত নিয়মীয়া টহল দি থকাৰ সময়তে সশস্ত্ৰ উগ্ৰপন্থীয়ে এম্বুছ ষ্টাইলত আক্ৰমণ কৰে। আক্ৰমণৰ খবৰ পোৱা মাত্ৰকৈ জোৱানসকলে সাৱধানতাৰে প্ৰত্যাক্ৰমণ চলায় আৰু অসামৰিক লোকৰ সুৰক্ষা নিশ্চিত কৰে। আহত জোৱানকেইজনক তাৎক্ষণিকভাৱে হেলিকপ্টাৰৰ জৰিয়তে ওচৰৰ সামৰিক চিকিৎসালয়লৈ স্থানান্তৰ কৰা হয়। তেওঁলোকৰ ভিতৰত এজনৰ অৱস্থা সংকটজনক বুলি চিকিৎসকসকলে জানিবলৈ দিছে, বাকীকেইজনো বিভিন্ন প্ৰকাৰৰ গুলী আৰু স্প্লিণ্টাৰৰ আঘাতত আহত হৈ উন্নত চিকিৎসাধীন হৈ আছে। প্ৰতিৰক্ষা মুখপাত্ৰই প্ৰকাশ কৰা বিবৃতিত কোৱা হৈছে যে, আক্ৰমণকাৰী দলটোৰ পৰিচয় এতিয়াও নিশ্চিত হোৱা নাই যদিও অঞ্চলটোত ব্যাপক সন্ধান অভিযান আৰম্ভ কৰা হৈছে। অতিৰিক্ত সৈন্য মোতায়েন কৰি গোটেই অঞ্চলটোত কৰ্ডন এণ্ড চাৰ্চ অপাৰেচন চলোৱা হৈছে। বিবৃতিটোত উগ্ৰপন্থীৰ ফালে হোৱা ক্ষতিৰ বিষয়ে কোনো তথ্য প্ৰকাশ কৰা হোৱা নাই। উল্লেখ্য যে, টেংনৌপাল জিলা দীৰ্ঘদিনৰ পৰা বিভিন্ন ম্যানমাৰভিত্তিক আৰু স্থানীয় উগ্ৰপন্থী গোটৰ সক্ৰিয়তাৰ কাৰণে সংবেদনশীল অঞ্চল হিচাপে পৰিচিত। বিগত কেইমাহমানৰ পৰা সীমান্তৰ এই অংশত সামৰিক উপস্থিতি উল্লেখযোগ্যভাৱে বৃদ্ধি কৰা হৈছিল যদিও এনে ধৰণৰ সাহসী আক্ৰমণে নতুন উদ্বেগৰ সৃষ্টি কৰিছে। বৰ্তমান পৰিস্থিতি সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণত আছে বুলি প্ৰতিৰক্ষা বিভাগে দাবী কৰিলেও স্থানীয় লোকে ভয়ৰ পৰিৱেশৰ কথা প্ৰকাশ কৰিছে। ঘটনাৰ তদন্ত আৰু উগ্ৰপন্থীৰ সন্ধানৰ কাম তীব্ৰতৰ কৰা হৈছে।

# জীয়াই থকাৰ প্ৰমাণ নাই ইমৰাণ

যোৱা ছয় সপ্তাহ ধৰি তেওঁৰ পিতৃক সম্পূৰ্ণৰূপে "অদৃশ্য" কৰি ৰখা হৈছে। পৰিয়ালৰ সৈতে কোনো যোগাযোগ, আইনজীৱীৰ সৈতে সাক্ষাৎ, এমেকি ফোনত কথা পতাও নিষিদ্ধ কৰা হৈছে। তেওঁৰ ভগ্নীসকলকো আদালতৰ স্পষ্ট নিৰ্দেশ থকা সত্ত্বেও সাক্ষাৎ কৰিবলৈ অনুমতি দিয়া হোৱা নাই। কাছিমে লিখিছে, "আমাৰ হাতত এতিয়া এইটোও প্ৰমাণ নাই যে মোৰ দেউতাক জীয়াই আছে। তেওঁৰ শৰীৰ আৰু স্বাস্থ্যৰ অৱস্থাৰ কোনো তথ্য আমাক দিয়া নহয়। এইটো কেৱল ৰাজনৈতিক প্ৰতিহিংসাৰ ফল।" তেওঁ পাকিস্তান চৰকাৰক কঠোৰ সকীয়নি দি কয়, "যদি মোৰ দেউতাকৰ লগত কিবা এটা হয়, তাৰ নৈতিক, আইনী আৰু আন্তৰ্জাতিক দায়িত্ব সম্পূৰ্ণৰূপে চৰকাৰ আৰু তেওঁলোকৰ সহযোগীসকলৰ ওপৰত বৰ্তাব।" কাছিমে আন্তৰ্জাতিক সম্প্ৰদায়, মানৱাধিকাৰ সংগঠন আৰু গণতান্ত্ৰিক শক্তিসমূহক অবিলম্বে হস্তক্ষেপৰ আহ্বান জনাইছে। তেওঁৰ দাবীসমূহৰ ভিতৰত আছে—ইমৰাণ খানৰ জীৱিত থকাৰ প্ৰমাণ দিয়ক, আদালতৰ নিৰ্দেশ অনুসৰি পৰিয়ালৰ সৈতে সাক্ষাৎৰ অনুমতি দিয়ক, এই অমানৱীয় বিচ্ছিন্নতাৰ অন্ত পেলাওক, তেওঁৰ তৎকালীন মুক্তিৰ ব্যৱস্থা কৰক। ইমৰাণ খানৰ পাকিস্তান তেহৰিক-ই-ইনছাফ দলে এই অভিযোগক সমৰ্থন জনাই ইছলামাবাদত বিক্ষোভৰ ডাক দিছে। দলৰ মুখপাত্ৰই কয়, "এইটো কেৱল এজন ৰাজনৈতিক নেতাৰ প্ৰতি অত্যাচাৰ নহয়, পাকিস্তানৰ গণতন্ত্ৰৰ প্ৰতি আঘাত।" আন্তৰ্জাতিক মানৱাধিকাৰ সংগঠন এমনেষ্টি ইণ্টাৰনেচনেল আৰু হিউমেন ৰাইটছ ৱাচে ইতিমধ্যে ইমৰাণ খানৰ অৱস্থাৰ তদন্তৰ দাবী উত্থাপন কৰিছে। কাছিম খানৰ এই বাৰ্তাই পাকিস্তানৰ ৰাজনৈতিক সংকটক নতুন মাত্ৰা প্ৰদান কৰিছে আৰু আগন্তুক দিনত দেশজুৰি বৃহৎ প্ৰতিবাদৰ সম্ভাৱনা সৃষ্টি কৰিছে।

# চৰকাৰক ধন্যবাদ আৰু কৃতজ্ঞতা জনালে কলিয়াবৰ সত্ৰ মহাসভাই

**অসম বাৰ্তা, কলিয়াবৰ, ২৮ নৱেম্বৰ ঃ** অসমৰ ঐতিহ্যমণ্ডিত সত্ৰসমূহ আৰু ইয়াৰ ভূমিৰ সুৰক্ষা, সংৰক্ষণ আৰু পৰিচালনা শক্তিশালী কৰাৰ লক্ষ্যৰে অসম চৰকাৰে কালি ৰাজ্য বিধানসভাত এক গুৰুত্বপূৰ্ণ বিধেয়ক উত্থাপন কৰিছে। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই দাখিল কৰা 'অসম সত্ৰ সংৰক্ষণ আৰু উন্নয়ন আয়োগ বিধেয়কখন কালি সদনত গৃহীত হোৱাত অসমৰ সত্ৰ সমূহৰ লগতে কলিয়াবৰ জিলা সত্ৰ মহাসভাই আনন্দত উৎফুল্ল হোৱা দেখা যায়। জানিব পৰা মতে, এই আইনত অসম সত্ৰ সংৰক্ষণ আৰু উন্নয়ন আয়োগ নামৰ এক বিশেষ সংস্থা গঠনৰ প্ৰস্তাৱ দিয়া হৈছে। প্ৰস্তাৱিত আয়োগে এক অৰ্ধ-ন্যায়িক কৰ্তৃপক্ষ হিচাপে কাম কৰিব। ইয়াৰ মূল দায়বদ্ধতা হ'ব সত্ৰ আৰু ইয়াৰ সম্পত্তিৰ সংৰক্ষণ, পৰিচালনা আৰু সুৰক্ষা সুনিশ্চিত কৰা। আইনখনত উল্লেখ কৰা মতে, আয়োগৰ পৰামৰ্শসমূহ জিলা উপায়ুক্তসকলৰ বাবে বাধ্যতামূলক হ'ব, যাৰ ফলত সত্ৰৰ বিষয়সমূহৰ দ্ৰুত নিষ্পত্তি আৰু কাৰ্যকৰীকৰণ নিশ্চিত কৰা হ'ব। আয়োগৰ কাম-কাজত সহায়ৰ বাবে এটা নিবেদিত 'অসম সত্ৰ সংৰক্ষণ আৰু উন্নয়ন পুঁজি'ও গঠন কৰা হ'ব। স্থায়ী আমোলাতন্ত্ৰ গঠন নকৰি প্ৰতিনিধিৰ ভিত্তিত বিষয়া নিযুক্তি দিয়া হ'ব। ভূমি বেদখলৰ গোচৰ, সাংস্কৃতিক সংৰক্ষণকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ ক্ষমতা এই আইনৰ জৰিয়তে আয়োগক প্ৰদান কৰা হৈছে। এই নতুন আইনৰ মূল লক্ষ্য হৈছে অসমৰ বৈষ্ণৱী ঐতিহ্য সুৰক্ষিত কৰা, সত্ৰৰ ভূমিৰ অপব্যৱহাৰ বা বেদখল ৰোধ কৰা, আৰু সমগ্ৰ ৰাজ্যতে সংগঠিত তথা সাংস্কৃতিকভাৱে সংবেদনশীল উন্নয়নক প্ৰসাৰ কৰা। শীতকালীন বিধান সভা অধিবেশনত কালি গৃহীত আইন খনে বেদখলকে ধৰি বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত অসমৰ সত্ৰসমূহৰ উত্তৰণত গুৰুত্বপূৰ্ণ অৱদান আগ বঢ়াব বুলি আশা কৰা হৈছে। অসমৰ সত্ৰসমূহৰ একত্ৰ অনুষ্ঠান অসম সত্ৰ মহাসভাৰ অন্তৰ্গত কলিয়াবৰ জিলা সত্ৰ মহাসভাই অসমৰ সত্ৰসমূহৰ উন্নয়নৰ ক্ষেত্ৰত এক বলিষ্ঠ ভূমিকা ল'ব বুলি আশা প্ৰকাশ কৰাৰ লগতে সন্তুষ্টি প্ৰকাশ কৰিছে। অসমৰ মাননিয় মুখ্যমন্ত্ৰী আৰু কলিয়াবৰৰ বিধায়ক তথা ৰাজহ মন্ত্ৰী কেশৱ মহন্তক এই গুৰুত্বপূৰ্ণ আইন ক্ষেত্ৰত লোৱা পদক্ষেপৰ বাবে কলিয়াবৰ জিলা সত্ৰ মহাসভাই কৃতজ্ঞতা জ্ঞাপন কৰিছে। এই সন্দৰ্ভত আজি গোণামৰা সত্ৰত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কলিয়াবৰ জিলা সত্ৰ মহাসভাৰ সাধাৰণ সম্পাদক পুষ্কৰজ্যোতি মহন্তই কয় - আজি সত্ৰ সমূহৰ বাবে এটা ঐতিহাসিক দিন। অসম চৰকাৰে বিধান সভাৰ মজিয়াত সত্ৰ সংৰক্ষণ আৰু উন্নয়নৰ বাবে বাবে যি আয়োগ গঠনৰ বাবে বিল আনি আইনত পৰিণত কৰিলে তাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজহ মন্ত্ৰী কেশৱ মহন্তৰ লগতে মাননিয় অসম চৰকাৰ তথা অসম বিধান সভাক কলিয়াবৰ জিলা সত্ৰ মহাসভাৰ তৰফৰ পৰা ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰাৰ কথা উল্লেখ কৰে। সত্ৰ মহাসভাৰ মুখ্য উপদেষ্টা হিৰু প্ৰসাদ মহন্তয়ো চৰকাৰে গ্ৰহণ কৰা পদক্ষেপক শলাগ লোৱা সময়ত সত্ৰ মহাসভাৰ কাৰ্যকৰী সভাপতি কুশদেৱ মহন্ত, মুক্তিনাথ গোস্বামী, হৰি প্ৰসাদ মহন্ত, কুমুদ মহন্ত, ধীৰেণ মহন্ত আৰু প্ৰেম নাৰায়ণ মহন্তকে আদি কৰি কেইবাজনো সত্ৰাধিকাৰ আৰু ডেকা সত্ৰীয়া উপস্থিত থাকে।

'২৬ত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিব জমিল হুছেইনে

# পূৱ গোৱালপাৰাত জমিল হুছেইনৰ নিৰ্বাচনী সভা

**অসম বাৰ্তা, গোৱালপাৰা, ২৮ নৱেম্বৰ ঃ** আজি গোৱালপাৰা পূৱ বিধানসভা সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী জমিল হুছেইনে সমষ্টিৰ ৰাইজৰ লগত এক আলোচনাত মিলিত হৈ এখনি সভাৰ আয়োজন কৰে। সভাৰ আৰম্ভণিতে প্ৰতিগৰাকী নিমন্ত্ৰীত ব্যক্তিক অসমীয়া ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। তাৰ পিচতে নিমন্ত্ৰিত অতিথি তথা জ্যেষ্ঠ অধিবক্তা হজৰত আলিয়ে ভাষণ প্ৰদান কৰে জমিল হুছেইনৰ সমৰ্থনত। সভাৰ মাজতে জমিল হুছেইনে জ্যেষ্ঠ গৰাকীক নিজৰ গামোচা খুলি সম্বৰ্ধনা জনাই আশীৰ্বাদ লয়। ইয়াৰ পিচত নিৰ্দলীয় প্ৰাৰ্থী জমিল হুছেইনে উপস্থিত ৰাইজৰ মাজত নিজৰ ব্যক্তব্য দাঙি ধৰে আৰু নিৰ্বাচনত প্ৰতিদণ্ডিতা কৰাৰ মুল কাৰণ ব্যাখ্যা কৰে। ভাষণ প্ৰসংগত জমিল হুছেইনে কয় যে, মই নিৰ্বাচনত প্ৰতিদণ্ডিতা কৰাৰ একমাত্ৰ কাৰণ হ'ল ৰাইজৰ হৈ কাম কৰা, ৰাইজৰ তথা পূৱ সমষ্টিৰ উন্নয়ন। মই গোৱালপাৰাৰ এগৰাকী খিলঞ্জীয় তথা ভূমিপুত্ৰ। মই গোৱালপাৰা ৰাইজক কব বিচাৰো যে, গোৱালপাৰাৰ ৰাইজে বিগত বহু বছৰ ধৰি চালানী মাছ খাই আহিছে। গতিকে এইবাৰ লোকেল মাছ খাই চাওঁক। দুয়োতাৰ মাজত পাৰ্থক্য কিমান এয়া ৰাইজে নিৰ্ধাৰণ কৰিব। গোৱালপাৰা চহৰখন অসমৰ ভিতৰতে দ্বিতীয় স্থানত থকা চহৰ। তথাপিও গোৱালপাৰা চহৰৰ উন্নতিৰ ক্ষেত্ৰত পিচ পৰি আছে। আৰু মই কোনো ৰাজনৈতিক দলৰ লগত জড়িত নহয়। মই কেৱল ৰাইজৰ হৈ প্ৰতিদণ্ডিতা ওলাইছো। নিৰ্বাচনত প্ৰতিদণ্ডিতা নকৰিলেও মোৰ চলি যাব। মই ১৪ নং পূৱ গোৱালপাৰা বিধানসভা সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদণ্ডিতা কৰিম। আৰু ইয়াত ৰাইজৰ সহযোগিতা তথা



সঁহাৰি বিপুলভাৱে পাম বুলি মই আশাবাদী। ইয়াৰোপৰি উচ্ছেদিত সকলোৰ বাবে মই মহামান্য আদালত চুপ্ৰিম কোৰ্টলৈ যোৱাৰ যো-জা চলাইছো জ্যেষ্ঠ অধিবক্তা হজৰত আলি সৈতে। আৰু মই নিৰ্বাচনত পৰাজয় হলেও সামৰ্থ অনুযায়ী ৰাইজৰ হকে কাম কৰি যাম বুলি মইপূৱ সমষ্টিৰ ৰাইজক কথা দিলো। এইবুলি বিভিন্ন প্ৰতিশ্ৰুতিৰে নিৰ্দলীয় প্ৰাৰ্থী জমিল হুছেইনে সাংবাদিকৰ আগত মন্তব্য প্ৰকাশ কৰে।

# মহাবাহু শিল্পকলা কেন্দ্ৰ ধুবুৰীৰ উদ্যোগত ধুবুৰীৰ কলিবাৰী প্ৰাঙ্গণত চিত্ৰ প্ৰদৰ্শনী, চিত্ৰ মেলা আৰু চিত্ৰ কৰ্মশালাৰ আয়োজন



**অসম বাৰ্তা, ধুবুৰী, ২৮ নৱেম্বৰ ঃ** আজি মহাবাহু শিল্পকলা কেন্দ্ৰ ধুবুৰীৰ উদ্যোগত ধুবুৰীৰ কলিবাৰী প্ৰাঙ্গণত চিত্ৰ প্ৰদৰ্শনী, চিত্ৰ মেলা আৰু চিত্ৰ কৰ্মশালাৰ আয়োজন কৰা হয়। অনুষ্ঠানৰ শুভাৰম্ভণি কৰে ধুবুৰীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক দেৱাশিস বৰাই। এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উপস্থিত থাকে বিশিষ্ট চিত্ৰশিল্পী দিলীপ তামোলী, পশ্চিমবংগৰ কেইবাগৰাকী বিশিষ্ট চিত্ৰ শিল্পী, টেৰাকোটা শিল্পৰ সৈতে জড়িত বিশিষ্ট হস্তশিল্পী মহাদেৱ পাল, ধুবুৰী প্ৰেছক্লাবৰ সভাপতি ৰাজীৱ শৰ্মাকে ধৰি বহু বিশিষ্ট ব্যক্তি। অনুষ্ঠানত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি জ্ঞাপন কৰি শ্ৰদ্ধাৰ শিল্পী সুধাকণ্ঠ ড° ভুপেন হাজৰিকা আৰু জুবিন গাৰ্গ লৈ শ্ৰদ্ধা নিৱেদন কৰা হয়। উল্লেখ্য যে এই অনুষ্ঠানত বিশিষ্ট হস্তশিল্পী মহাদেৱ ডেকা আৰু চিত্ৰ শিল্পী অৰ্জুন শৰ্মাক পৌৰসভাৰ অধ্যক্ষ ড° দেৱময় স্যান্যালই বিশেষভাৱে সম্বৰ্ধনা জনায়। উল্লেখ্য যে এই চিত্ৰ প্ৰদৰ্শনীত অসম আৰু পশ্চিমবংগৰ বহু বিশিষ্ট ব্যক্তিৰ অংকন কৰা চিত্ৰ প্ৰদৰ্শনীৰ লগতে বিক্ৰীৰ ও ব্যৱস্থা কৰিছে উদ্যোক্তা সকলে। ২৮ নবেম্বৰৰ পৰা ৩০ নবেম্বৰ লৈকে চলিব এই চিত্ৰ মেল তথা প্ৰদৰ্শনী। এই প্ৰদৰ্শনী চাবলৈ বহু ব্যক্তিয়ে এতিয়া ভিৰ কৰিছে ধুবুৰীৰ কালিবাৰী প্ৰাঙ্গণত। তৃতীয় বাৰৰ বাবে অনুষ্ঠিত হোৱা এই চিত্ৰ প্ৰদৰ্শনীত পশ্চিমবংগৰ শিল্পী সকল আহি ধুবুৰীৰ প্ৰাকৃতিক দৃশ্য চাই উৎফুলিত হৈ পৰিছে। এই প্ৰদৰ্শনীত বিশিষ্ট চিত্ৰ শিল্পী তৰুণ মিত্ৰৰ অংকিত চিত্ৰ সমূহে বিশেষ সমাদৰ লাভ কৰিছে।

# চামগুৰিৰ সোণাৰিবালী মধ্য ইংৰাজী বিদ্যালয়ত শিকন-শিক্ষণ প্ৰদৰ্শন আৰু প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, পুৰণিগুদাম, ২৮ নৱেম্বৰ ঃ** নগাঁও জিলাৰ ৰূপহী শিক্ষাখণ্ডৰ অধীনৰ বিদ্যালয়সমূহৰ মাজত খণ্ড পৰ্যায়ত সমগ্ৰ শিক্ষা অসম আৰু ৰূপহী শিক্ষাখণ্ডৰ দ্বাৰা আয়োজিত বুনিয়াদী স্তৰৰ প্ৰথম আৰু দ্বিতীয় শ্ৰেণী পৰ্যায়ৰ শিকন-শিক্ষণ সামগ্ৰীৰ প্ৰদৰ্শন আৰু প্ৰতিযোগিতাখনি যোৱা ২৭ নৱেম্বৰত চামগুৰিৰ সোণাৰিবালী মধ্য ইংৰাজী বিদ্যালয়ত দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। ইতিপূৰ্বে ৰূপহী শিক্ষা খণ্ডৰ অধীনৰ ২৭টা মণ্ডল সমল কেন্দ্ৰৰ প্ৰত্যেকতে অনুষ্ঠিত হোৱা শিকন-শিক্ষণ সামগ্ৰী প্ৰদৰ্শন আৰু প্ৰতিযোগিতাত "সাক্ষৰতা আৰু সাংখ্যিকতা"ৰ দিশত প্ৰথম স্থান অধিকাৰ কৰা প্ৰায় অৰ্ধশতাধিক বিদ্যালয়ে খণ্ড পৰ্যায়ৰ এই বুনিয়াদী "সাক্ষৰতা আৰু সাংখ্যিকতাৰ" শিকন-শিক্ষণ সামগ্ৰীৰ প্ৰদৰ্শনীৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। উক্ত শিকন-শিক্ষণ সামগ্ৰীৰ প্ৰতিযোগিতাত বিচাৰকৰূপে উপস্থিত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, চামগুৰিৰ প্ৰবক্তা মনচুমি বৰা আৰু নৱস্মিতা ডেকা, ৰূপহী শিক্ষাখণ্ডৰ শিক্ষা বিষয়া ৰঞ্জন কুমাৰ দাস, খণ্ড সমল ব্যক্তি বসন্ত কৌশিক ভাগৱতী,




ব্লক এম আই এছ ইলোৰা শইকীয়া, ইডিপি হৰিপ্ৰিয়া মেধি, গাণনিক জাকিৰ হুচেইন, পংকজ গোস্বামী, মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ক্ৰমে জুবুল কুমাৰ বৰা, প্ৰবীণ হাজৰিকা, হিমাংশু দাস, কংকণ জ্যোতি মুদৈ, নৱ বৰা, নৱ ভূঞা, বসন্ত হাজৰিকা, বুবু দাস, ধ্ৰুৱ বৰা, গুলজাৰ হুছেইন, মোবাৰক আলি আৰু কৃষ্ণ দাস আদিৰ লগতে ৰূপহী শিক্ষাখণ্ডৰ সমূহ মণ্ডল সমল সমন্বয়ক আৰু সোণাৰিবালী মধ্য ইংৰাজী বিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী। প্ৰতিযোগিতাৰ আৰম্ভণিতে হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু আদৰণি পৰ্বৰে প্ৰতিযোগিতাৰ কাৰ্যসূচী আৰম্ভ কৰা হয়। উক্ত প্ৰতিযোগিতাত সাক্ষৰতাৰ দিশত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে হেমাৰবড়ি প্ৰাথমিক বিদ্যালয়, শিয়ালবস্তি প্ৰাথমিক বিদ্যালয় আৰু লতাইমাৰি প্ৰাথমিক বিদ্যালয়ে। প্ৰতিযোগিতাত সাংখ্যিকতা দিশত প্ৰথম স্থান অধিকাৰ কৰে পি এম শ্ৰী ২১ নং চাপানালা প্ৰাথমিক বিদ্যালয়, দ্বিতীয় ২২ নং শিঙিয়া হাতীগাঁও প্ৰাথমিক বিদ্যালয়, তৃতীয় ১৪ নং খাটোৱাল প্ৰাথমিক বিদ্যালয়। ছাত্ৰ-ছাত্ৰীসকলক মনোগ্ৰাহী কৈ পাঠদান কৰোৱাৰ ক্ষেত্ৰত এনেধৰণৰ শিকন-শিক্ষণ সামগ্ৰীসমূহৰ ব্যৱহাৰ আৰু এনেধৰণৰ প্ৰতিযোগিতাসমূহে শিক্ষক তথা ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট উপকৃত হোৱাৰ ক্ষেত্ৰত সমগ্ৰ শিক্ষা অসমৰ এনেধৰণৰ পদক্ষেপ এক গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে।

# দোতমা আৰক্ষী চকীৰ অন্তৰ্গত শিকাৰগাঁৱত ভয়ংকৰ অগ্নিকাণ্ড

**অসম বাৰ্তা, দোতমা, ২৮ নৱেম্বৰ ঃ** শিকাৰগাঁৱত খেৰৰ পুঁজিত আজি সন্ধিয়া ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। আচমকা দাউদাউকৈ জ্বলি উঠা জুই মুহূৰ্ততে ভয়ংকৰ ৰূপ লোৱাত স্থানীয় ৰাইজৰ মাজত আতংক সৃষ্টি হয়। তথাপিও স্থানীয় ৰাইজৰ তৎপৰতা আৰু সমন্বিত পদক্ষেপৰ ফলত কথমপি ৰক্ষা পৰে প্ৰায় তিনি-চাৰিটাকৈ ঘৰ। স্থানীয় ৰাইজে জুই নিয়ন্ত্ৰণৰ চেষ্টা চলাই একেবাৰে অসম্ভৱক সম্ভৱ কৰি দেখুৱাই দিয়া পৰিলক্ষিত হয়। অগ্নিনিৰ্বাপক বাহিনী আহি পোৱাৰ আগতেই জুইক অতি প্ৰাৰিধানিকভাৱে নিয়ন্ত্ৰণৰ চেষ্টা আৰম্ভ কৰি ক্ষয়ক্ষতি ব্যাপক হোৱাৰ পৰা ৰক্ষা কৰে। খবৰ পোৱাৰ লগে-লগে দোতমা আৰক্ষী চকীৰ কৰ্তৃপক্ষ ঘটনাস্থলীত উপস্থিত হয়। ক্ষন্তেক পিছতে অগ্নিনিৰ্বাপক বাহিনীৰ এটি দলো ঘটনাস্থলীত উপস্থিত হৈ জুইক সম্পূৰ্ণভাৱে নিয়ন্ত্ৰণত আনি স্থানীয় ৰাইজৰ চিন্তা দুৰ কৰে। এতিয়ালৈকে অগ্নিকাণ্ডৰ সঠিক কাৰণ স্পষ্ট হোৱা নাই। ঘটনাটোৰ সম্পূৰ্ণ পৰিস্থিতি বুজিবলৈ আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। সৌভাগ্যক্ৰমে কোনো প্ৰাণহানি হোৱা নাই, যদিও ক্ষয়ক্ষতিৰ পৰিমাণ উল্লেখযোগ্য হোৱাৰ সম্ভাৱনা ব্যক্ত কৰা হৈছে।

দুৰাৰোগ্য ৰোগত আক্ৰান্ত বহুলোক

# থেকেৰাগুৰিৰ ধূলিময় পথত জনজীৱন বিপন্ন

**অসম বাৰ্তা, বগীনদী, ২৮ নৱেম্বৰ ঃ** লখিমপুৰ জিলাৰ বগীনদী উন্নয়নখণ্ডৰ অন্তৰ্গত থেকেৰাগুৰিৰ পৰা থেকেৰাগুৰিৰ বাণিজ্যিক তিনিআলি সংযোগী পথটোৰ বাবে একপ্ৰকাৰৰ জনজীৱন বিপন্ন হৈ পৰা পৰিলক্ষিত হৈছে। ব্যস্তময় পথটোৰে চলাচল কৰা বাহনৰ বাবে সৃষ্টি হোৱা ধূলিৰ বাবে সৰ্বসাধাৰণ ৰাইজে যাতনা ভোগ কৰিব লগীয়া হৈছে। বিশেষকৈ পথটোৰে নীতি-নিয়ম পালন নকৰি চলা ডাম্পাৰ আৰু ট্ৰেক্টৰৰ বাবে এই পথত সৃষ্টি হোৱা ভয়াবহ ধূলিয়ে স্বাস্থ্যজনিত বহুতো সমস্যাৰ সৃষ্টি কৰিছ। মুখমণ্ডল নধকাকৈ পথেৰে যাতায়ত কৰিব নোৱাৰা হৈছে ৰাইজ। এই ভয়াবহ ধূলিৰ বাবে বহুলোক দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈছে। ৰাইজে বনজ সম্পদৰ ব্যৱসায় কৰা সংশ্লিষ্ট পক্ষক পথটোত নিয়মীয়াকৈ পানী ছটিয়াবলৈ আহ্বান জনোৱাৰ পিছতো গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপিত হৈছে। এই ভয়াবহ ধূলিৰ বাবে থেকেৰাগুৰি, ন-আলিৰ এলেকা শীঘ্ৰে দুৰাৰোগ্য ৰোগৰ মূল কেন্দ্ৰত পৰিণত হ'ব বুলি সচেতন ব্যক্তি যদু ভূঞাই শংকা ব্যক্ত কৰে।

# ৯টা ঘৰত বিস্তৰ ক্ষতিসাধন বঙাইগাঁও জিলাৰ ৩ নং নাচনগুৰীত ভয়াৱহ অগ্নিকাণ্ড

**অসম বাৰ্তা, বঙাইগাঁও সদৰ, ২৮ নৱেম্বৰ ঃ** বঙাইগাঁও জিলাৰ ৩ নং নাচনগুৰীত আজি আকৌ এক ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হোৱাত সমগ্ৰ অঞ্চলটোত তীব্ৰ আতংকৰ পৰিস্থিতিৰ সৃষ্টি হয়। স্থানীয় সূত্ৰ অনুসৰি, এটা ঘৰত গেছ চিলিণ্ডাৰ আৰু বিদ্যুৎ সংযোগত হঠাৎ হোৱা ত্ৰুটিৰ ফলতেই এই ভয়ংকৰ অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটে বুলি সন্দেহ প্ৰকাশ কৰা হৈছে। জুই বিয়পি পৰে কাষৰীয়া আন আন ঘৰত। এই অগ্নিকাণ্ডত মুঠ ৯টা ঘৰত সম্পূৰ্ণৰূপে অগ্নিগ্ৰস্ত হয়। অগ্নিকাণ্ডত বহু পৰিমাণৰ ধন-সম্পত্তি, গৃহস্থলীৰ প্ৰয়োজনীয় সামগ্ৰী, ধাৰ্মিক গ্ৰন্থ, গুৰুত্বপূৰ্ণ নথিপত্ৰসহ বহু মূলবান সামগ্ৰী সম্পূৰ্ণৰূপে জুইত ভস্মীভূত হয়। ঘটনাটোত কোনোধৰণৰ প্ৰাণহানি হোৱা নাই যদিও বহুটা পৰিয়াল নিঃস্ব হৈ পৰিছে। খবৰ পোৱাৰ লগে লগে অগ্নিনিৰ্বাপক বাহিনী ততালৈয়াকৈ ঘটনাস্থলীত উপস্থিত হৈ বহু চেষ্টা চলাই জুই নিয়ন্ত্ৰণলৈ আনে। লগতে আৰক্ষীৰ এটা দলও ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ আৰু এলেকাটো সুৰক্ষিত কৰি তোলে। বৰ্তমান আৰক্ষীয়ে এই অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ জানি তদন্ত আৰম্ভ কৰে। এই ভয়াৱহ ঘটনাই সমগ্ৰ নাচনগুৰী অঞ্চলটোত শোক আৰু উৎকণ্ঠাৰ পৰিৱেশ সৃষ্টি কৰিছে।

টিৰাপ-জাগুন উপ-শাখা সমিতিৰ দুগৰাকী সদস্যক বহিষ্কাৰ

# অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ মাৰ্ঘেৰিটা শাখা সমিতিৰ কাৰ্যনিৰ্বাহক সভা

**অসম বাৰ্তা বিশেষ, জাগুন, ২৮ নৱেম্বৰ ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ মাৰ্ঘেৰিটা শাখা সমিতিৰ এখন কাৰ্যনিৰ্বাহক সভা যোৱা ২৪ নৱেম্বৰ তাৰিখে মাৰ্ঘেৰিটা উন্নয়ন খণ্ডৰ সভা কক্ষত অনুষ্ঠিত হয়। উক্ত কাৰ্যনিৰ্বাহক সভাত টিৰাপ জাগুন উপ শাখা সমিতিৰ উপদেষ্টা মুক্তি নাথ হাজাম আৰু উপ সভাপতি সুজয় কপিলক সংগঠনৰ সংবিধান বিৰোধী কাৰ্য্যকলাপত জড়িত থকাৰ অপৰাধত তৎকালে কাৰ্যকৰী হোৱাকৈ বহিষ্কাৰ কৰা হয়। এতিয়াৰে পৰা দুয়োগৰাকী সদস্যক অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কোনো ধৰণৰ সাংগঠনিক কাৰ্যসূচীত অংশ গ্ৰহণৰ বাবে যোগাযোগ নকৰিবলৈ সকলো উপ-শাখা সমিতিক নিৰ্দেশ দিয়া হয়। ইয়াৰোপৰি কাৰ্যনিৰ্বাহক সভাত এই সমগ্ৰ বিষয় সন্দৰ্ভত লিখিত ভাৱে সংগঠনটোৰ কেন্দ্ৰীয় সমিতিলৈ প্ৰেৰণ কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰে।

আতংকিত অঞ্চলটোৰ লোকসকল

# যোৰহাটৰ ঢেঁকৰগড়াত ঢেঁকীয়াপতীয়া বাঘৰ মুক্ত বিচৰণ

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ২৮ নৱেম্বৰ ঃ** বনাঞ্চলৰপৰা জনাঞ্চললৈ খাদ্যৰ সন্ধানত অহা এটা ঢেঁকীয়াপতীয়া বাঘে মুক্ত বিচৰণ কৰিছে উত্তৰ-পশ্চিম যোৰহাটৰ ঢেঁকৰগড়া এলেকাত। ফলত আতংকিত হৈছে এলেকাটোৰ লোকসকল। যোৱা কিছুদিনৰেপৰা এলেকাটোত পোহনীয়া জন্তু নিধন কৰি থকা বাঘটোৰে উত্তৰ-পশ্চিম যোৰহাট উন্নয়ন খণ্ডৰ সমীপৰ মালৌআলিৰ ভোগদৈ দলঙৰ ওপৰৰ পকী দলংখনত যোৱানিশা বাঘটোৰে বিচৰণ কৰি থকা প্ৰত্যক্ষ কৰে। এই সন্দৰ্ভত বন বিভাগৰ যোৰহাটৰ লোকক অৱগত কৰাত আজি বন বিভাগৰ লোক উপস্থিত হৈ অনুভাষ যন্ত্ৰ যোগে ধাননি পথাৰত স্থানীয় লোকক নাথাকিবলৈ অনুৰোধ জনোৱাৰ লগতে ড্ৰোণ কেমেৰাৰে বাঘটোৰ বিচৰণৰ সন্দৰ্ভত নিৰীক্ষণ কৰিছে যদিও বাঘটো প্ৰত্যক্ষ কৰা নাই। ৰাইজে বাঘটো পিঞ্জৰাবদ্ধ কৰিবলৈ বন বিভাগৰ প্ৰতি আহ্বান জনাইছে।

# চাহ বাগিচাৰ ৰাইজক মাটিৰ অধিকাৰ; ডুমডুমাত উৎফুল্ল আদিবাসী, চাহ জনগোষ্ঠীৰ লোকসকল

**ষ্টাফ ৰিপৰ্টাৰ তিনিচুকীয়া, ২৮ নৱেম্বৰ ঃ** প্ৰায় ২০০ বছৰ ধৰি অসমত বসবাস কৰা আদিবাসী, চাহ জনগোষ্ঠীৰ লোকসকলৰ বাবে আজি এক আনন্দৰ দিন। বহু দিনৰ পৰা আদিবাসী, চাহ শ্ৰমিক লোকসকলে ভূমি পট্টাৰ বাবে দাবী জনাই আহিছে। অসম বিধানসভাৰ চলিত শীতকালীন অধিৱেশনত আজি আদিবাসী আৰু চাহ জনগোষ্ঠীৰ লোকসকলক ভূমিৰ অধিকাৰ প্ৰদান কৰা ঐতিহাসিক বিধেয়কখন গৃহীত হোৱাৰ বাবে অসমৰ সমগ্ৰ চাহ বাগিচাৰ লগতে ডুমডুমা বিধানসভা সমষ্টিৰ আদিবাসী, চাহ জনগোষ্ঠীৰ লোকসকলৰ মাজতো আজি আনন্দ, উল্লাস দেখা যায়। আজি ডুমডুমাৰ দৈমুখীয়া চাহ বাগিচাৰ চাহ শ্ৰমিকসকলৰ মাজতো দেখা গ'ল আনন্দ, স্ফুৰ্তি। বাগিচাখনৰ চাহ শ্ৰমিকসকলে এই শুভক্ষণৰ স্বাক্ষী হ'বলৈ সকলো একত্ৰিত হৈ বিধান সভাৰ অধিৱেশনৰ কাৰ্যসূচী প্ৰজেক্টৰৰ যোগেদি উপভোগ কৰা দেখা গ'ল। পাছত সাংবাদিকৰে হোৱা বাৰ্তালাপত তেওঁলোকে অসম চৰকাৰ তথা অসমৰ মুখ্যমন্ত্ৰী আৰু ডুমডুমাৰ বিধায়ক তথা শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাক ধন্যবাদ জ্ঞাপন কৰে। ইপিনে সন্ধিয়া ডুমডুমাৰ বিজেপিৰ নেতা - কৰ্মীসকলে ডুমডুমা নগৰত সমবেত হৈ আতচবাজী ফুটাই আনন্দ প্ৰকাশ কৰা দেখা যায়।




অসমৰ লগতে ৰাজ্যৰ বাহিৰৰো আগশাৰীৰ বিভিন্ন প্ৰকাশন প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰিছে

# ৰাজ্য চৰকাৰৰ গ্ৰন্থবৰ্ষৰ সৈতে সংগতি ৰাখি শুকুৰবাৰৰ পৰা তিনিচুকীয়াত আৰম্ভ হৈছে দহদিনীয়া 'অসম গ্ৰন্থমেলা' পঢুৱৈৰ বাবে বাছকবনীয়া গ্ৰন্থ সম্ভাৰ লৈ সাজু বিপণী

**অসম বাৰ্তা বিশেষ, তিনিচুকীয়া, ২৮ নৱেম্বৰ ঃ** ৰাজ্য চৰকাৰে ঘোষণা কৰা 'গ্ৰন্থ-বৰ্ষ'ৰে সংগতি ৰাখি অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই বঙাইগাঁও, লখিমপুৰ, নলবাৰী আৰু যোৰহাটত আয়োজন কৰা অসম গ্ৰন্থমেলাৰ সফল সামৰণিৰ পাছত এইবাৰ তিনিচুকীয়াত অনুষ্ঠিত হৈছে অসম গ্ৰন্থমেলা। তিনিচুকীয়াৰ চলিহা নগৰ খেলপথাৰত ভাষা-সাহিত্য-সংস্কৃতিৰ এলানি আকৰ্ষণীয় কাৰ্যসূচীৰে শুকুৰবাৰৰ পৰা দহদিনীয়া (২৮ নৱেম্বৰ- ৭ ডিচেম্বৰ, ২০২৫) কৈ আৰম্ভ হোৱা অসম গ্ৰন্থমেলা, তিনিচুকীয়াৰ আটাইকেইটা দিনতে



বিয়লি ২-৩০ বজাৰ পৰা ভাষা-সাহিত্য-সংস্কৃতি-ইতিহাস আদি ভিন্ন বিষয়ক সামৰি আলোচনা সত্ৰ আয়োজনৰ দিহা কৰিছে। ইয়াৰ ভিতৰত আছে ২৯ নৱেম্বৰত 'অসমৰ চাহৰ দুশবছৰীয়া ইতিহাসঃ অতীত আৰু বৰ্তমান', ১ ডিচেম্বৰত 'সাম্প্ৰতিক অসমীয়া গল্পঃ ভাষা আৰু বিষয় বৈচিত্ৰ্য্য', ৫ ডিচেম্বৰত সুধাকণ্ঠ ড°ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে 'ড° ভূপেন হাজৰিকাৰ সৃষ্টিৰ বিশেষত্ব আৰু গুৰুত্ব' শীৰ্ষক আলোচনা সত্ৰ। তদুপৰি ৩০ নৱেম্বৰত শিশুৰ দিন, ২ ডিচেম্বৰত লেখক-পাঠক সমাৰোহ, ৩ ডিচেম্বৰত মাদলৰ মাত, ৪ ডিচেম্বৰত যুৱ লেখক সন্মিলন আৰু ৬ ডিচেম্বৰত কবি সন্মিলন। ৭ ডিচেম্বৰত আয়োজন কৰা হ'ব অসম গ্ৰন্থমেলা, তিনিচুকীয়াৰ সামৰণী অনুষ্ঠান। প্ৰতি সন্ধিয়া ৫ বজাৰ পৰা গ্ৰন্থমেলাৰ বাকৰিত বিভিন্ন শিক্ষানুষ্ঠানৰ মাজত আয়োজন কৰা হ'ব বাৰেবৰণীয়া সাংস্কৃতিক প্ৰতিযোগিতা। উল্লেখ্য যে, অসম গ্ৰন্থমেলা, তিনিচুকীয়াত অসমৰ লগতে ৰাজ্যৰ বাহিৰৰো আগশাৰীৰ বিভিন্ন প্ৰকাশন প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰিছে। শুকুৰবাৰৰ পৰা বিপণীসমূহত পাঠকৰ মনৰ চাহিদা পূৰণ কৰিবলৈ বাছকবনীয়া গ্ৰন্থ সম্ভাৰ উপলভ্য হৈছে বুলি উদ্যোক্তাই সদৰী কৰিছে। গ্ৰন্থমেলাখনলৈ লেখক-পাঠক, শিক্ষক-শিক্ষাৰ্থীৰ লগতে সৰ্বস্তৰৰ ৰাইজৰ সহযোগিতা কামনা কৰিছে অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন